# এৰিয়ান

৫২ তম সংখ্যা, ২০২১-২২




তত্ত্বাৱধায়ক
ড° ৰঞ্জন জ্যোতি বেজবৰুৱা

সম্পাদিকা
নিকুমণি কলিতা

# ২০২১-২২ বৰ্ষৰ মহাবিদ্যালয় সপ্তাহত প্ৰদৰ্শিত শিল্পীৰ তুলিকা

























# এৰিয়ান

আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ

৫২ তম্ সংখ্যা, ২০২১-২২

সম্পাদিকা
নিকুমণি কলিতা

তত্ত্বাৱধায়ক
ড° ৰঞ্জন জ্যোতি বেজবৰুৱা

# এৰিয়ান

আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ

৫২ তম্ সংখ্যা, ২০২১-২২

আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ দ্বাৰা প্ৰকাশিত আৰু সৰ্বস্বত্ব সংৰক্ষিত

সম্পাদনা সমিতি

উপদেষ্টা ঃ

ড° প্ৰদীপ কুমাৰ ভট্টাচাৰ্য্য

অধ্যক্ষ, আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয় (স্বায়ত্তশাসিত)

শ্ৰীঅনিতা তালুকদাৰ

উপাধ্যক্ষ, আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয় (স্বায়ত্তশাসিত)

ড° সৌৰভ প্ৰাণ শৰ্মা

সহকাৰী অধ্যাপক, ছাত্ৰ কল্যাণ বিষয়া, আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয় ছাত্ৰ একতা সভা

তত্বাৱধায়ক ঃ

ড° ৰঞ্জন জ্যোতি বেজবৰুৱা

সম্পাদিকা ঃ

নিকুমণি কলিতা

শিক্ষক সদস্যসকল ঃ

ড° গীতাঞ্জলি হাজৰিকা, ড° পাপৰি দেৱী, শ্ৰীউজ্জ্বলা বৰ্মন, ড° পংকজজ্যোতি গগৈ, ড° চঞ্চল বৰুৱা শ্ৰীদেৱশ্ৰী ভট্টাচাৰ্য, শ্ৰীপ্ৰিয়াঙ্কা কাশ্যপ

সদস্য/সদস্যা (ছাত্ৰ-ছাত্ৰী) ঃ

আচমা উল হুচনা, নিশিতা শৰ্মা বশিষ্ঠ, শশীপ্ৰভা ৰয়, বিতোপন ৰাজবংশী, জুমন ঠাকুৰীয়া, তাজিম উদ্দিন

বেটুপাত ঃ

ৰাখী বুঢ়াগোঁহাই

মুদ্ৰণ ঃ

শৰাইঘাট ফটো টাইপছ প্ৰাইভেট লিমিটেড

বামুণীমৈদাম গুৱাহাটী-৭৮১ ০২১

www.saraighatphototypes.in

# আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ সঙ্গীত

কথা ঃ বিৰিঞ্চি কুমাৰ মেধি
সুৰ ঃ দীপক চক্ৰৱৰ্তী

জ্ঞান প্ৰদীপৰ শিখাত কঁপিছে
মহাসাধনাৰ গীত
প্ৰজ্ঞা, ধৃতিৰ ভেঁটিত জিলিকে
আৰ্য্য বিদ্যাপীঠ

হৃদয়ৰ আশা বিকশিত কৰি
ঢালে যে সঞ্জীৱনী
শতকে শিৰত পিন্ধাই দিয়ে
জ্ঞানৰ বিমল মণি
আকাশ বতাহ বিয়পি সফল
স্বপ্নৰ শুনো গীত।

অমোঘ নিবিড় ৰাতিৰ বুকুত
স্বপ্ন মদিৰ অলেখ চকুত
জ্যোতিধাৰা বাকি জ্বলিল প্ৰদীপ
নিগৰিল নৱনীত।

সুপ্তবীজৰ তন্দ্ৰা ভাগিল
হ'ল যে অংকুৰণ
পুষ্পে-পত্ৰে শোভিত তৰুই
ধিয়ালে নীল গগন
ধ্যান-ধাৰণাৰ জ্ঞান-গৰিমাৰ
শুনো সুধাময় গীত।।

# শ্ৰদ্ধাঞ্জলি



স্বৰ্গীয় দিনেশ চন্দ্ৰ মজুমদাৰ



স্বৰ্গীয় কেশৱ চন্দ্ৰ শৰ্মা



স্বৰ্গীয় শিৱনাথ বৰ্মন

উপাচাৰ্যৰ কাৰ্যালয়

# কটন বিশ্ববিদ্যালয়

পাণবজাৰ, গুৱাহাটী-০১

তাৰিখ ঃ ২৩ জানুৱাৰী, ২০২৩



## শুভেচ্ছাবাণী

আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ে প্ৰতি বছৰৰ দৰে এই বছৰো বাৰ্ষিক আলোচনী 'এৰিয়ান' প্ৰকাশ কৰিবলৈ আগবাঢ়িছে বুলি জানি সুখী হ'লোঁ। মহাবিদ্যালয়খনৰ ঐতিহ্য আৰু পৰম্পৰাৰ প্ৰতি লক্ষ্য ৰাখি তেওঁলোকে আলোচনীখনৰ বিষয়-সূচী প্ৰস্তুত কৰিব বুলি মোৰ দৃঢ় বিশ্বাস। ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক জগত, চিন্তা-চৰ্চা আৰু সামূহিকভাৱে শৈক্ষিক, ৰাজনৈতিক, সামাজিক পৰিৱেশৰ প্ৰকাশৰ প্ৰধান মাধ্যমৰূপে আলোচনী এখনৰ যথেষ্ট গুৰুত্ব আছে। একোখন আলোচনী মাত্ৰ কেইটিমান লেখাৰ সংকলন নহয়, ই নিৰ্দিষ্ট সময়ৰ সাহিত্য-সমাজ-সংস্কৃতিৰ চানেকি। গতিকে এই ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলৰ দায়িত্বও কম নহয়। মহাবিদ্যালয় এখনত এক সুস্থ সাহিত্যিক বাতাবৰণ সৃষ্টিৰ বাবেও আলোচনী এখন প্ৰকাশৰ প্ৰচেষ্টা আদৰণীয়।

আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'এৰিয়ান'ৰ লগত জড়িত প্ৰতিগৰাকীলৈ মোৰ অফুৰন্ত শুভেচ্ছা।

সকলোৰে ভাল হওঁক।

(অধ্যাপক ৰমেশ চন্দ্ৰ ডেকা)
উপাচাৰ্য, কটন বিশ্ববিদ্যালয়

।। চিৰ চেনেহী মোৰ ভাষা জননী।।

# অসম সাহিত্য সভা

স্থাপিত ঃ ১৯১৭ চন

ড° কুলধৰ শইকীয়া
সভাপতি

# ASAM SAHITYA SABHA

Estd. : 1917

website : https://asamsahityasabha.org/

Dr. Kuladhar Saikia
President

## শুভেচ্ছাবাণী

আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ ২০২১-২২ বৰ্ষৰ বাৰ্ষিক আলোচনী 'এৰিয়ান' প্ৰকাশৰ পথত বুলি জানিব পাৰি মই সুখী। যিকোনো শিক্ষানুষ্ঠানত প্ৰকাশ হোৱা আলোচনী বা স্মৃতিগ্ৰন্থত সেই শিক্ষানুষ্ঠানখনৰ শিক্ষক-কৰ্মচাৰী আৰু বিশেষকৈ ছাত্ৰ-ছাত্ৰীৰ সাহিত্য প্ৰতিভাৰ চিন স্পষ্টভাৱে জিলিকি উঠে। প্ৰকাশ হ'বলগীয়া 'এৰিয়ান'ৰ এই সংখ্যাটিত আমি তাকেই দেখিবলৈ পাম বুলি আশা কৰিলোঁ।

'এৰিয়ান' সৰ্বাঙ্গসুন্দৰ ৰূপত প্ৰকাশ হৈ পাঠক সমাজৰ সমাদৰ অৰ্জন কৰক— এই কামনাৰে মই সম্পাদনা সমিতিৰ আটাইলৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

।। চিৰ চেনেহী মোৰ ভাষা জননী।।

(ড° কুলধৰ শইকীয়া)
সভাপতি
অসম সাহিত্য সভা
গুৱাহাটী, ১১ নৱেম্বৰ, ২০২২ খ্ৰীষ্টাব্দ

মুখ্য কাৰ্যালয় ঃ চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট
HEAD OFFICE : CHANDRAKANTA HANDIQUE BHAWAN, JORHAT
যোগাযোগৰ ঠিকনা ঃ অসম সাহিত্য সভা, ভগৱতীপ্ৰসাদ বৰুৱা ভৱন, গুৱাহাটী-৭৮১০০১
Address : Asam Sahitya Sabha, Bhagawatiprasad Barua Bhawan, Guwahati-781001
Email : asam.sahitya.sabha@gmail.com

# অধ্যক্ষৰ মেজৰ

## পৰা.....



ঐতিহ্যমণ্ডিত আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ "এৰিয়ান"ৰ ২০২১-২২ বৰ্ষৰ ৫২ তম্ সংখ্যাটি প্ৰকাশৰ যো-জা কৰা বুলি জানি আনন্দিত হৈছো। অসমৰ লগতে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ শৈক্ষিক উৎকৰ্ষ সাধনত আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ে অতীজৰে পৰা এক বলিষ্ঠ ভূমিকা গ্ৰহণ কৰি আহিছে। প্ৰতিষ্ঠা কালৰে পৰা শৈক্ষিক গতিশীলতাৰে আগবাঢ়ি অহা আমাৰ মহাবিদ্যালয়ে ২০২২ বৰ্ষত বিশ্ববিদ্যালয় অনুদান আয়োগৰ দ্বাৰা স্বীকৃতি লাভ কৰিলে স্বায়ত্ত শাসিত মহাবিদ্যালয়ৰ। শেহতীয়াভাৱে আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ে আগন্তুক শৈক্ষিক বৰ্ষৰ পৰা "নতুন ৰাষ্ট্ৰীয় শিক্ষানীতি, ২০২০" প্ৰয়োগ কৰাৰ বাবে প্ৰস্তুতি অব্যাহত ৰাখিছে। একবিংশ শতিকাৰ পৃথিৱীৰ পৰিৱৰ্তনশীল সমাজৰ লগত খাপ খোৱাকৈ প্ৰস্তুত কৰা উক্ত শিক্ষানীতিৰ নিৰ্দেশনাসমূহৰ সফল প্ৰয়োগৰ দ্বাৰা মহাবিদ্যালয়খনে ৰাজ্যৰ লগতে ভাৰতৰ শিক্ষা ব্যৱস্থাৰ বিকাশত এক যুগান্তকাৰী পৰিৱৰ্তন আনিবলৈ সক্ষম হ'ব বুলি আমাৰ দৃঢ় বিশ্বাস। এই ছেগতে আটাইলৈকে শুভকামনা যাচিলোঁ।

সদৌ শেষত "এৰিয়ান"ৰ এই সংখ্যাটিৰ লেখনিসমূহত সাহিত্য-সংস্কৃতিকে ধৰি শৈক্ষিক, আৰ্থ-সামাজিক বিভিন্ন দিশৰ বৌদ্ধিক চিন্তা-চৰ্চাৰ প্ৰতিফলন ঘটিব বুলি আশা কৰিলো। লগতে এই সংখ্যাৰ প্ৰতিগৰাকী লেখক-লেখিকালৈ আন্তৰিক অভিনন্দন জনালোঁ।

ড° প্ৰদীপ কুমাৰ ভট্টাচাৰ্য্য
অধ্যক্ষ
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয় (স্বায়ত্তশাসিত)



# সম্পাদকীয়

মৃণাল কলিতাদেৱে ২০২১ বৰ্ষত শিশু সাহিত্যৰ সাহিত্য অকাডেমি প্ৰাপ্ত গ্ৰন্থ 'বকুল ফুলৰ দৰে'ত লিখিছে যে বৰ্তমানৰ উঠি অহা প্ৰজন্মটো এক গণহতাশাত ভুগিছে। কথাষাৰ একে আষাৰতে উলাই কৰিব পৰা বিধৰ নহয় আৰু আমাৰ বাবে যথেষ্ট চিন্তা উদ্বেগকাৰী। কিহৰ বাবে এনে হ'ল তাৰ কাৰণ বিচাৰি যোৱাতো হয়তো আমাৰ বাবে উজু নহ'ব। তথাপি আধুনিকতাৰ মোহপাশত একপ্ৰকাৰ নিজৰ জীৱন সঁপি দিয়া আজিৰ ল'ৰা-ছোৱালীৰ কিতাপৰ দৰে মহৌষধক বাদ দি যান্ত্ৰিক জগতখনতেই ডুব খাই থকাৰ অভ্যাসটোকেই মূলতঃ দোষিব পাৰি। অৱশ্যে বৰ্তমানৰ অস্থিৰ সামাজিক-ৰাজনৈতিক পৰিস্থিতিৰো এইক্ষেত্ৰত কুপ্ৰভাৱ নুই কৰিব নোৱাৰি। আমি অনুভৱ কৰোঁ, লাহে লাহে পঢ়িবলৈ এৰি দিয়া কিশোৰ-কিশোৰীসকলে যদি পুনৰ আমাৰ সাহিত্যসমূহক আঁকোৱালি লয়, তেন্তে নিশ্চয় আগন্তুক দিনত নতুন সূৰ্য্যৰ পোহৰে আলোকিত এখন পৃথিৱী আমি দেখিবলৈ পাম।

১৯৬১ চনতেই প্ৰথম সংখ্যা প্ৰকাশ পোৱা আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ মুখপত্ৰ 'এৰিয়ানে' ইতিমধ্যেই সোণালী জয়ন্তী গৰকি আহি যাঠিৰ ঘৰ চুইছেগৈ। ইমান বেছি ঐতিহ্য আৰু গুৰুত্বৰে ভৰা আমাৰ মৰমৰ আলোচনীখনৰ সম্পাদিকাৰ দৰে গুৰুদায়িত্ব লাভ কৰাটো মোৰ দৰে অভাজনৰ বাবে কল্পনাশক্তিৰো বাহিৰত। তথাপি মোক নিৰ্বাচন কৰি এই দায়িত্ব প্ৰদান কৰা মহাবিদ্যালয়ৰ ছাত্ৰসমাজলৈ মোৰ আন্তৰিক কৃতজ্ঞতা যাচিলোঁ। যোৱা এবছৰ ধৰি মোৰ লগত ছাঁটোৰ দৰে থাকি সহায় কৰা মহাবিদ্যালয়ৰ শিক্ষক সমাজ আৰু বন্ধুবৰ্গলৈও আন্তৰিকতাৰ শৰাই আগবঢ়ালো। পাৰ্যমানে যত্ন কৰাৰ পাছতো 'এৰিয়ান'ৰ এই সংখ্যাটি প্ৰকাশত সামান্য পলম হোৱা বাবে মই আপোনাসবৰ ওচৰত ক্ষমা মাগিছোঁ।

'এৰিয়ানে' সমাজ-সংস্কৃতি-সাহিত্য আৰু সুন্দৰতাৰ ধ্বজা কঢ়িয়াই বৌদ্ধিক চৰ্চা আৰু বিকাশত যি পৰম অৱদান আগবঢ়াই আহিছে, সেই যাত্ৰা অব্যাহত থাকক। এৰিয়ানৰ পাততেই সৃষ্টি হওঁক নতুন নতুন সম্ভাৱনাময়ী লেখক-লেখিকাৰ। সেই আশাৰেই....

নিকুমণি কলিতা
সম্পাদিকা
এৰিয়ান
৫২ নং সংখ্যা

# সূচীপত্ৰ

## অসমীয়া বিভাগ

### প্ৰবন্ধ


- ♦ শংকৰদেৱৰ ধৰ্মীয় দৰ্শন আৰু আমাৰ সমাজ ব্যৱস্থা/ড° দিপালী নেওগ গোস্বামী//১৩
- ♦ বীজৰ পৰা বটবৃক্ষলৈ, স্বপ্নৰ পৰা স্বায়ত্তশাসনলৈ আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়/বিতোপন ৰাজবংশী//১৫
- ♦ হোমেন বৰগোহাঞিৰ সাহিত্যত মানৱতাবোধ/ছাজিছ আলম//১৯
- ♦ নৱপ্ৰজন্মৰ হাতত অসমীয়া সাহিত্য/বিশ্বজিৎ সেনাপতি//২৩
- ♦ অৰণ্য মানৱ/সংঘমিত্ৰা শৰ্মা//২৪
- ♦ মিলিয়ন ডলাৰৰ এটা প্ৰশ্ন/মৃণাল ঠাকুৰীয়া//২৫
- ♦ ব্যৱসায়িক দৃষ্টিভংগীৰে অসমীয়া সংস্কৃতিৰ সংৰক্ষণ/লক্ষণা দত্ত//২৭
- ♦ শেষ মধ্যযুগীয়া অসমৰ ৰাজনৈতিক দৃশ্যপট/ড° পঙ্কজ কলিতা//৩২
- ♦ বাৰ্মুদা ত্ৰিভুজৰ ৰহস্য আৰু বহুতো নজনা তথ্য!/হীৰকজ্যোতি কলিতা//৩৫


### চুটিগল্প


- ♦ অভিমান/বাস্তৱ চৌধুৰী//৩৭
- ♦ ফুটপাথৰ পৰা মহাকাশলৈ/অনিচাষ্য শৰ্মা//৪২
- ♦ জীৱনৰ ব্যাধি/সুদৰ্শনা বৰুৱা//৪৫
- ♦ দৰিদ্ৰতা—আশীৰ্বাদ নে অভিশাপ?/পৰী কলিতা//৪৭
- ♦ জোনাকীৰ সমাধি/ড° ৰুলী বৰঠাকুৰ//৪৯
- ♦ আলহী/দীপজ্যোতি চহৰীয়া//৫১


### অনুভৱৰ একাযাৰ শিতান


- ♦ আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ ছাত্ৰী নিবাস ঃ এখন ঘৰ, সুকীয়া অনুভৱ/প্ৰদক্ষিণা কলিতা//৫২

## ভ্ৰমণ কাহিনী


- গুজৰাটলৈ গৈছিলো/ড° গণেশ চৌধুৰী//৫৩


## নীলা খামৰ চিঠি


- লিখনি ১/হিৰকজ্যোতি কলিতা//৬০
- লিখনি ২/শ্ৰুতিধাৰা চেতিয়া//৬১
- লিখনি ৩/সৌম্যদীপ বৈশ্য//৬২


## সমীক্ষাত্মক আলোচনা


- তুমি পঢ়া এখন উপন্যাসৰ সমীক্ষাত্মক সমালোচনা/বিতোপন ৰাজবংশী//৬৩


## কবিতা


- কৰ্তব্য/ধ্ৰুৱজোতি শৰ্মা//৬৫
- সাঁথৰ/গীতাৰ্থ কুমাৰ শৰ্মা//৬৫
- অ' মই ছোৱালী!/জ্যোতিস্মিতা শৰ্মা//৬৬
- তোমালোকৰ লগত কটোৱা সেই দিনবোৰ/উদয়ন চেতিয়া//৬৭
- শান্তি বিচাৰি এখোজ/নিশিতা শৰ্মা বশিষ্ঠ//৬৮
- মনত পৰেনে মোলৈ?/আশিক আহমেদ//৬৮
- শ্মশানৰ চিতাখন/অনুৰাধা ডেকা//৬৯
- যিদিনা তোমাৰ মোলৈ মনত পৰিব/এনিশা চৌধুৰী//৬৯
- অৱসাদৰ পুৰণি পৃষ্ঠাবোৰ/জয়ন্ত ঠাকুৰীয়া//৭০
- এটি নিষিদ্ধ কবিতা/বিভাস ভট্টাচাৰ্য//৭০
- জীৱনৰ সমিধান/চয়নিকা ডেকা//৭১
- তেজস্বিনী/সুদৰ্শনা বৰুৱা//৭১
- এখনি বগা চাদৰ/মৃণাল ঠাকুৰীয়া//৭২
- ব্ৰহ্মপুত্ৰ/কৌশিক বৰা//৭২
- আই, তই অনন্যা/বনস্মিতা কলিতা//৭৩
- ঠিকনা.../ড° পাপৰি দেৱী//৭৩
- জীৱন এটি অবুজ সাঁথৰ/প্ৰাণজীত বৰ্মন//৭৪
- বৰষুণ/নিবেদিতা দাস//৭৫
- অমানৱীয়/চান্দ মহম্মদ//৭৫

- ♦ যান্ত্ৰিকতা/বন্দিতা দাস//৭৬
- ♦ শৈশৱ/আগস্তিনা মহন্ত//৭৭
- ♦ অভিন্ন চিন্তাৰ দুটা ভিন্ন স্তৱক/অন্তৰাগ আবিৰ//৭৭
- ♦ হেঁপাহ/নেন্সি নাথ//৭৮
- ♦ প্ৰস্তৰপুৰুষ/ড° ৰঞ্জনজ্যোতি বেজবৰুৱা//৭৮
- ♦ জীৱাশ্ম/ড° অজয় দাস//৭৯
- ♦ আলিমূৰৰ আঁহতজোপা/ড° চঞ্চল বৰুৱা//৭৯


**চেৰেকীৰ পাক**


- ♦ (১)/ সুজিৎ বৰ্মন//৮০
- ♦ (২)/ পাৰ্থ প্ৰতীম শৰ্মা//৮০
- ♦ (৩) /ৰাখী বুঢ়াগোঁহাই//৮০


# *English Section*

**Article**


- ♦ Who Rules the World, US?/Santanu Konwar//৮৩
- ♦ Anticipated Experiences during our college life/Abhinab Kamal Bhuyan//৮৫
- ♦ Wet land Protection ! "A massive endeavor rather than a small issue"/Dr. Susanta Sarma//৮৬
- ♦ The Journey of a Sports Person/Deven Sharma//৮৮
- ♦ The New Normal/P.R. Augustina Mahanta//৮৯
- ♦ The Leadership Role of a Teacher//Dr. Saurabh Pran Sharma//৯০
- ♦ Alive/Nibedita Deka//৯২
- ♦ The Windows/Debashis Bharadwaj//৯৪
- ♦ The curse of the blue bracelet/Priyangshu Dey//৯৬
- ♦ Roshni's Rise : A Tale of Failure and Inspiration/Pallabi Baruah//৯৮
- ♦ Teacher's day/Sunanda Tiwari//৯৯
- ♦ Essence of you/Disha Mistry//৯৯

- Swami Vivekananda's vision on the task of Indian Youth for National Rejuvenation/ Somnath Sharma//১০০
- The menace of Child Labour/Dr. Mousumi Borah//১০৪
- Dwindling Deepor Beel (Ramsar site): An ecologically sensitive zone/Debashree Borah//১০


## Poems


- December/Pretti Dey//১০৮
- Unappreciated/Dikshita Deka//১০৮
- Memories/Tridishna Sarma//১০৯
- The eyes I see/Tazim Uddin//১০৯
- The Unvarnished Journey/Ishan Mazumder//১১০
- The Obscured Version of Pain!/Bhaswati Goswami//১১১
- Beginning Amoris/Shinu Ahmed//১১১
- The Universe inside the Campus/Jesmita Talukdar//১১২

- Department of Skill Development/Dr. Mousumi Borah//১১৩
- Voice of the Walls (2021-22)//১১৭
- From the Desk of the Secretaries of AVC Students' Union//১২৬
- Ex-editors of "Aryan"//১৩৬
- Results of Annual College Week 2022//১৩৭
- Students Achievement//১৪২

# অসমীয়া বিভাগ

প্ৰবন্ধ

# শংকৰদেৱৰ ধৰ্মীয় দৰ্শন আৰু আমাৰ সমাজ ব্যৱস্থা

ড° দিপালী নেওগ গোস্বামী
মুৰব্বী অধ্যাপিকা, ভূগোল বিভাগ
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

অসমত সৃষ্টি হোৱা সৰ্বোত্তম পুৰুষসকলৰ ভিতৰত শ্ৰীশ্ৰীশংকৰদেৱেই হ'ল আমাৰ জাতি নিৰ্মাতা, সমাজ নিৰ্মাতা, কৃষ্টি সংস্কৃতিৰ নিৰ্মাতা, সৰ্বকালৰ শ্ৰেষ্ঠপুৰুষ তথা মহাপুৰুষ বুলি গণ্য কৰা যায়। শংকৰ গুৰুৰ হাততেই অসমৰ ধৰ্মীয় জাতি গঠনৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। কিন্তু মহাপুৰুষ দুজনাই আমাৰ সমাজলৈ আগবঢ়াই যোৱা মহৎ অৱিহণাখিনিৰ সময়ৰ লগে লগে অৱক্ষয় হ'বলৈ আৰম্ভ কৰিছে।

শংকৰ-মাধৱৰ মহাপুৰুষীয়া পৰম্পৰাসমূহ এতিয়ালৈকে আমাৰ সমাজত প্ৰায় বৰ্তি আছে। কিন্তু আমাৰ সমাজ ব্যৱস্থাত নানা ধৰণৰ নতুন নতুন আদৰ্শ তথা ৰীতি-নীতিয়ে প্ৰৱেশ কৰিছে দিনে দিনে। সেয়ে হয়তু আমাৰ মহাপুৰুষীয়া



পৰম্পৰাক আমি ভৱিষ্যতৰ বুকুলৈ ঠেলি-হেঁচুকি কিমান দূৰ লৈ যাব পাৰিম সেইয়া এক চিন্তনীয় বিষয়। সামাজিক বিৱৰ্তনত, বিজ্ঞানভিত্তিক আমাৰ সমাজত সেই পৰম্পৰাই একো সহায় নকৰিবও পাৰে। বৰঞ্চ নতুন সমাজ গঢ়াৰ ক্ষেত্ৰত বাধাৰহে সৃষ্টি কৰিব পাৰে।

আনকি বৰ্তমান সময়তো গুৰুজনাৰ ভাৱাদৰ্শত বৰ্তি থকাসকলৰ মাজতেই নানা ধৰণৰ বিশৃংখলতাই দেখা দিছে। আমি সকলো এই ক্ষেত্ৰত কম-বেছি পৰিমাণে জগৰীয়া। নানান ধৰণৰ কেৰোণ সোমাই আমাৰ সামাজিক বাতাবৰণ বিনষ্ট কৰিছে। আনুষ্ঠানিক ধৰ্মতত্ত্ব বেমেজালিয়ে দেখা দিছে। ন-বিধ আনুষ্ঠানিক ধৰ্ম হ'ল—শ্ৰৱণ, কীৰ্ত্তন, স্মৰণ, দাস্য, সাখিত্ব, অৰ্চন, পাদসেৱন, বন্দন আৰু দেহা অৰ্পন। ইয়াৰ ভিতৰত শ্ৰৱণ আৰু কীৰ্ত্তনেই হৈছে শ্ৰেষ্ঠ মাৰ্গ। কিন্তু শ্ৰৱণ আকৌ শ্ৰেষ্ঠ হয়নে নহয়, সিও এক বিতৰ্কিত বিষয়। বহুতে ক'ব খোজে, মাইক বজাই যি অখণ্ড নাম-কীৰ্ত্তন কৰা হয়, সেয়া ধৰ্মৰ নামত বাহ্যিকতা মাত্ৰ। কাৰণ যিমানেই উচ্চস্বৰত কীৰ্ত্তন পাঠ নকৰক কিয়, পাতল মনৰ মানুহক এই পৰিদৃশ্যমান জগতখনে, ব্যক্তিগত অন্যান্য চিন্তাই মনক আক্ৰমণ কৰিবই। লগতে আমি এইধৰণেৰেও ক'ব পাৰো যে বৰ্তমান ব্যস্ততা ভৰা মানুহৰ জীৱনত যিমানজনে এইবিলাক ধৰ্মীয় শ্ৰৱণ কীৰ্ত্তনত মনোনিৱেশ কৰিব পাৰিব? ইয়াৰ লগতে আমাক কৰ্তব্যবোধে আৰু এটা কথা মনত পেলাই দিয়ে যে আমি বজোৱা মাইকৰ শব্দই অন্য কাৰোবাৰ কৰ্তব্যত ব্যাঘাত জন্মাব পাৰে নেকি?

আজিকালি বিভিন্ন পুথি অধ্যয়ন, টিভি, ৰেডিঅ', বাতৰি-

কাকত, ইণ্টাৰনেট আদিৰ মাধ্যমত মহান ব্যক্তিৰ বিষয়ে জনাতো অতি সহজ হৈ পৰিছে। ইয়াৰোপৰি জন্ম বা মৃত্যু দিনত অনুষ্ঠিত হোৱা বছৰেকীয়া বিভিন্ন অনুষ্ঠানসমূহে আমাক বিভিন্ন ব্যক্তিৰ বিষয়ে সোঁৱৰাই দিয়ে। শংকৰদেৱৰ নামতো তেখেতৰ অনুগামীসকলে সমগ্ৰ অসমজুৰি জন্মোৎসৱ তথা মৃত্যু তিথি পালন কৰি তেখেতক সোঁৱৰণ কৰে। সেই উদ্দেশ্যেৰেই গুৰুজনাৰ নামত অনুপ্ৰাণিত হোৱা অসমবাসীয়েও বছৰেকত এবাৰ 'শংকৰ সংঘ' নামেৰে এটা বৃহৎ অনুষ্ঠানৰ আয়োজন কৰে। চাৰি-পাঁচ দিনীয়াকৈ অনুষ্ঠিত হোৱা এই বৃহৎ অনুষ্ঠানত ভক্তবৈষ্ণৱসকলে নিজকে জনসমুদ্ৰত বিলীন কৰি দিয়ে। এইখিনিতে আমাৰ মনত প্ৰশ্নৰ উদয় হয়। আমাৰ মাজৰ পৰাই ধৰ্মোৎসৱৰ নামত দান-বৰঙণি তুলি চাৰি-পাঁচদিনকৈ সকলো ধৰণৰ ব্যক্তিগত কাম-কাজ বিসৰ্জন কৰি দি তাৰপৰা আঁতৰাৰ লগে লগেই পুনৰ ব্যক্তিগত খামখেয়ালি মনোভাৱ ল'লে আমি বাৰু গুৰুজনাৰ আদৰ্শ জীয়াই ৰাখিব পাৰিমনে? ইয়াৰোপৰি আন এটা প্ৰশ্নই আমাৰ মনত উকমুকাই থাকে সঘনে? শংকৰদেৱ কেৱল শংকৰ সংঘৰ লোকসকলৰ বাবেই নহয়। তেখেত আমাৰ সকলোৰে গুৰু। কাৰোবাৰ মন গৈছে শংকৰ সংঘৰ নিয়মাৱলী মানিছে। কাৰোবাৰ মন গৈছে পূৰ্বপুৰুষৰ পৰা চলি অহা বাবে বৈদিক প্ৰথা মানি আছে। কিন্তু আমাৰ সকলোৰে কৰ্তব্য হ'ল আমাৰ মাজৰ পৰা সংকীৰ্ণতা দূৰ কৰা।

আমাৰ গাঁও নগৰ সকলো সমাজতে দেখা দিয়া সামাজিক সমস্যাসমূহৰ মূলতে হ'ল আমাৰ মাজত থকা ব্যক্তিগত খামখেয়ালি। এই ধৰণৰ সমস্যাৰ বাবেই, মনোমালিন্যৰ বাবেই গাঁওবিলাকত কেইবাটাও খেল হৈছে। বেলেগ বেলেগ নামঘৰ হৈছে। অৰ্থাৎ ধৰ্মৰ নামত বিভাজন ঘটিছে। নগৰবিলাকত নামঘৰৰ প্ৰাৰ্দুভাৱ বহুক্ষেত্ৰত কমি আহিছে। বিভিন্ন দেৱ-দেৱতাৰ মন্দিৰবিলাক দিনকদিনে জাক-জমকীয়া হৈ গৈছে, বিপৰীত দিশত নামঘৰবিলাক কিছুমান সমাজ সচেতন ব্যক্তিৰ বাবেহে বৰ্তি আছে। যদি আমাৰ ভুল হৈছে ক্ষমা বিচাৰিছো।

ধৰ্মৰ সংকীৰ্ণতাই গাঁওবিলাকত দিনকদিনে মনোমালিন্য বেছিহে কৰি নিছে। আনুষ্ঠানিক শিক্ষা দিনকদিনে বৃদ্ধি হৈছে, কিন্তু আমাৰ মনবিলাক বেছি সংকীৰ্ণতাৰ ফালে সোমাই গৈছে। এঘৰত কিবা এটা অনুষ্ঠান পাতিলে বাৰীৰ ধাপৰ মানহঘৰ নাহে বা আহিব নোৱাৰে। আনকি এঘৰে আনঘৰৰ নামৰ বা পূজাৰ প্ৰসাদো গ্ৰহণ নকৰে। প্ৰসাদখিনি ৰাখিলেও পাছত পেলাই দিয়ে। কাৰণ এঘৰ বৈদিক প্ৰথা আনঘৰ শংকৰ সংঘৰ। ভগৱানৰ নামত অৰ্পিত প্ৰসাদো ইমান চুৰা বা অশুচি হয় যে এই প্ৰসাদ খালে নৰকলৈ যাব বা স্বৰ্গলৈ যাব। গুৰুজনাই আমি জনাত এই বিভেদবিলাকৰ বিষয়ে ক'তো বৰ্ণনা কৰা নাছিল। তেনেহ'লে আমিবিলাকে এই ধৰণৰ বিভেদবিলাক সৃষ্টি কৰাৰ অধিকাৰ ক'ত পালো?

শ্ৰাদ্ধ, উপনয়ন, বিবাহ আদিত বৈদিক পন্থা বা হোমযজ্ঞ সমাপন কৰা নকৰাক লৈ গুৰুজনাই ক'তো বাধা-নিষেধ কৰা নাছিল। তেনেহ'লে আমাৰ সমাজত এই ৰীতি-নীতিবিলাকক লৈ বৈষম্যৰ সৃষ্টি হৈছে কিয়? এনে ধৰণৰ বৈষম্যবিলাকৰ কাৰণেই আত্মীয় স্বজনৰ ঘৰত কিবা অনুষ্ঠান হ'লে আপোনজনে তাত উপস্থিত থাকিব নোৱাৰে। কাৰণ সমাজৰ ৰোষত পৰিব, এঘৰীয়া হ'ব।

আমাৰ সকলোৰে চিন্তাধাৰা সলনি কৰিবৰ হ'ল। দুদিনীয়া এই সংসাৰত ভেদাভেদৰ কিবা প্ৰয়োজন আছে জানো? বিয়াই হওঁক বা শ্ৰাদ্ধই হওঁক এজন ব্যক্তিৰ নামত কেৱল মাত্ৰ এবাৰহে অনুষ্ঠিত হ'ব। সেয়ে যুৱ-প্ৰজন্মৰ হাতত সমাজক এইবিলাক কেৰোণৰ পৰা মুক্ত কৰাৰ দায়িত্ব আহি পৰিছে। বৈদিক প্ৰথাৰ নাম নুশুনা পৰিয়ালৰ লোকো আজিকালি বাহিৰত থাকে। বাহিৰত থকা ব্যক্তিয়ে বোলে এটা নিৰ্দিষ্ট প্ৰথা মানি চলিব নোৱাৰে। সেইসকল লোক ঘৰত গ'লেতো ঘৰৰ মানুহে ঘৰত সোমাব নিদিয়াকৈ থাকিব নোৱাৰে।

আমি জনামতে গুৰুজনাৰ কীৰ্ত্তন ভাগৱততে মূৰ্ত্তি পূজাৰ উল্লেখ আছে। আনকি বিষ্ণু পূজাৰ উপৰিও কলিযুগত যুগমায়াই দুৰ্গা-কালীৰ বলিপূজা খাই থাকিবলৈ ভগৱানেই অনুমতি দিয়াৰ কথাও ভাগৱতৰ দশমস্কন্ধৰ শ্ৰীকৃষ্ণৰ জন্মবৃত্তান্তত গুৰুজনাই নিজেই ৰচনা কৰিছে। সামাজিক প্ৰথা আমি আমাৰ ইচ্ছামতে কৰিব পাৰো। ইয়াকে কৈ মতানৈক্য বা বিভেদৰ সৃষ্টি হ'ব নালাগে। এই ধৰণৰ বিভেদৰ বাবেই আমাৰ অসমীয়া সমাজৰ বান্ধোন খুলি আমাৰ সমাজ বিভিন্ন শাখা-প্ৰশাখাত বিভক্ত হৈ গৈ আছে। গুৰুজনাই পাতি যোৱা অসমীয়া সমাজৰ ভেঁটি দুৰ্বল হৈ গৈ আছে। আহক আমি সকলো লগ লাগি আমাৰ সমাজখনৰ ভেঁটি মজবুত কৰোঁ।

(এই লেখাটো ১৯৯৯ মানৰ। কিছুমাত্ৰ সংযোজন-বিয়োজন কৰা হৈছে ঃ লেখক)

❖❖❖

# বীজৰ পৰা বটবৃক্ষলৈ, স্বপ্নৰ পৰা স্বায়ত্বশাসনলৈ—আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

বিতোপন ৰাজবংশী
স্নাতক তৃতীয় ষাণ্মাসিক
ইতিহাস বিভাগ
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

আৰম্ভণিৰ ইতিহাস ঃ শামুকৰ পেটত মাণিক ওপজে। এক আঠু বোকাতো পদুম ফুলি সৌৰভ বিলায়। এনেহেন অলেখ সাহ আৰু প্ৰতিশ্ৰুতিৰ বাণীয়ে দিশহাৰাক বাট বিচাৰি দিব পাৰে। পানীত পৰা মানুহৰ খেৰ এডালো জীউ ৰক্ষাৰ সাৰথি হোৱাৰ দৰে, সময় বাঢ়িলেও অথবা প্ৰজন্মৰ পাছত প্ৰজন্ম আহিলেও মানুহে আজিও পোহৰেই ভাল পায়। ধুমুহাই কাৰোবাক তচনচ কৰিলেও আমি ক'ব পাৰোঁ, "ধুমুহাৰ পাছত আকাশ মুকলি হয়, সকলো ভাল হ'ব।" প্ৰাৰ্থনা কৰোঁ, তমসো মা জ্যোতিৰ্গময়—ঈশ্বৰ, মোক আন্ধাৰৰ পৰা পোহৰলৈ নিয়া। আৰ্য্য বিদ্যাপীঠৰ মূলমন্ত্ৰও সেয়া। অজ্ঞানতাৰ ওৰণি আঁতৰাই, এয়া পোহৰপিয়াসী মানুহৰ আকাশমুখী যাত্ৰা।

তাহানিৰ চেৰাবভাটিও যেন ডুব খাই আছিল একেই আন্ধাৰৰ বন্ধ চক্ৰবেহুত। মানুহে চেৰাবভাটিৰ নাম শুনিলেই নাক কোচায়। কেউদিশে পিতনি লেতেৰা বোকা-পানীৰে গোটেই অঞ্চলটোই তল পৰি থাকে। আনকি ৰাস্তা ঘাট, বিজুলী বাতি, খোৱা পানী আদি একোৰেই ব্যৱস্থা নাই। পাচে এনেহেন পুতিগন্ধময় ঠাইতো জ্ঞানৰ উজ্জ্বল পোহৰেৰে জেউতি বিলোৱাৰ সপোন দেখিছিল এজন আত্মত্যাগী আদৰ্শ পুৰুষে—নাম তেখেতৰ গিৰিধৰ শৰ্মা। আৰ্য্যপিতা বিশেষণ যাৰ নামৰ আগত লাগে, তেৰেই সেই পোহৰ প্ৰয়াসী পণ্ডিত প্ৰবৰ। ১৯৫১ চনত এই পিছপৰা অঞ্চলটোৰ উন্নয়নৰ হকে কালিৰাম মেধি, মহেন্দ্ৰ মোহন চৌধুৰী আদি আন বহুকেইজন ব্যক্তিৰ লগ লাগি গিৰিধৰ শৰ্মাদেৱে 'ৰিহাবাৰী উন্নয়ন সমিতি' গঠন কৰিছিল। এই সমিতিৰ প্ৰচেষ্টাতেই "আৰ্য্য পাঠশালা"ৰ শুভাৰম্ভণি ঘটোৱা হয়, যি পাচলৈ ১৯৫৮ চনৰ ১৮ এপ্ৰিলত আৰ্য্য বিদ্যাপীঠ উচ্চতৰ মাধ্যমিক বিদ্যালয় হিচাপে আত্মপ্ৰকাশ কৰে। একেই বছৰৰ ২৯ জুলাইত প্ৰতিষ্ঠা কৰা হয় গিৰিধৰ শৰ্মাদেৱৰ অতি হেঁপাহৰ, দুৰন্ত সপোনৰ আজিৰ আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ। ১৭ আগষ্টৰ পৰা দিবা শাখাত ২৫ জন আৰু নৈশ শাখাত ৯৫ জন ছাত্ৰক লৈ শ্ৰেণীসমূহ আৰম্ভ কৰা হয়। ১৯৬০-৬১ চনত আৰ্য্য বিদ্যাপীঠে মহাবিদ্যালয় হিচাপে পূৰ্ণাংগ ৰূপ লাভ কৰে।

গিৰিধৰ শৰ্মাই তাহানিতে ৰোপণ কৰা আৰ্য্য বিদ্যাপীঠৰ বীজটোৱে আজি ঠালে-ঠেধুলিয়ে প্ৰকাণ্ড বটবৃক্ষ এজোপা হৈ বিদ্যাৰ সৌৰভ বিলাইছে। কিন্তু, এনে কিছুমান ব্যক্তিৰ বিষয়ে সততে আলোচনা কৰা নহয়, যাৰ মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠাত গুৰুত্বপূৰ্ণ অৱদান আছিল। সেইসকলৰ ভিতৰত ভুনু দুছাদ নামৰ এজন বিহাৰী সম্প্ৰদায়ৰ লোক যি মহাবিদ্যালয়ৰ স্থাপনৰ

বাবে ভূমিদান কৰিছিল, তুলসী গোৱালিনী নামৰ এজনী গাখীৰ বেচা তিৰোতা যিয়ে নিজৰ সাঁচতীয়া ধন মহাবিদ্যালয়ৰ হকে দান দিছিল, ফাগু কুৰ্ম্মী নামৰ এজন সময়নিষ্ঠ আৰু বিশ্বস্ত লোক-যিয়ে মৃত্যুপৰ্যন্ত মহাবিদ্যালয়ৰ চকীদাৰৰূপে সেৱা আগবঢ়াই গৈছিল—আদি বহুলোক যেন আমাৰ অলক্ষিতে ক'ৰবাত হেৰাই গৈছে।

এনেকৈয়ে পণ্ডিত গিৰিধৰ শৰ্মাদেৱে ৰোপণ কৰা বটবৃক্ষৰ বীজটোৱে এদিন আশা আৰু সম্ভাৱনাৰ কলি এটা হৈ গাজ মেলিছিল অজ্ঞান আন্ধাৰে আৱৰা বসুন্ধৰাৰ বুকুত। আহকচোন, এই বটবৃক্ষৰ ঠাল-ঠেঙুলিবোৰৰ ইতিহাসলৈ এবাৰ চকু ফুৰাই চাওঁ!

মহাবিদ্যালয়ৰ মুখপত্ৰখনৰ ইতিহাস ঃ প্ৰত্যেক অনুষ্ঠান-প্ৰতিষ্ঠানৰে একোখনকৈ মুখপত্ৰ থাকে, যিয়ে সেই অনুষ্ঠানটোৰ সমগ্ৰ সত্তাটোক প্ৰতিফলিত কৰে। আমাৰ মহাবিদ্যালয়ো এইক্ষেত্ৰত পৃথক নহয়। আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰখনৰ নাম হ'ল 'এৰিয়ান'। আৰম্ভণিতে আৰ্য্য বিদ্যাপীঠ উচ্চতৰ মাধ্যমিক আৰু আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ে যুটীয়াভাৱে মুখপত্ৰখনি প্ৰকাশ কৰিছিল। ১৯৫৯ চনত The Arya Vidyapeeth Magazine নামেৰে প্ৰথমখন মুখপত্ৰ প্ৰকাশ পায় আৰু ইয়াৰ সম্পাদক আছিল প্ৰমোদ পাটোৱাৰী। ইংৰাজী আৰু অসমীয়াত সৰ্বমুঠ ত্ৰিশটা ৰচনা এই আলোচনীত প্ৰকাশ পাইছিল। ১৯৬০ চনৰ দ্বিতীয়খন মুখপত্ৰও দুয়োটা অনুষ্ঠানে যুটীয়াভাৱে প্ৰকাশ কৰে। ১৯৬১ চনৰ পৰা বিদ্যালয় আৰু মহাবিদ্যালয়ৰ আলোচনীয়ে সুকীয়া ৰূপত আত্মপ্ৰকাশ কৰে। স্কুলৰ আলোচনীখনৰ নাম আৰ্য্যবাণী আৰু মহাবিদ্যালয়ৰ আলোচনীখনৰ নাম দিয়া হয় এৰিয়ান। সুৰেন্দ্ৰ নাথ কলিতা আছিল এৰিয়ানৰ প্ৰথম গৰাকী সম্পাদক। মহাবিদ্যালয়ৰ মুখপত্ৰ এৰিয়ানে গুৱাহাটী বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱত যোগদান কৰি শ্ৰেষ্ঠ মুখপত্ৰ হিচাপে সোণৰ পদক লাভ কৰিবলৈ সক্ষম হয়।

মহাবিদ্যালয়ৰ মুখপত্ৰৰ দ্বিতীয়গৰাকী সম্পাদক নবীন চন্দ্ৰ শৰ্মা অসমীয়া সাহিত্যৰ এজন বিখ্যাত গৱেষক, পণ্ডিত, প্ৰৱন্ধকাৰ তথা সমালোচকৰূপে জনাজাত। আন এগৰাকী সম্পাদক প্ৰণয় বৰদলৈ বৰ্তমান অসমৰ সংবাদ জগতৰ এটা পৰিচিত নাম। বিখ্যাত কবি সৌৰভ শইকীয়াৰ কেইবাটাও মন চুই যোৱা কবিতাই এৰিয়ানৰ পৃষ্ঠা শুৱনি কৰিছে। ইয়াৰোপৰি জ্ঞানপীঠ বঁটা বিজয়ী, আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক নীলমণি ফুকন, বিশিষ্ট লেখক-বুদ্ধিজীৱি ড° হীৰেণ গোঁহাই আদি বহু বৰেণ্য ব্যক্তিৰ লেখাৰে এৰিয়ানক সমৃদ্ধ কৰি তুলিছে।

পুথিভঁৰালৰ ইতিহাস ঃ মুখপত্ৰৰ লেখীয়াকৈ আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয় আৰু আৰ্য্য বিদ্যাপীঠ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পুথিভঁৰাল আৰম্ভণিতে একেটাই আছিল। ১৯৬২ চনতহে দুয়োটা অনুষ্ঠানৰে সুকীয়া সুকীয়া পুথিভঁৰাল নিৰ্মাণ কৰা হয়। জনা যায় যে, ১৯৫৯ চনত ৰিহাবাৰী, পল্টনবজাৰ, উলুবাৰী আদি অঞ্চলৰ কেইজনমান ভদ্ৰলোকে দান কৰা কিছু সংখ্যক গ্ৰন্থৰে এই পুথিভঁৰালৰ জন্ম হৈছিল। প্ৰাৰম্ভিক অৱস্থাত কিতাপৰ সংখ্যা আছিল ৪৪০ খন আৰু আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয় পুথিভঁৰালৰ প্ৰথমগৰাকী তত্ত্বাৱধায়ক আছিল অজিত চন্দ্ৰ তালুকদাৰ। মেজৰ পাঠ্যক্ৰম আৰম্ভ হোৱাৰ লগে লগে প্ৰত্যেকটো বিষয়ৰ বিভাগটো একোটাকৈ পুথিভঁৰালৰ ব্যৱস্থা কৰা হয়। ২০০৫ চনৰ পৰা পুথিভঁৰালৰ কিতাপ ইচ্ছু কৰাৰ পৰা আৰম্ভ কৰি সকলো কাম-কাজ কম্পিউটাৰৰ মাধ্যমেৰে পৰিচালনা কৰাৰ ব্যৱস্থা আৰম্ভ কৰা হয়।

বৰ্তমান মহাবিদ্যালয়ৰ পুথিভঁৰালত প্ৰায় ৫৫,০০০ কিতাপ আছে। কলা-বিজ্ঞান আৰু বাণিজ্য—তিনিওটা শাখাৰ বাবে প্ৰয়োজনীয় পাঠ্যপুথি, প্ৰসংগ পুথি, সাহিত্য-সমালোচনামূলক গ্ৰন্থ, তথ্যভিত্তিক পুথি, ৰচনাৱলী, বিশ্বকোষ আদি সম্প্ৰতি পুথিভঁৰালত উপলব্ধ। তদুপৰি ছাত্ৰ-ছাত্ৰী তথা পঢ়ুৱৈসকলৰ সুবিধাৰ্থে দৈনিক বাতৰি-কাকত, মাহেকীয়া আলোচনী, প্ৰতিযোগিতামূলক পৰীক্ষাৰ সহায়িকা, ফটোষ্টেট সুবিধা আদি অনেক ৰকমৰ সুবিধা মহাবিদ্যালয়ৰ পুথিভঁৰালত উপলব্ধ।

ছাত্ৰাৱাস-ছাত্ৰীনিৱাসৰ ইতিহাস ঃ ১৯৬২ চনত আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ ছাত্ৰাৱাসৰ প্ৰতিষ্ঠা কৰা হৈছিল। ছাত্ৰাৱাসৰ প্ৰথম অধীক্ষক আছিল ৰাজনীতি বিজ্ঞান বিভাগৰ প্ৰৱক্তা বেৰ হাজৰিকা। প্ৰতিষ্ঠা কালৰে পৰা হোষ্টেলৰ ছাত্ৰসকলে প্ৰতিবছৰে 'শ্বাসত' শীৰ্ষক এখন ছপা আলোচনী, 'অন্বেষা' শীৰ্ষক এখন হাতে লিখা আলোচনী আৰু 'স্ফুলিংগ' শীৰ্ষৰ প্ৰাচীৰ পত্ৰিকা প্ৰকাশ কৰি আহিছিল। বৰ্তমান তেওঁলোকে 'প্ৰত্যাহ্বান' শীৰ্ষক এখনি নতুন প্ৰাচীৰ পত্ৰিকা

আৰু 'স্ফুলিংগ' শীৰ্ষক হাতে লিখা আলোচনী প্ৰকাশ কৰিবলৈ লৈছে। তথ্য মতে, অসমৰ লগতে ভাৰতৰ বিভিন্ন ৰাজ্যৰ ১৪৫ জনকৈ ছাত্ৰই এসময়ত বসবাস কৰা হোষ্টেলত বৰ্তমান ৯০ গৰাকী আৱাসী আছে। ছাত্ৰসকলৰ সুবিধাৰ্থে ছাত্ৰাৱাসত টেলিভিছন, খেলা-ধূলাৰ সামগ্ৰী, বাতৰি-কাকত, চকী-মেজ, নৈত্য ব্যৱহৃত পানীৰ সুন্দৰ ব্যৱস্থা আছে।

আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী বৰ্ষত বিশ্ববিদ্যালয় অনুদান আয়োগৰ সাহাৰ্য্যত মহাবিদ্যালয়ৰ ছাত্ৰীনিৱাসৰ নিৰ্মাণ কৰা হৈছিল। ১৯৮৪ চনৰ ১২ ডিচেম্বৰত তদানীনন্তন অধ্যক্ষ ড° অমৃক সিঙে এই ছাত্ৰীনিৱাস উদ্বোধন কৰে। প্ৰথম বৰ্ষত ১৭ গৰাকী ছাত্ৰী আৰু ৭ জন কৰ্মচাৰীৰে ছাত্ৰীনিৱাসৰ শুভাৰম্ভণি কৰা হয়। অঞ্জলী ভট্টাচাৰ্য্য আছিল হোষ্টেলৰ প্ৰথমগৰাকী অধীক্ষিকা। প্ৰথমকেইবছৰমান বিজুলী সংযোগ নথকাত আৱাসীসকলে হাৰিকেন লেম্পৰ পোহৰতে পঢ়া-শুনা কৰিছিল যদিও ১৯৮৭ চনত বিজুলী সংযোগ কৰা হয়। ছাত্ৰীসকলে ১৯৯৮ চনৰ পৰা "যাত্ৰিক" নামৰ এখন হাতে লিখা আলোচনী আৰু "সৃজনী" নামৰ এখন প্ৰাচীৰ পত্ৰিকা প্ৰতিবছৰে প্ৰকাশ কৰি আহিছে। বৰ্তমান সৰ্বমুঠ ৭১ জনী ছাত্ৰীয়ে বাস কৰা হোষ্টেলটোত তেওঁলোকৰ সুবিধাৰ্থে ৰেফ্ৰিজেৰেটৰ, দৈনিক বাতৰি কাকত, আন্তঃক্ৰীড়াৰ সামগ্ৰী থকাৰ লগতে বৌদ্ধিক বিকাশৰ বাবে পুথিভঁৰালৰো ব্যৱস্থা আছে। এটা সময়ত বিলৰ কেউদিশে পানীৰ মাজত থকা তৰ্জাৰ বেৰে আগুৰা অসম আৰ্হিৰ ছাত্ৰীনিৱাসে বৰ্তমান ভালেখিনি সা-সুবিধা আৰু উন্নয়ন দেখিছে যদিও ছাত্ৰীসকলে নিৰাপত্তাৰ অৰ্থে নিৱাসৰ চৌপাশে পকীবেৰ দিবলৈ কৰ্তৃপক্ষক অনুৰোধ জনাইছে।

বিভাগসমূহৰ ইতিহাস ঃ আৰম্ভণিৰ বছৰটোত, অৰ্থাৎ ১৯৬১ চনত ইংৰাজী, অসমীয়া, বাংলা আৰু অৰ্থনীতি— এই চাৰিটা বিষয়ত মেজৰ পাঠ্যক্ৰম প্ৰৱৰ্তন কৰা হৈছিল। ইয়াৰ পিছত ১৯৬৩ চনত গণিত আৰু ৰসায়ন বিজ্ঞান, ১৯৬৪ চনত বুৰঞ্জী, সংস্কৃত, ৰাজনীতি বিজ্ঞান, উদ্ভিদ বিজ্ঞান, প্ৰাণী বিজ্ঞান, পদাৰ্থ বিজ্ঞান আদি বিষয়ত মেজৰ পাঠ্যক্ৰম অন্তৰ্ভুক্ত হয়। বাকী বিষয়সমূহ পাছলৈ পৰ্যায়ক্ৰমে মহাবিদ্যালয়ৰ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰি বিভাগসমূহ সূচনা কৰা হয়। ১৯৭১ চনত গণিত বিভাগত আৰু শেহতীয়াকৈ ২০১৫ চনত ৰসায়ন বিজ্ঞান বিভাগত স্নাতকোত্তৰ শ্ৰেণীৰো পাঠদান আৰম্ভণি ঘটে। বাণিজ্য বিভাগৰো আৰম্ভণি ২০১৫ চনতেই কৰা হয়। পণ্ডিত গিৰিধৰ শৰ্মাদেৱৰ প্ৰতিটো বিষয়তে স্নাতকোত্তৰ ডিগ্ৰী শাখা খোলাৰ এটা সপোন আছিল যদিও আজিলৈ সেয়া সম্ভৱপৰ হৈ উঠা নাই। সম্প্ৰতি আমাৰ মহাবিদ্যালয়ত ১৯ টা বিষয়ৰ মেজৰ বিভাগ আছে। ইয়াৰোপৰি কম্পিউটাৰ, মানৱ অধিকাৰ, বায়'ইনফৰমেটিকচ ইত্যাদি বিভিন্ন বিষয়ৰ ডিপ্ল'মা আৰু চাৰ্টিফিকেট কৰ্ছৰ ব্যৱস্থা আছে। ২০১৬ চনত আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ে নাকৰ A গ্ৰেড লাভ কৰি বৌদ্ধিক আৰু শৈক্ষিক সমাজৰ প্ৰশংসা বোটলে।

ইতিহাসত জিলিকি থকা মহাবিদ্যালয়ৰ কেইগৰাকীমান বিশেষ ব্যক্তি ঃ

ক) নীলমণি ফুকন ঃ অসমীয়া সাহিত্য জগতৰ উজ্জ্বল ভোটাতৰা, বিখ্যাত কবি নীলমণি ফুকন আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ এগৰাকী প্ৰাক্তন অধ্যাপক আছিল। কেইবাখনো কবিতাপুথি, অনুবাদ-গ্ৰন্থ, সমালোচনা গ্ৰন্থ লিখি উলিওৱা ফুকনদেৱে সাহিত্য অকাডেমী, পদ্মশ্ৰী আদি বঁটাৰে বিভূষিত হোৱাৰ উপৰি ২০২২ চনত ভাৰতীয় সাহিত্যৰ সৰ্বশ্ৰেষ্ঠ সন্মান জ্ঞানপীঠ বঁটা লাভ কৰে।

খ) নলিনীধৰ ভট্টাচাৰ্য্য ঃ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাক্তন অধ্যাপক তথা মানৱ দৰদী কবি ভট্টাচাৰ্য্য ডাঙৰীয়াই বাঁহী আলোচনীৰ পাততে আত্মপ্ৰকাশ কৰি জয়ন্তী, পচোৱা, ৰামধেনু আদি আলোচনীৰ পাততো নিজৰ ৰচনাৰাজি প্ৰকাশ কৰে। তেখেতেও সাহিত্য অকাডেমী আৰু অসম উপত্যকা সাহিত্য বঁটাৰে সন্মানিত হৈছিল।

গ) ড° লীল বাহাদুৰ ছেত্ৰী ঃ নেপালী সাহিত্য জগতৰ এক গৌৰৱোজ্জল নাম লীল বাহাদুৰ ছেত্ৰীদেৱ আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা কালৰ পৰাই জড়িত হোৱাৰ লগতে এগৰাকী অধ্যাপক হিচাপেও নিযুক্ত আছিল। ১৯৮৭ চনত সাহিত্য অকাডেমী লাভ কৰা ছেত্ৰীদেৱ একেধাৰে এজন কবি, ঔপন্যাসিক, নাট্যকাৰ আৰু অনুবাদক হিচাপে সমাদৃত। তেখেতৰ উপন্যাস 'বছাই'ৰ কাহিনীৰ আধাৰত নিৰ্মিত নেপালী ছবিখনে অস্কাৰৰ বাবেও মনোনয়ন লাভ কৰিছিল।

ঘ) ড° নবীন চন্দ্ৰ শৰ্মা ঃ লোক সংস্কৃতিৰ প্ৰখ্যাত গৱেষক পণ্ডিত শৰ্মাদেৱে আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ পৰা অসমীয়া বিষয়ত প্ৰথম শ্ৰেণীৰ প্ৰথম হৈ উত্তীৰ্ণ হৈছিল। তেখেতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ লোকসংস্কৃতি বিভাগৰ মুৰব্বী অধ্যাপকৰূপে নিযুক্ত হয়। অসমীয়া ভাষা বিষয়ক, সংস্কৃতি

বিষয়ক, গল্প, উপন্যাস ইত্যাদি বিভিন্ন বিষয়ৰ এশৰো অধিক গ্ৰন্থ তেখেতে লিখি আৰু সম্পাদনা কৰি উলিয়ায়।

ঙ) মহাদেৱ ডেকা ঃ আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ত উচ্চতৰ মাধ্যমিকৰ শিক্ষা গ্ৰহণ কৰা মহাদেৱ ডেকা হ'ল আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ এজন বিখ্যাত শৰীৰচৰ্চাবিদ। ২০০৯ চনত তেওঁ মিষ্টাৰ ইউনিভাৰ্চ খিতাপ দখল কৰি মহাবিদ্যালয়ৰ লগতে সমগ্ৰ দেশলৈ গৌৰৱ কঢ়িয়াই আনে। সম্প্ৰতি তেখেতে শৰীৰচৰ্চাৰ যোগেদি মানুহক শাৰীৰিক আৰু মানসিকভাৱে সুস্থ কৰি ৰখাৰ অনুশীলন অব্যাহত ৰাখিছে।

চ) ৰবি শৰ্মা ঃ অসমীয়া চলচ্চিত্ৰ আৰু মনোৰঞ্জন জগতৰ সুদক্ষ অভিনেতা ৰবি শৰ্মাইয়ো আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ত শিক্ষা গ্ৰহণ কৰিছিল। জনপ্ৰিয় অসমীয়া চলচ্চিত্ৰ হিয়া দিয়া নিয়া, নায়ক, বাৰুদ আদিত অভিনয় কৰাৰ উপৰি ভ্ৰাম্যমান থিয়েটাৰতো শক্তিশালী অভিনয়েৰে দৰ্শক তথা ৰাইজৰ মৰম বোটলিবলৈ তেখেত সক্ষম হৈছে।

ছ) যমুনা বড়ো ঃ ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ এজন খ্যাতিসম্পন্ন বক্সাৰ যমুনা বড়োই আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ত শিক্ষা গ্ৰহণ কৰিছিল। ইয়াৰোপৰি ৰাষ্ট্ৰীয় বক্সিং টুৰ্ণামেণ্টকে ধৰি আন ভালেকেইখন আন্তৰ্জাতিক খেলত ভাৰতক প্ৰতিনিধিত্ব কৰি নিজৰ শ্ৰেষ্ঠ প্ৰদৰ্শনৰ জৰিয়তে প্ৰশংসা বোটলিছে।

জ) পীযুজ হাজৰিকা ঃ সম্প্ৰতি অসম চৰকাৰৰ এজন সুদক্ষ মন্ত্ৰী পীযুজ হাজৰিকা আছিল আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ এজন প্ৰাক্তন ছাত্ৰ। তেওঁ একাধিকবাৰ অসম বিধানসভাৰ মজিয়ালৈ নিৰ্বাচিত হোৱাৰ উপৰি এগৰাকী সফল বিধায়ক তথা মন্ত্ৰী হিচাপে ৰাইজৰ সেৱা আগবঢ়াই আহিছে।

স্বায়ত্বশাসন লাভ ঃ প্ৰতিষ্ঠাৰ সময়ৰে পৰাই আমাৰ মহাবিদ্যালয়খনি গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত আছিল। ২০২২ চনত বিশ্ববিদ্যালয় অনুদান আয়োগে মহাবিদ্যালয়ৰ শৈক্ষিক, সাংস্কৃতিক অগ্ৰগতি, আন্তঃগাঁঠনিমূলক ইত্যাদি সকলো দিশ সুক্ষ্মভাৱে পৰীক্ষণ কৰে আৰু অৱশেষত ২৬ মে'ত আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ক এক স্বায়ত্বশাসিত মহাবিদ্যালয় হিচাপে ঘোষণা কৰে। এই স্বীকৃতি আমাৰ বাবে এক বৃহৎ প্ৰাপ্তি। আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ জন্মলগ্নৰে পৰা জড়িত হৈ থকা সকলো শুভাকাংক্ষী, শিক্ষক-কৰ্মচাৰী তথা ছাত্ৰ সমাজৰ বাবে এয়া এক আনন্দৰ খবৰ। মহাবিদ্যালয়ৰ এনে সাফল্যত বৌদ্ধিক মহলে সন্তোষ লাভ কৰা পৰিলক্ষিত হৈছে।

অনুভৱৰ একাষাৰ ঃ আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয় এখন জ্ঞানৰ মৌচাকৰ দৰে। মহাবিদ্যালয়ৰ শিক্ষক আৰু শুভাকাংক্ষী সমাজৰ অশেষ যত্ন আৰু আত্মত্যাগৰ বলতহে এই আটকধুনীয়া মৌচাকখন সম্ভৱপৰ হৈ উঠিছে। নানা কষ্ট আৰু প্ৰত্যাহ্বানৰ মাজেৰে আহি আহি গিৰিধৰ শৰ্মাৰ সেই সপোনৰ আৰ্য্য বিদ্যাপীঠে আজি এক প্ৰাণৱন্ত ৰূপ লাভ কৰিছেহি। অসমীয়া মহাজাতিৰ শৈক্ষিক, বৌদ্ধিক, সাংস্কৃতিক, নৈতিক উত্তৰণত ই ভালেখিনি বৰঙণি আগবঢ়াইছে। কেৱল আন্তঃগাঁঠনিৰ ফালৰ পৰাই নহয়, শিক্ষাৰ মানদণ্ডৰ ফালৰ পৰাও আৰ্য্য বিদ্যাপীঠ বৰ্তমান উত্তৰ পূৰ্বাঞ্চলৰ এখন অন্যতম শ্ৰেষ্ঠ মহাবিদ্যালয়। ইতিমধ্যেই সোণালী জয়ন্তীৰ বাট পাৰ হৈ অহা আমাৰ প্ৰাণৰ মহাবিদ্যালয়খনে চিৰদিন এনেদৰেই শৈক্ষিক আৰু বৌদ্ধিক উন্নয়নৰ ভোটাতৰা হৈ জিলিকি থাকক—সেয়াই আমাৰ কামনা। গিৰিধৰ শৰ্মাদেৱে ৰোপণ কৰি থৈ যোৱা আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয় নামৰ বটবৃক্ষডালে সদায় জ্ঞানৰ অম্লজানেৰে আমাক জীয়াই আৰু জিলিকাই ৰাখক—সেয়াই আমাৰ প্ৰাৰ্থনা।

জ্ঞান প্ৰদীপৰ শিখাত কঁপিছে  
মহাসাধনাৰ গীত,  
প্ৰজ্ঞা, ধৃতিৰ ভেঁটিত জিলিকে  
আৰ্য্য বিদ্যাপীঠ।

❖❖❖

**প্ৰসংগ পুথি ঃ**

ক) আৰ্য্য বিদ্যাপীঠৰ ইতিহাসে ৰিঙিয়াই মাতে (মহাবিদ্যালয়ৰ সোণালী জয়ন্তী উদ্‌যাপন সমিতিৰ দ্বাৰা প্ৰকাশিত সম্পাদকমণ্ডলী ঃ ড° অৰ্চনা পূজাৰী, চম্পা পাটগিৰি, ড° গীতাঞ্জলি হাজৰিকা, প্ৰণীতা বৰ্মন)।

খ) প্ৰজ্ঞায়ন (প্ৰথম আৰ্য্য গ্ৰন্থমেলাৰ মুখপত্ৰিকা — সম্পাদিকাদ্বয় ক্ৰমে ড° প্ৰণীতা বৰ্মন আৰু ড° মধুলিকা সিং)

গ) জ্যোতিৰ্গময় ঃ (হীৰক জয়ন্তীৰ স্মৃতিগ্ৰন্থ — সম্পাদক বিৰিঞ্চি কুমাৰ পেগু)

ঘ) কুশণ্ডিকা ঃ (সোণালী জয়ন্তীৰ স্মৰণিকা—সম্পাদক বেদব্ৰত মিশ্ৰ)

# হোমেন বৰগোহাঁঞিৰ সাহিত্যত মানৱতাবোধ



ছাজিছ আলম
স্নাতক প্ৰথম ষাণ্মাসিক
প্ৰাণীবিজ্ঞান বিভাগ
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

হোমেন বৰগোহাঁঞি এটা নাম নহয়, ই এটা অনুষ্ঠান। সাহিত্যিকৰ নামত যদি অসমীয়া সাহিত্যৰ যুগ বিভাজন হয় তেন্তে নিশ্চয় হোমেন বৰগোহাঁঞিৰ নামত এটা অন্যতম যুগ হ'ব। কলমৰ জৰিয়তে এখন সু-শৃংখলিত সমাজ নিৰ্মাণ কৰিব বিচৰা হোমেন বৰগোহাঁঞি আছিল একেধাৰে কবি, লেখক, ঔপন্যাসিক, গল্পকাৰ, প্ৰৱন্ধকাৰ, সমালোচক তথা সাংবাদিক। হোমেন বৰগোহাঁঞিয়ে তেখেতৰ অমূল্য অৱদানেৰে অসমীয়া সাহিত্যক চহকী কৰি থৈ গৈছে। এক কথাত ক'বলৈ গ'লে বৰ্তমান অসমীয়া সাহিত্য জগতৰ তেওঁ শ্ৰেষ্ঠতম সাহিত্যিক।

১৯৩২ চনৰ ৭ ডিচেম্বৰত অসম অবিভক্ত লখিমপুৰ জিলাৰ ঢকুৱাখানাত এটা আহোম পৰিয়ালত হোমেন বৰগোহাঁঞিৰ জন্ম হয়। তেওঁৰ পিতৃৰ নাম আছিল ইন্দ্ৰধৰ বৰগোহাঁঞি আৰু মাতৃৰ নাম আছিল আইতা বৰগোহাঁঞি। ডিব্ৰুগড় চৰকাৰী উচ্চতম মাধ্যমিক বালক বিদ্যালয়ৰ পৰা ১৯৫০ চনত তেওঁ মেট্ৰিক পাছ কৰি কটন কলেজত ভৰ্তি হৈ ১৯৫২ চনত কটন কলেজৰ পৰা আই.এছ.ছি. পৰীক্ষাত উত্তীৰ্ণ হয় আৰু ১৯৫৪ চনত ইংৰাজী বিষয়ত অনাৰ্ছসহ স্নাতক ডিগ্ৰী লাভ কৰে। হোমেন বৰগোহাঁঞিয়ে তেখেতৰ আত্মজীৱনীত নিজৰ ইচ্ছাৰ বিৰুদ্ধে বিজ্ঞানৰ শ্ৰেণীত ভৰ্তি হোৱা বুলি উল্লেখ কৰিছে। তেখেতে কৈছে, "নিজৰ ইচ্ছাৰ বিৰুদ্ধে মই বিজ্ঞানৰ শ্ৰেণীত ভৰ্তি হৈছিলো। তাৰো কাৰণ আছিল একেটাই— জেদ।" কলেজীয়া শিক্ষা গ্ৰহণ কৰাৰ আগতে অৱতীৰ্ণ হোৱা প্ৰৱেশিকা পৰীক্ষাত তেখেতৰ ফলাফল আশানুৰূপ হোৱা নাছিল। তেখেতে প্ৰথম বিভাগতহে উত্তীৰ্ণ হৈছিল। পৰীক্ষাৰ ফলাফল ঘোষণা হোৱাৰ দিনা সংস্কৃত শিক্ষক লক্ষ্মীনাথ ফুকনে তেওঁক কলা শাখাত পঢ়িবলৈহে নিৰ্দেশ দিছিল। অৱশ্যে হোমেন বৰগোহাঁঞিয়ে মনে মনে কলা শাখাতে পঢ়িম বুলিয়েই ঠিক কৰি থৈছিল। কিন্তু শিক্ষকগৰাকীৰ কথা শুনি তেওঁ জেদতে বিজ্ঞান শাখাত পঢ়িবলৈ থিৰাং কৰিলে। তেখেতৰ ইণ্টাৰমিডিয়েট (আইএছচি) পৰীক্ষা ভাল হৈছিল। কিন্তু তেওঁ কৈছে, "... কিন্তু তাৰ কাৰণে কিছু মূল্য দিবলগীয়া হ'ল। কলেজৰ প্ৰথম দুটা বছৰ মোৰ কাৰণে খুব নিৰানন্দময় হৈ ৰ'ল।" ইয়াৰ পিছত তেখেতে তৃতীয় বাৰ্ষিকত নাম লগাওঁতে ইংৰাজীত অনাৰ্ছ ল'লে আৰু বিজ্ঞান শাখাৰ পৰা কলা শাখালৈ আহিল। তেখেতে আত্মজীৱনী 'আত্মানুসন্ধানত কৈছে, "আৰ্টছলৈ আহি ঘৰৰ ল'ৰা ঘৰলৈ ঘূৰি অহাৰ নিচিনা বিৰাট স্বস্তি অনুভৱ কৰিলো।"

১৯৫৫ চনত হোমেন বৰগোহাঁঞিয়ে প্ৰশাসনিক সেৱাৰ পৰীক্ষাত অৱতীৰ্ণ হয় আৰু মাজুলীত উপ-প্ৰতি সমাহৰ্তা হিচাপে কৰ্মজীৱন আৰম্ভ কৰে। ১৯৫৮ চনৰ পৰা ১৯৬০ চনলৈকে তেখেতে ছয়গাঁৱত উপ-প্ৰতি সমাহৰ্তাৰ দায়িত্বত থাকে। ১৯৬০-৬২ চনত তেখেতে গোৱালপাৰা মহকুমাৰ পৰিকল্পনা বিষয়া হিচাপে কৰ্মনিৰ্বাহ কৰে। ১৯৬৩-৬৫ চনত উত্তৰ লক্ষিমপুৰত পৰিকল্পনা বিষয়া আৰু ১৯৬৫-৬৮ চনত যোৰহাটৰ পৰিকল্পনা বিষয়াৰ দায়িত্বত থাকে। ১৯৬৮ চনত চৰকাৰী চাকৰিৰ পৰা ইস্তফা দি 'নীলাচল' নামে এখন

সাপ্তাহিক কাকত আৰম্ভ কৰে আৰু কাকতখনৰ সম্পাদকৰ দায়িত্ব লয়। ১৯৭৭ চনলৈকে নীলাচলৰ সম্পাদকৰ দায়িত্ব লোৱাৰ লগতে ১৯৮০ চনত 'লোকায়ত' কাকতৰো সম্পাদকৰ দায়িত্ব লয়। ১৯৮১ চনত কলকাতাৰ পৰা প্ৰকাশিত বঙালী ভাষাৰ কাকত 'আজকাল'ৰ তেওঁ আছিল উত্তৰ-পূৰ্বাঞ্চলৰ বিশেষ প্ৰতিনিধি। ইয়াৰ পাছতে তেওঁ 'সমকাল' আৰু 'সূত্ৰধাৰ' আলোচনীৰ প্ৰতিষ্ঠাপক সম্পাদকৰূপে কাৰ্যনিৰ্বাহ কৰে আৰু ১৯৯১ চনত কিশোৰ-কিশোৰীৰ বাবে প্ৰকাশিত 'কিশোৰ' আলোচনীৰ প্ৰতিষ্ঠাপক সম্পাদকৰ দায়িত্ব লয়। ১৯৯৩ চনত তেওঁ সাপ্তাহিক কাকত 'অসম বাণী' সম্পাদনাৰ দায়িত্ব লয় আৰু ১৯৯৩ চনত 'আমাৰ অসম' কাকতৰ সম্পাদকৰূপে দায়িত্ব ভাৰ গ্ৰহণ কৰে। ২০০৪ চনত আমাৰ অসম এৰি 'দৈনিক বাতৰি' কাকতৰ প্ৰতিষ্ঠাপক সম্পাদকৰ দায়িত্ব লয়। ২০০৫ চনৰ পৰা তেওঁ বৌদ্ধিক আলোচনী 'সাতসৰী'ৰো সম্পাদক আছিল। ২০১৫ চনত তেওঁ নিয়মীয়া বাৰ্তা কাকতৰ মুখ্য সম্পাদকৰ দায়িত্ব লয় আৰু মৃত্যু পৰ্যন্ত নিয়াৰিকৈ এই কাকতখন চলায়। বৰগোহাঁঞিঃ আছিল অসমীয়া প্ৰতিদিন কাকতৰো স্তম্ভলেখক।

১৯৫৮ চনত তেওঁ নিৰুপমা তামুলীৰে সৈতে বিবাহপাশত আবদ্ধ হয়। নিৰুপমা তামুলী এগৰাকী জনপ্ৰিয় লেখিকা। তেওঁ নাৰীবাদী লেখাৰ বাবে বিখ্যাত। তেওঁলোকৰ দুটি সন্তানৰ নাম অনিন্দ্য বৰেগাহঁাঞিঃ আৰু প্ৰদীপ্ত বৰগোহাঁঞিঃ। ১৯৭৭ চনৰ পৰা বৰগোহাঁঞিঃ দম্পতী পৃথকে থাকিবলৈ লয়। প্ৰদীপ্ত বৰগোহঁাঞিঃ হৈছে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ প্ৰবক্তা আৰু তেওঁ তেওঁৰ পিতৃৰ কেইবাখনো ৰচনাৰাজী ইংৰাজী ভাষালৈ অনুবাদ কৰিছে। সেইসমূহৰ ভিতৰত উল্লেখযোগ্য হৈছে ২০১৭ চনত প্ৰকাশিত 'দ্য কালেক্টেভ ৱৰ্কছ অফ হোমেন বৰগোহাঁঞিঃ', য'ত সন্নিৱিষ্ট হৈছে বৰগোহাঁঞিঃৰ কেইবাটাও চুটিগল্প আৰু উপন্যাস।

হোমেন বৰগোহাঁঞিঃয়ে এটা সাক্ষাৎকাৰত গণতন্ত্ৰত বিশ্বাসী বুলি জানিবলৈ দিয়ে। তেওঁ লগতে কয় যে, "প্ৰত্যেকটো ৰাজনৈতিক দৰ্শনতে কিছু ভাল কথা থাকে বুলি মই অনুভৱ কৰোঁ। মই সেই ভালেখিনি আহৰণ কৰি এটা Synthetic Philosophy গঢ়াৰ ওপৰত বিশ্বাস কৰোঁ।" কিন্তু কাগজে পত্ৰই, সভাই সমিতিয়ে বা সামাজিক মাধ্যমযোগে এটি অভিযোগ আছে হোমেন বৰগোহাঁঞিঃ ৰাজনীতিৰ ক্ষেত্ৰখনত এজন সুবিধাবাদী। যোনে যিয়েই নহওঁক কিয়, হোমেন বৰগোহাঁঞিঃ ৰাজনৈতিকভাৱে সুবিধাবাদী হ'ব পাৰে, কিন্তু সাহিত্যিক হিচাপে মহান আৰু নমস্য। পিছে প্ৰকৃতাৰ্থত সাহিত্যিক হিচাপেও তেওঁৰ ৰচনাৰাজি কম সমস্যাজনক নহয়। আৰু এই কথাটো বুজি নোপোৱাটোৱেই অসমৰ সমাজ আৰু সংস্কৃতিৰ এটা ডাঙৰ সমস্যা। সাম্প্ৰতিক অসমত মৃত্যুৰ আগলৈকে বৰগোহাঁঞিঃ নিশ্চিতভাৱে আটাইতকৈ প্ৰভাৱশালী সাহিত্যিক; কেইবাটাও প্ৰজন্মৰ চিন্তা-চেতনাক ইমান গভীৰভাৱে প্ৰভাৱিত কৰিব পৰা দ্বিতীয় এজন সাহিত্যিক নাই। সাংঘাতিকধৰণে শক্তিশালী ভাষা আৰু ৰচনাশৈলীৰে বহল পাঠকসমাজক যুগৰ পাছত যুগ ধৰি আচ্ছন্ন কৰি ৰখাৰ উপৰি তেওঁ তেওঁৰ পৰৱৰ্তী সাহিত্যিকসকলক প্ৰত্যক্ষ-পৰোক্ষ ৰূপত ব্যাপকভাৱে প্ৰভাৱিত কৰিছে। ক'বলৈ গ'লে, তেওঁ গঢ় দিয়া মতাদৰ্শত পৃথিৱীখনত পৰৱৰ্তী বহুতো লেখক-সাহিত্যিকেই বিচৰণ কৰিছে— কিছুৱে জ্ঞাতভাৱে, বহুতেই অজ্ঞাতভাৱে। নক'লেও হ'ব যে তেনে সৰহভাগ সাহিত্যিকৰ পৰা সেইবাবেই আমি ভাল বস্তু পঢ়িবলৈ পোৱা নাই, পাইছো অক্ষম পুনৰাবৃত্তি কিছুমান। গতিকে অসমীয়া সমাজ আৰু সংস্কৃতি যদি আগবাঢ়ি যাব লাগে, বৰগোহাঁঞিঃ আত্মনিমগ্ন-কূপমণ্ডুক পৃথিৱীখনৰ পৰা মুক্তি লাভ কৰিব লাগিছিল। তেওঁৰ ৰাজনৈতিক সুবিধাবাদৰ সমালোচনা কৰি, তেওঁ কোন নেতাক কেতিয়া তেল মাৰিলে সেইবোৰ আলোচনা কৰি কোনো লাভ নাই। চমুকৈ এনেকৈ ক'ব পাৰি যে বৰগোহঁাঞিঃ মতাদৰ্শগতভাৱে উৎখাত কৰিব নোৱাৰালৈকে অসমীয়া সমাজ-সংস্কৃতি আগবাঢ়িব নোৱাৰে।

অসমীয়া সমাজ-সংস্কৃতিৰ আটাইতকৈ ডাঙৰ মতাদৰ্শগত সমস্যাটো হ'ল উদাৰ মানৱতাবাদ। ইয়াৰ কৰাল গ্ৰাসত অসমৰ সমাজ-সংস্কৃতি কোঙা হৈ আছে আৰু হোমেন বৰগোহাঁঞিঃ হ'ল মানৱতাবাদৰ আটাইতকৈ ডাঙৰ প্ৰবক্তা। কিন্তু এই উদাৰ মানৱতাবাদনো কেনেকুৱা বস্তু? এই মৌলিক প্ৰশ্নটো উত্থাপন কৰাটো খুবেই জৰুৰী। কিয়নো অসমত মানৱতাবাদৰ মাজত সকলোটি এনেদৰে আপোনপাহৰা হৈ ডুব গৈ আছে যে তাক এটা সমস্যা হিচাপে চোৱাটোতো দূৰৰ কথা, মতাদৰ্শ ৰূপত

তাৰ অস্তিত্বৰ কথাই কোনেও নাজানে। যিহেতু ইয়াত মানৱতাবাদেই চিৰন্তন আৰু অলৰ-অচৰ সত্য। সি যি নহওঁক, উদাৰ মানৱতাবাদ হ'ল আলোকপ্ৰাপ্তিৰ যুগৰ দাৰ্শনিক আৰু সাংস্কৃতিক মতবাদ। আলোকপ্ৰাপ্তিৰ যুগৰ দাৰ্শনিকসকলে পোনপ্ৰথমবাৰৰ বাবে মানুহৰ মানসিক বিশ্বৰ কেন্দ্ৰৰপৰা ঈশ্বৰক আঁতৰাই তাৰ ঠাইত মানুহক স্থাপন কৰিছিল। মানুহেই হ'ল উদাৰ মানৱতাবাদৰ কেন্দ্ৰবিন্দু। কিন্তু মানৱসত্তাৰ যিটো বিমূৰ্ত মডেল নিৰ্মাণ কৰা হ'ল তাত মানৱসত্তাক দিয়া হ'ল এক অতি ঐতিহাসিক চিৰন্তন ৰূপ। কোৱা হ'ল যে মানৱসত্তাটো হ'ল এক নিৰ্ভেজাল আৰু স্বয়ংসম্পূৰ্ণ বস্তু যিটো ইতিহাসৰ যিকোনো পৰ্যায়তে, বাস্তৱৰ যিকোনো পৰিস্থিতিতে একে থাকে। ইতিহাস হ'ল সেই চিৰন্তন মানৱসত্তাৰো লীলা মাত্ৰ। বাকী সমাজবাস্তৱৰ, ইতিহাসৰ ঘটনাৱলীয়ে সেই মানৱসত্তাৰ ওপৰত কোনো গভীৰ বা স্থায়ী প্ৰভাৱ পেলাব নোৱাৰে—সেইবিলাক কিছুমান ওপৰুৱা প্ৰলেপ মাত্ৰ যি সময়ৰ লগে লগে খহি পৰে। গতিকে দাৰ্শনিক-সাহিত্যিকৰ কাম হ'ল মানুহৰ সেই চিৰন্তন মানৱসত্তাক উদ্দেশ্যি আৰু তাক কেন্দ্ৰ কৰি কথা কোৱা—ক্ষণস্থায়ী আৰু ওপৰুৱা মানৱ জীৱনৰ ঐতিহাসিক আৰু ৰাজনৈতিক দিশসমূহ তেওঁলোকৰ আচল বিষয় নহয়। অতি থোৰতে আৰু সৰলীকৃতভাৱে এয়াই হ'ল আমাৰ বাবে দৰকাৰী উদাৰ মানৱতাবাদৰ মূলবস্তু। ইয়াৰ বাকী দিশসমূহ আলোচনাত বিশেষ প্ৰাসংগিক নহয়। প্ৰকৃতাৰ্থত ক'বলৈ গ'লে উদাৰ মানৱতাবাদৰ মানৱসত্তা সম্পৰ্কীয় তত্ত্বটো গোটে-পাতেই ভুল। ইতিহাস আৰু সমাজবাস্তৱৰ পৰা পৃথক কৰিব পৰাকৈ কোনো চিৰন্তন আৰু বিমূৰ্ত মানৱসত্তাৰ অস্তিত্ব নাই। মানুহ হ'ল ইতিহাসৰ নিৰ্মাণ; ইতিহাসৰ বিশেষ সময় আৰু সমাজৰ বিশেষ স্থানেই নিৰ্ণয় কৰে মানৱসত্তাৰ বিশেষ ৰূপ। সমাজবাস্তৱৰ সৈতে পাৰস্পৰিক ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ মাজেৰেই মানুহৰ চেতনাই গঢ় লয় ঃ সমাজত আধিপত্যশীল মতাদৰ্শৰ সৈতে লেটিপেটি হৈয়েই মানৱসত্তাই বিশেষ ৰূপ লাভ কৰে। ইয়াৰ বাহিৰত বিশুদ্ধ মানৱসত্তা বিচাৰিবলৈ যোৱাটো ভুল। উদাৰ মানৱতাবাদৰ সমস্যাসমূহ আজি কোনোবাই আঙুলিয়াই দিবলৈ বাকী নাই—এটা ঐতিহাসিক ধাৰা হিচাপে এই মতবাদ কাহানিবাই অতীত হৈ গৈছে। দৰাচলতে ধ্ৰুপদী উদাৰ মানৱতাবাদক সমালোচনা কৰিয়েই বা তাক অতিক্ৰম কৰিয়েই অন্যান্য প্ৰগতিশীল মতবাদসমূহ পোনতে বিকশিত হৈছিল। মাৰ্ক্সবাদৰ ক্ষেত্ৰতো কথাটো প্ৰযোজ্য ঃ ই উদাৰ মানৱতাবাদৰ মূল প্ৰমূল্যৰাজি গ্ৰহণ কৰিছে যদিও তাক সম্প্ৰসাৰিত আৰু সৰ্বাত্মকভাৱে ৰূপান্তৰিত ৰূপ প্ৰদান কৰিছে। একেদৰে নাৰীবাদ, লিংগ সচেতনতা, বৰ্ণবাদ-বিৰোধিতা, উত্তৰাধুনিকতাবাদ, নিম্নবৰ্গীয় মতবাদ আদি প্ৰত্যেকেই হ'ল উদাৰ মানৱতাবাদৰ একো একো ধৰণৰ সমালোচনা। কিন্তু আমাৰ অসমৰ ক্ষেত্ৰত দুখৰ কথাটো হ'ল এইটোৱেই যে উদাৰ মানৱতাবাদৰ মাজত আকণ্ঠ ডুব গৈ থকা বাবে আন আন সামাজিক-সাংস্কৃতিক মতবাদৰ আমি ভু-কে নাপাওঁ। ইয়াত আনকি বাঁওপন্থী-প্ৰগতিশীল সমাজখনো ব্যতিক্ৰম নহয়। সি যি নহওঁক, অসমৰ সমাজ-সংস্কৃতিত উদাৰ মানৱতাবাদৰ নিৰংকুশ আধিপত্যই ইয়াত ৰাজনৈতিক চেতনাৰ উন্মেষৰ বাট অৱৰুদ্ধ কৰি ৰাখিছে। ফলস্বৰূপে ইয়াত সমালোচনাত্মক কোনো মতবাদৰ বিকাশ ঘটাটো সম্ভৱপৰা হৈ উঠাগৈ নাই। গতিকে অসমৰ সমাজ-সংস্কৃতিত ৰাজনৈতিক চেতনাৰ বিকাশ ঘটি ফলপ্ৰসু সাংস্কৃতিক-সাহিত্যিক আন্দোলনৰ জন্ম হ'বলৈ হ'লে পোন প্ৰথমেই ইয়াত বৰ্তি থকা উদাৰ মানৱতাবাদৰ আধিপত্যই ওফৰাই পেলাব লাগিব। এতিয়া আমি বৰগোহাঁঞিৰ কথালৈ উভতি আহো। বৰগোহাঁঞি হ'ল পূৰামাত্ৰাই এজন মানৱতাবাদী সাহিত্যিক। কোনোবা এখন ৰচনা বা সাহিত্যকৃতিত নহয়, তেওঁ সমগ্ৰ ৰচনাৰাজিৰ জৰিয়তে উদাৰ মানৱতাবাদৰ প্ৰচাৰ কৰি আহিছে। সেইকাৰণেই তেওঁ ৰাজনৈতিকভাৱে তেনেই অজলা ঃ তেওঁ নাজানে নিজৰ মতাদৰ্শগত অৱস্থান। সেইকাৰণেই তেওঁ কোনো ৰচনাত পুঁজিবাদৰ সমস্যাৰ কথা কৈ সমাজতন্ত্ৰই প্ৰকৃত মুক্তিৰ পথ বুলি ঘোষণা কৰি দিব পাৰে (দেহোপজীৱিনী)। সেইকাৰণেই তেওঁ মানৱ অধিকাৰৰ কথা ক'বলৈ গৈ বাইবেলৰ পৰা আইনষ্টাইনলৈকে সকলোৰে উদ্ধৃতি দিয়ে, কিন্তু আলোচ্য বাগধাৰাটোৰ ৰাজনৈতিক অৱস্থান নিৰ্ণয় কৰিব নোৱাৰে (মানৱ-অধিকাৰ)। সেইকাৰণেই তেওঁ সমকামিতাৰ বিষয়ে এবকলা লিখিও তাক যৌন বিকৃতি তথা দুৰাৰোগ্য ৰোগ বুলি অভিহিত কৰি থাকে (শ্ৰীচৈতন্য সমকামী আছিল?)। যৌনকৰ্মীৰ জীৱনৰ দুখ-যন্ত্ৰণাক জীৱন্ত আৰু শক্তিশালী ৰূপত চিত্ৰিত কৰি তেওঁ উপন্যাস লিখিছে। কিন্তু সেই চিত্ৰণৰপৰা আগুৱাই গৈ আমি পুৰুষতন্ত্ৰৰ সমালোচনাত উপনীত হ'বগৈ নোৱাৰো বা যৌনকৰ্মীৰ অধিকাৰৰ প্ৰশ্নটো উত্থাপন কৰিবগৈ

নোৱাৰো—বৰগোহাঁঞিৰ সাহিত্যৰপৰা নাৰীবাদলৈ বহু যোজন দূৰ। 'মুক্ত তিৰোতা' নামৰ ৰচনা এখনত তেওঁ নাৰীৰ স্বাধিকাৰ আন্দোলনক প্ৰকাশ্যেই বিৰোধ কৰি নাৰীত্বৰ ৰহস্যময় শক্তিৰ গুণগান কৰিছে। 'মানুহ হোৱাৰ গৌৰৱ আৰু যন্ত্ৰণা'ৰ গাথাৰে বৰগোহাঁঞিৰ ৰচনাৰাজি ভৰপূৰ হৈ আছে। কিন্তু এই গৌৰৱময় মানুহটো হ'ল এক বিশুদ্ধ আৰু বিমূৰ্ত মানুহ যাৰ কোনো ইতিহাস নাই, সমাজ নাই। সেইবাবেই আমি বৰগোহাঁঞিৰ পৰা কোনো ঐতিহাসিক অন্তৰ্দৃষ্টি আশা কৰিব নোৱাৰো, কোনো সামাজিক সমস্যাৰ ছিৰিয়াছ বিশ্লেষণ আশা কৰিব নোৱাৰো। সি যি নহওঁক, অসমৰ সমাজ-সংস্কৃতিক উদাৰ মানৱতাবাদী কূপমণ্ডুকতাৰ পৰা উদ্ধাৰ কৰি আগুৱাই নিয়াটো যদি জৰুৰী, তেন্তে বৰগোহাঁঞিৰ সমালোচনা হ'ল তাৰ এক প্ৰধান অংগ।

হোমেন বৰগোহাঁঞিয়ে তেওঁৰ জীৱন কালত প্ৰকাশ কৰা উপন্যাসসমূহ হ'ল — 'সাউদৰ পুতেকে নাও মেলি যায়', 'পিতা-পুত্ৰ', 'নিঃসঙ্গতা', 'হালধীয়া চৰায়ে বাওধান খায়', 'অস্তৰাগ', 'এদিনৰ ডায়েৰী', 'বিষণ্ণতা', 'সুবালা', 'মৎস্যগন্ধা', 'তান্ত্ৰিক', কবিতা পুথি হ'ল—'হৈমন্তী'; গল্পসমূহ হ'ল— 'বিভিন্ন নৰক', 'মোৰ প্ৰিয় পাঁচটা জাৰ্মান গল্প' (অনুদিত), 'প্ৰবন্ধ সংকলন', 'উচ্চাকাংক্ষা', 'প্ৰজ্ঞাৰ সাধনা', 'আমাক কিতাপ লাগে', 'কিতাপ পঢ়াৰ আনন্দ', 'কাম কৰাৰ আনন্দ', 'জীৱনৰ মধুৰতম', 'সময়', 'সুখ-দুখ', 'স্বাস্থ্য ৰক্ষাৰ সহজ নিয়ম', 'আত্মা দীপো ভৱ', 'অন্তহীন প্ৰেৰণা', 'আনন্দ আৰু বেদনাৰ সন্ধানত', 'বিপদৰ বন্ধু', 'জীৱনৰ সাধনা', 'মানুহ হোৱাৰ গৌৰৱ', 'সুস্থ দেহত সুস্থ মন', 'সাৰাংশ', 'মই যেতিয়া ক্লান্ত হওঁ', 'ৰহস্যময় বিষাদ আৰু যন্ত্ৰণা', 'আধুনিক যুগৰ জন্ম কাহিনী', 'মোৰ জীৱনত ঈশ্বৰ', 'মোৰ টোকাবহীৰ পৰা', 'আশীৰ দশকৰ দস্তাবেজ', 'বিচিত্ৰ অভিজ্ঞতা আৰু অনুভূতি', 'শৰীৰ আৰু হৃদয়', 'গদ্যৰ সাধনা', 'পাঠকৰ টোকাবহী', 'জিজ্ঞাসা', 'স্বৰ্গ আৰু নৰক', 'হৃদয়ৰ মানচিত্ৰ', জীৱনীমূলক গ্ৰন্থসমূহ হ'ল—'বেঞ্জামিন ফ্ৰেংকলিন', 'অন্তহীন প্ৰেৰণাৰ উৎস লুই পেষ্টিঅ'ৰ', 'মোৰ প্ৰিয় মানুহ ছক্ৰেটিছ', 'ডাৰউইন', 'পোহৰৰ সাধনা', 'সোণাৰাম চুতীয়া ঃ এজন অসাধাৰণ সাধাৰণ মানুহ'; আত্মজীৱনীমূলক গ্ৰন্থ 'ধুমুহা আৰু ৰামধেনু' (তিনিটা খণ্ডত সমাপ্ত আত্মজীৱনীৰ '১ম খণ্ড' আৰু '২য় খণ্ড') 'আত্মানুসন্ধান', 'মোৰ সাংবাদিক জীৱন', 'মোৰ হৃদয় এখন যুদ্ধক্ষেত্ৰ', 'জীৱন সুন্দৰ আৰু ভয়ংকৰ' আদিবোৰ।

সাংবাদিকতাৰ লগতে সাহিত্য ক্ষেত্ৰত আগবঢ়োৱা অসামান্য অৱদানৰ বাবে বৰগোহাঁঞিয়ে তেওঁৰ জীৱনকালতে অলেখ বঁটা-বাহন আৰু স্বীকৃতি লাভ কৰিছিল—১৯৭৮ চনত, 'পিতা-পুত্ৰ' উপন্যাসৰ বাবে সাহিত্য অকাডেমি বঁটা, ১৯৯২ চনত, মেগৰ শৈক্ষিক ন্যাসে প্ৰদান কৰা অসম উপত্যকা সাহিত্য বঁটা; ২০০০ চনত অসম সাহিত্য সভাৰ কৃতী সাংবাদিকৰ 'লক্ষ্মীনাথ ফুকন বঁটা' ; ২০০২ চনত উৎকৃষ্ট সাংবাদিকতাৰ বাবে 'জয়কৃষ্ণ ৰামদয়াল (দিল্লী) সমন্বয় বঁটা'; নীলমণি ফুকন বঁটা; অসম চৰকাৰৰ শ্ৰীমন্ত শংকৰদেৱ বঁটা; ২০০২ চনৰ অসম সাহিত্য সভাৰ ক্ৰমে ডিব্ৰুগড় আৰু কলগাছিয়াৰ অধিৱেশনত সভাপতিৰ আসন অলংকৃত কৰিছিল; মৎসেন্দ্ৰ নাথ বঁটা ২০১৯ চনত; সাহিত্য আৰু সংবাদ ক্ষেত্ৰলৈ আগবঢ়োৱা অৱদানৰ বাবে সাদিন-প্ৰতিদিন গোষ্ঠীয়ে আগবঢ়োৱা 'জীৱনজোৰা সাধনা বঁটা'। বৰগোহাঁঞিৰ গৃহ চহৰ ঢকুৱাখানাৰ 'হোমেন বৰগোহাঁঞি ট্ৰাষ্টে' প্ৰতিবছৰে বৰগোহাঁঞিৰ নামত 'হোমেন বৰগোহাঁঞি সাহিত্য বঁটা' প্ৰদান কৰে। ২০১৯ চনত জীৱনীকাৰ, অনুবাদক আৰু ঔপন্যাসিক শৰ্মিষ্ঠা প্ৰীতমে এই বঁটা লাভ কৰিছে।

২০১৯ চনৰ ক'ভিড-১৯ বৈশ্বিক মহামাৰীৰ দ্বিতীয় ঢৌত তেওঁ আক্ৰান্ত হৈ চিকিৎসালয়ত ভৰ্তি হয় আৰু ৭ মে' তাৰিখে চিকিৎসালয়ৰ পৰা ক'ভিড মুক্ত হৈ স্বগৃহলৈ ওভতে যদিও ১২ মে'ৰ পুৱতি নিশা ৩ বজাত তেওঁ বিছনাৰ পৰা ঢলি পৰে। স্বাস্থ্যৰ অৱনতি ঘটাত তেওঁক ৬.১৫ বজাত গুৱাহাটীৰ জিএনআৰচি হস্পিতালত ভৰ্তি কৰোৱা হয় আৰু তাতে ৬.৫৮ বজাত তেওঁ শেষ নিশ্বাস ত্যাগ কৰে। মৃত্যুৰ আগমুহূৰ্তলৈকে তেওঁ জনপ্ৰিয় অসমীয়া বাতৰি কাকত 'নিয়মীয়া বাৰ্তা'ৰ মুখ্য সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰি আছিল। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮৯ বছৰ।

❖❖❖

# নৱপ্রজন্মৰ হাতত অসমীয়া সাহিত্য



**বিশ্বজিৎ সেনাপতি**
স্নাতক চতুৰ্থ ষাণ্মাসিক
গণিত বিভাগ
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

সাহিত্য-সংস্কৃতি অবিহনে এটি জাতি সদায়ে আধৰুৱা। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ পৰা আৰম্ভ কৰি পদ্মনাথ গোহাঞিবৰুৱা, লক্ষ্মীনাথ বেজবৰুৱা, ভৱেন্দ্ৰনাথ শইকীয়া, ৰীতা চৌধুৰী, অনুৰাধা শৰ্মা পূজাৰী, মৃণাল কলিতাকে আদি কৰি ভিন্ন ভিন্ন ব্যক্তিয়ে ভিন্নৰঙী সাজেৰে সজাই সাহিত্যৰ পথাৰখন চহকী কৰিছে।

ভিন্ন ভাৱধাৰা একত্ৰিত হৈছে এটা সুঁতিত সেইয়া হৈছে অসমীয়া ভাষাৰ মূলসুঁতি। শিপা নোহোৱাকৈ জানো গা গছৰ জন্ম হ'ব পাৰে? ঠিক তেনেদৰে সাহিত্যৰ মূল শিপাৰ বিষয়ে অজ্ঞাত ব্যক্তিয়ে সাহিত্যৰ মমাৰ্থ নুবুজে।

নৱপ্রজন্ম আগন্তুক কলমৰ চিয়াঁহী। চিয়াঁহীৰ মূল্য তেতিয়ালৈ থাকিব যেতিয়ালৈকে ইয়াৰ কলমটিৰ গুৰুত্ব অক্ষুণ্ণ থাকিব। এই প্ৰতিটো এটি আনটোৰ পৰিপূৰক। সাহিত্যৰ যুগ গঢ়া এই মহান ব্যক্তিসকলেও বিচাৰে তেওঁলোকৰ সাহিত্যৰ বুকুখন এচাম সাহিত্য প্ৰেমী নবীনৰ হাতত; নতুন মানেই পৰিৱৰ্তন গতিকে পৰিৱৰ্তন হোৱাটো স্বাভাৱিক। কিন্তু পৰিৱৰ্তনৰ ধাম খুমিয়াত যাতে সাহিত্যই মূল সুঁতি এৰি নাযায় তাৰ প্ৰতি লক্ষ্য ৰখাটো উচিত।

গ্ৰন্থ আন্দোলনৰ দৰে কাৰ্যসূচী দেখিলে সাহিত্যৰ অৱস্থা বৰ এটা ভাল বুলিব নোৱাৰি। কিন্তু একেবাৰে ভাল অৱস্থাত নাই বুলিবও নোৱাৰি।

যিমানেই নিজকে সভ্য বুলি চিনাকি দিবলৈ উঠি পৰি লাগিছে সিমানেই কিছুমান মানসিকতা ঠেক হৈ গৈছে। প্ৰতিযোগিতাৰ পৃথিৱীত বেপেৰুৱা ধান্দাই বহুতো ভাল বস্তু দৰ দামত তুলনা কৰিবলৈ লৈছে।

অসমীয়া সাহিত্যৰ অৱস্থা তেনেকুৱা নহওঁক তাৰেই কামনা।

কিছুমান ছবি খুবেই দুখজনক। নিজকে উচ্চ চিন্তাধাৰাৰ বুলি দেখাবলৈ গৈ বহুতে গৰ্বেৰে প্ৰায়ে কয় 'মোৰ ল'ৰা বা ছোৱালীজনীয়ে অসমীয়া ভালকৈ ক'ব নাজানে।' এনেকুৱা কিছুমান কথা অসমীয়া সাহিত্যৰ পথাৰখন কিমান দিন ধৰি ৰাখিব তাক সঠিককৈ কোৱা টান।

আকৌ কিছুমানে নিজৰ ভিতৰত জমা হৈ থকা জাতীয়তাবাদ অথবা ভাষাপ্রেমৰ খাতিৰতেই কলমটি তুলি লৈছে; এইবোৰ ভাল খবৰ।

নতুনত্বক আঁকোৱালি লোৱাটো ভাল কথা কিন্তু পুৰণিখিনিক পাহৰি নহয়। সাহিত্যৰ সুস্থ মানসিকতাটো কেতিয়াবা হেৰাই যোৱাৰ দৰে অনুভৱ হয়।

সাহিত্য সংস্কৃতি অবিহনে আমি ৰাজহাড় নোহোৱা এটা জাতি হৈ পৰিম। গতিকে সাহিত্যৰ নিজস্ব সুন্দৰতা বজাই ৰাখিবলৈ হ'লে আমি প্ৰতিটো প্ৰজন্ম সতৰ্ক হ'ব লাগিব।

সাহিত্যৰ পৃথিৱীত ভুল শুদ্ধ বিচাৰ কৰিবলৈ আমি সাহিত্যৰ মূল সুঁতিলৈ যাবই লাগিব।

অসমীয়া সাহিত্যৰ ভঁৰালটো ভৰপূৰ হৈ পৰক নতুন পুৰণি সকলো ধৰণৰ সম্ভাৰেৰে। জীয়াই থাকক প্ৰতিটো ভাষাপ্ৰেমীৰ কলম।

❖❖❖

# অৰণ্য মানৱ



**সংঘমিত্ৰা শৰ্মা**
স্নাতক ষষ্ঠ ষাণ্মাসিক
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

অৰণ্য মানৱ সকলোৰে পৰিচিত এজন প্ৰকৃতি প্ৰেমী যাদৱ পায়েং। পৰিৱেশ কৰ্মী আৰু প্ৰকৃতি বৈজ্ঞানিক।

যাদৱ পায়েং অসমৰ এগৰাকী পৰিৱেশ কৰ্মী। যাদৱ পায়েঙৰ জন্ম ১৯৫৯ চনত। তেওঁৰ পিতৃৰ নাম লক্ষ্মীৰাম পায়েং আৰু মাতৃৰ নাম অফুলি পায়েং। তেখেতে যোৰহাটৰ ককিলামুখৰ ওচৰত ব্ৰহ্মপুত্ৰৰ চাপৰিত তেখেতে কেইবাদশকো জুৰি গছ ৰোপণ তথা প্ৰতিপালন কৰি সংৰক্ষিত বনাঞ্চল গঢ়ি উঠিছিল। তেখেতৰ উপনামেৰে এই বনাঞ্চল মুলাই কাঠ বুলি জনাজাত। ব্ৰহ্মপুত্ৰৰ ঔনামুখ চাপৰিৰ গছপুলি ৰোপণ কৰি এখন অৰণ্যলৈ ৰূপান্তৰ কৰিছিল। এই ৫৫০ হেক্টৰ জুৰি থকা অঞ্চলটো এক বৃহৎ চক। ইয়াৰ দৈৰ্ঘ্য প্ৰায় ২৭ কিলোমিটাৰ বহলে প্ৰায় ১৫ কিলোমিটাৰ। ১৯৮০ চনত তেওঁ অৰণ্য সৃষ্টি অভিযান আৰম্ভ কৰে। তেওঁৰ অৰণ্যৰ মূল্যবান কেইবিধমান উদ্ভিদ হ'ল—অৰ্জুন গছ, ওজাৰ গছ, ...., মজ, শিমলু আদি। প্ৰাণীৰ ভিতৰত — গড়, ঢেকীয়াপতীয়া বাঘ, বিভিন্ন ধৰণৰ পৰিভ্ৰমী চৰাই যেনে- শগুণ আদি প্ৰধান। ২০১২ চনৰ ২২ এপ্ৰিলৰ দিনা ধৰিত্ৰী দিৱসৰ লগত সংগত ৰাখি জৱাহৰলাল নেহেৰু বিশ্ববিদ্যালয়ে পায়েঙৰ অৰণ্য মানৱ উপাধি প্ৰদান কৰে। ২০১৫ চনৰ ২৬ জানুৱাৰীত তেওঁক পদ্মশ্ৰী বঁটাৰে সন্মানিত কৰা হয়। ২০২০ চনত যাদৱ পায়েঙক ১২৮ সংখ্যক "কমনৱেলথ পইণ্টছ অৱ লাইট এৱাৰ্ড বঁটাৰ বাবে নিৰ্বাচিত কৰা হয়। ২০১৯ চনৰ ১৫ মাৰ্চত যাদৱ পায়েঙৰ কৰ্মজীৱন আধাৰিত এখন গ্ৰন্থ — The Boyw The Boy who grew forest the Tree story of Jadav Payeng।

২০২২ চনত উইলিয়াম ডকলাছ মেকমাষ্টৰ নামৰ তথ্যচিত্ৰকৰে তেওঁৰ নামত "Forest-mom নামৰ এখন তথ্যচিত্ৰ নিৰ্মাণ কৰে। ২০১৫ চনৰ ১৪ ফেব্ৰুৱাৰীত তেওঁক গুৱাহাটী বিশ্ববিদ্যালয়ে তেওঁক ডক্টৰেট উপাধি প্ৰদান কৰে। এনে ধৰণৰ বহু বঁটা সন্মান আগবঢ়োৱাৰ উপৰিও তেওঁক ব... অনুষ্ঠানলৈ পৰিৱেশ সজাগতা সম্পৰ্কীয় বক্তৃতা প্ৰদা... কৰিবলৈ নিমন্ত্ৰণ জনায়। এনেদৰে নিজৰ কৰ্ম আৰু জীৱ... কাহিনীৰে বিশ্বৰ যিকোনো প্ৰান্তৰে অলেখ মানুহক উদ্বু... কৰিবলৈ সক্ষম হোৱাকৈ যাদৱ পায়েং নিশ্চয়কৈ একমা... অসমীয়া।

যাদৱ পায়েঙৰ এই মহান কৰ্মৰাজিৰ পৰা আমি তেওঁ... আদৰ্শ হিচাপে লোৱাটো উচিত। আমি তেওঁৰ মহানতাৰ প... শিকিব পাৰো পৰিৱেশৰ প্ৰতি ইতিবাচক মনোভাৱ। ধৈৰ্য্যে... কঠোৰ পৰিশ্ৰম আৰু একক দৃঢ়তাৰে এখন নতুন অৰণ্য প্ৰতি... কৰিব পাৰে।

❖❖❖



# মিলিয়ন ডলাৰৰ এটা প্ৰশ্ন

মৃণাল ঠাকুৰীয়া
স্নাতক চতুৰ্থ ষাণ্মাসিক
গণিত বিভাগ
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

এক মিলিয়ন ডলাৰ অৰ্জন কৰিবলৈ আটাইতকৈ টান কাম কি হ'ব পাৰে বাৰু? এটি প্ৰশ্নৰ উত্তৰত লাভ কৰিব পাৰে আপুনি এই বৃহৎ পৰিমাণৰ অৰ্থ। প্ৰথমে আহোঁ এটি সহজ প্ৰশ্নলৈ। আটাইতকৈ সৰু মৌলিক সংখ্যা (prime number) টো কি বাৰু? হয়, ২ আটাইতকৈ সৰু মৌলিক সংখ্যা। ২, ৩, ৫,... এইবোৰ মৌলিক সংখ্যা অৰ্থাৎ যাৰ দুটায়ে উৎপাদক, এক আৰু সংখ্যাটো নিজেই। প্ৰাথমিক বৰ্গত শিকোৱা তেনেই এটি সাধাৰণ গণিতৰ কথা। কিন্তু এই মৌলিক সংখ্যাবোৰৰ মাজতো আছে এখন অতি ৰহস্যময় পৃথিৱী। A never ending mystery!

গণিত আৰু পদাৰ্থবিজ্ঞানৰ এটা সাধাৰণ ধৰ্ম যে আমাৰ চৌপাশৰ বস্তুবোৰ পৰ্যবেক্ষণ কৰা আৰু তাক একোটা সমীকৰণ বা উপপাদ্যলৈ পৰিণত কৰি এক সামূহিক অধ্যয়নৰ ব্যৱস্থা কৰা। আমি যদি ফিব'নাকি সংখ্যা (fibonacci number)ৰ কথাই ভাবো, সেই সংখ্যাবোৰেৰে গঢ়া একোটা পেটাৰ্ন আমি আমাৰ আঙুলিৰ চাপ, ফুল, শামুকৰ খোলা আনকি তাৰ কাৰাজ্যটো দেখিবলৈ পাওঁ। তাৰ পৰাই আকৌ সোণালী অনুপাত (golden ratio)ৰ দৰে বস্তুবোৰ পাওঁ, যাক আমি বহুতেই জানো যে সুন্দৰৰ সংজ্ঞাৰ মাজত এই অনুপাতো পৰে। বিখ্যাত মনালিছা ছবিখনৰ ভিতৰতো আমি এই অনুপাতৰ অৱস্থিতি দেখোঁ। এইবোৰ গণিতৰ মাজেৰে প্ৰকৃতিৰ সৌন্দৰ্যক চাবলৈ সৃষ্টি হোৱা গাণিতীয় কথাহে মাথোন।

অতি সাধাৰণ কথা এটাৰ আওতালৈ আহো। আমি সৰহ সংখ্যকেই ব্যৱহাৰ কৰা এটি application হৈছে "whatsapp" কাৰোবাৰ লগত হোৱা বাৰ্তালাপৰ আগত একেবাৰে ওপৰত এটি বাক্য লিখা থাকে, "messages and calls are end-to-end encrypted", অৰ্থাৎ যেতিয়া আমি এনেকুৱা এপ্লিকেচনৰ জৰিয়তে বাৰ্তাবোৰ পঠিয়াও, তেতিয়া আমি

ব্যৱহাৰ কৰা মোবাইল বা লেপটপ যিয়ে হওক, একোটা পঢ়িব নোৱাৰা আখৰলৈ ৰূপান্তৰিত কৰে, আৰু পোনে পোনে যালৈ আমি বাৰ্তাটো পঠিয়াও, সেই যন্ত্ৰটোত encrypted বাৰ্তাটো একোটা গুপ্ত সংখ্যা (secret key) ৰে (decode) ডিকোড কৰা হয়। প্ৰত্যেকটো বাৰ্তাৰ কাৰণেই পৃথকে সৃষ্টি কৰা হয় এই গুপ্ত সংখ্যা। আনকি মেচেজ ডেলিভাৰী ছাৰ্ভাৰ বা কোনো তৃতীয় পক্ষই এই বাৰ্তাবোৰ decode কৰিব নোৱাৰে। কোৱা হয় এই প্ৰক্ৰিয়াটোত বিশেষকৈ ব্যৱহাৰ হয় মৌলিক সংখ্যা। আমি গম নোপোৱাকৈয়ে মৌলিক সংখ্যাবোৰে আমাৰ দৈনন্দিন জীৱনত কেনেদৰে প্ৰভাৱ পেলাই আছে, তাক চিন্তা কৰিলে পাৰ নোপোৱা নাৰিক একোটা হৈ পৰিম আমি। মৌলিক সংখ্যাবোৰৰ মাজত আমি কোনো বিশেষ পেটাৰ্ন বিচাৰি নাপাওঁ। সেই বাবেই encryptionৰ বাবে যাদৃচ্ছিকভাৱে সৃষ্টি হোৱা গুপ্ত সংখ্যাবোৰক তৃতীয় পক্ষই decode কৰিব নোৱাৰে। বেংক, প্ৰতিৰক্ষা বিভাগ এইবোৰৰ অতি উচ্চ পৰ্যায়ৰ সুৰক্ষিত প্ৰক্ৰিয়াটো encryptionৰ বাবে secret key হিচাপে বৃহৎ বৃহৎ মৌলিক সংখ্যা ব্যৱহৃত হয়। এয়া আছিল এই ব্যৱস্থাটোৰ এটা থুলমূল আভাস।

এই মৌলিক সংখ্যাৰ পেটাৰ্নক অনুসৰণ কৰিয়েই আজিৰ পৰা প্ৰায় ১৬০ বছৰ আগত বাৰ্নাৰ্ড ৰাইমান (Bernhard Riemann) এ এটা ৰেগুলাৰ পেটাৰ্ন বিচাৰি পাবলৈ সক্ষম হৈছিল। শিক্ষাগুৰু কাৰ্ল ফ্ৰিদিক গাউছ (যাক আমি পদাৰ্থ বিজ্ঞানৰ gauss's theoremৰ জৰিয়তে সহজে জানো)ৰ মৌলিক সংখ্যাৰ number theory আৰু লিওনাৰ্ড অইলাৰ (leonherd euler)ৰ zeta functionৰ অধ্যয়নৰ দ্বাৰা ৰাইমেনে উলিয়ালে অন্য এক সমীকৰণ — Riemann zeta function, যাৰ জৰিয়তে মৌলিক সংখ্যাবোৰৰ পেটাৰ্নটো গম পাব পাৰি। এয়া গণিতৰ ভাষাত মাত্ৰ এক conejcture, অৰ্থাৎ যিটো বস্তু সত্য হ'ব বুলি ভবা হৈছে কিন্তু প্ৰমাণিত হোৱা নাই। এয়াই হৈছে ৰাইমান হাইপ'থেছিছ (Riemann hypothesis)। আমি ইয়াৰ মাজৰ উচ্চ গণিতৰ মাজলৈ এতিয়া সোমাব বিচৰা নাই। ২০০০ চনত Clay Mathematical Institute (CMI) এ ৭ টা মিলিয়ন ডলাৰৰ প্ৰশ্নৰ অৱতাৰণা কৰিছিল। তাৰ মাজতেই এইটোও এটা। শূন্যৰ আৱিষ্কাৰ কৰা আৰ্যভট্ট, ব্ৰহ্মগুপ্ত, ৰামানুজনৰ দৰে বিখ্যাত গণিতজ্ঞৰ দেশ ভাৰতবৰ্ষৰ এজন অধ্যাপকে শেহতীয়াকৈ এই hypothesisৰ প্ৰমাণ কৰি উলিওৱা বুলি দাবী উত্থাপন কৰিছে। তেখেত হৈছে কুমাৰ ঈশ্বৰন, SIST, hyderabadৰ এজন অধ্যাপক। কিন্তু মিলিয়ন ডলাৰৰ পুৰস্কাৰ ৰখা CMIৰ তৰফৰ পৰা এতিয়াও এই হাইপ'থেছিছক প্ৰমাণিত হোৱা বুলি কোৱা হোৱা নাই। CMI মাৰ্টিন ব্ৰীডছনে মাজতে কয় যে, বহুতো বাতৰি কাকতত সময়ে সময়ে ইয়াক প্ৰমাণ হোৱা বুলি কয়, কিন্তু CMIৰ অফিচিয়েল ৱেবচাইটত আজিও ইয়াক অপ্ৰমাণিত বুলিয়ে লিখি থোৱা আছে। কুমাৰ ঈশ্বৰম প্ৰথম নহয় বাৰু, যিয়ে এই প্ৰমাণ সক্ষম হোৱা বুলি দাবী কৰে। ২০০৪ চনত লুইছ ডি ব্ৰুগস (louis de bruges) নামৰ গণিতজ্ঞ এজনেও প্ৰমাণিত কৰা বুলি দাবী কৰিছিল যদিও তেখেতৰো প্ৰমাণক নস্যাৎ কৰা হ'ল। নোবেল বিজয়ী জন নেছ (john nash) যাক আমি (game theory)ৰ জৰিয়তে জানো, তেখেতেও এই প্ৰমাণ কৰিবলৈ লৈও ব্যৰ্থ হৈছিল। বিংশ আৰু একবিংশ শতিকাৰ এনে বহুত মহান মহান গণিতজ্ঞ, পদাৰ্থ বিজ্ঞানী আছে, যিসকল এই ব্যৰ্থতাৰ শাৰীত পৰিল।

এই প্ৰমাণবোৰৰ সত্যতা সম্পৰ্কে হয়তো আমি অনাগত সময়ত আৰু স্পষ্ট হ'ব পাৰিম। শতিকাজুৰি প্ৰমাণিত নোহোৱা ইয়াৰ প্ৰমাণ বিজ্ঞান জগতৰ এক মাইলৰ খুঁটি হৈ পৰিব। আকৌ, বিজ্ঞানৰ প্ৰত্যেকটো বস্তুৰেই ভাল বেয়া গুণ থাকে বুলি সৰ্বজ্ঞাত এটা উক্তি। এতিয়া এই riemann hypothesisৰ প্ৰমাণৰ পৰাও আমাৰ অসুবিধা হ'ব পাৰে নেকি! হয়, পাৰে। ওপৰত কোৱাৰ দৰে ত ব্যৱহাৰ হোৱা বা চাবিতো তৃতীয় পক্ষ অৰ্থাৎ কোৰে হয়তো বিচাৰি উলিয়াব পাৰিব, যিহেতু ই প্ৰমাণে আমাক মৌলিক সংখ্যাৰ পেটাৰ্ন বিচাৰি উলিয়াই দিব। তাৰ লগে লগে ইণ্টাৰনেটত বা সুৰক্ষাৰ ওপৰত যথেষ্ট প্ৰশ্ন আহি পৰিব। C-cryptography বেংকে এই সকলোবোৰতেই সুৰক্ষাৰ ক্ষেত্ৰত সুৰুঙা আহি পৰিব পাৰে। বাৰু, আগলৈ কি হ'ব, সেয়া সময়ত আমি গম পামেই। গণিতৰ এই বিৰল জগতখনত সাঁতুৰি নাডুৰি ওমলি নুফুৰাজনেও হয়তো এই ৰসাল মহাসাগৰখনত কেনেকৈ যে ডুব গৈ আছে! ৰহস্য মাথোঁ।

অন্য এক ট্ৰিভিয়া ঃ গণিত জগতখনৰ আটাইতকৈ ধুনীয়া সমীকৰণটো অই লাৰৰ নামতেই। সমীকৰণটো হ'ল e^πi+1=0

❖❖❖



# ব্যৱসায়িক দৃষ্টিভংগীৰে অসমীয়া সংস্কৃতিৰ সংৰক্ষণ

**লক্ষণা দত্ত**
সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

একবিংশ শতিকাৰ গোলকীয় বিশ্বত নিজৰ অস্তিত্ব বতাই ৰাখিবৰ বাবে আধুনিক ব্যৱস্থাপনাৰ সৈতে পৰিচয় প্ৰথম চৰ্ত। ইয়াৰ লগতে স্বকীয় ভাষা, সাহিত্য, সংস্কৃতিৰ চৰ্চা, প্ৰচাৰ আৰু প্ৰসাৰো সমানে গুৰুত্বপূৰ্ণ। আধুনিক প্ৰযুক্তিৰ ব্যৱহাৰ আৰু নিজস্ব সাংস্কৃতিক ঐতিহ্যৰ বিকাশ- এই দুয়োটা স্ব-বিৰোধী যেন লগা ধাৰণা একৰৈখিকভাৱে সংযোজিত হ'বলৈ সক্ষম হৈছে- একবিংশ শতিকাৰ বিশ্বত। এনে সংযোজনৰ বাবে নিঃসন্দেহেই যথেষ্ট কলা-কুশলতাৰ প্ৰয়োজন। অসম তথা উত্তৰ-পূৰ ভাৰত ইয়াৰ বৈচিত্ৰ্যময়ী ভৌগোলিক, সামাজিক, সাংস্কৃতিক, নৃগোষ্ঠীয় ইত্যাদি বৈশিষ্ট্যৰ বাবে সমগ্ৰ বিশ্বতে ভাষা আৰু নৃ-তত্ত্ব চৰ্চাৰ অনুপম ক্ষেত্ৰ ৰূপে সমাদৃত হৈ আহিছে। ইয়াত যুগ-যুগ ধৰি বসবাস কৰি অহা প্ৰতিটো জনগোষ্ঠীৰে নিজ-নিজ কলা-সাহিত্য-সংস্কৃতি তথা আচাৰ-অনুষ্ঠানেৰে সৈতে একোখন ভৰপূৰ সাংস্কৃতিক ক্ষেত্ৰ বৰ্তমান। তদুপৰি, ইয়াৰ নদ-নদী, জান-জুৰি, পাহাৰ, বনাঞ্চল আদিৰে ভৰপূৰ অপৰূপ প্ৰাকৃতিক শোভাই বিশ্বৰ প্ৰেক্ষাপটত পৰ্যটকক আকৰ্ষণ কৰে। তাৎপৰ্যপূৰ্ণ বিষয়টো হ'ল- বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ উত্তৰণৰ লগে-লগে বিশ্বায়নে সংকুচিত কৰি অনা গোলকীয় বিশ্বৰ ধাৰণাৰ গণ্ডীত অন্যসকলৰ সৈতে অসমৰ সমাজ-সংস্কৃতিও সোমাই পৰিছে। এনে এটি প্ৰেক্ষাপটত জনসংখ্যা বৃদ্ধি, নিবনুৱা সমস্যা, সম্পদৰ অভাৱ ইত্যাদি প্ৰধান সমস্যাসমূহৰ সৈতে মোকাবিলা কৰি অৰ্থনৈতিকভাৱে স্বাৱলম্বী হোৱা আৰু প্ৰচলিত কৰ্ম-সংস্থাপনৰ বিকল্পৰ সন্ধান জৰুৰী হৈ পৰিছে। অসমৰ চহকী সাংস্কৃতিক বৈশিষ্ট্য এনে অৰ্থনৈতিক চাহিদা সৃষ্টি আৰু পূৰণ কৰিব পৰাকৈ সক্ষম বুলি ইয়াৰ আৱাসী মাত্ৰেই জ্ঞাত। সেয়ে,

সম্প্ৰতি চৰকাৰীভাৱে আৰু বিভিন্ন ব্যক্তি, সামাজিক সংগঠন ইত্যাদিৰ দ্বাৰা বেচৰকাৰীভাৱে অসমৰ সংস্কৃতিৰ প্ৰকাশ আৰু বিকাশত ব্যৱসায়িক দৃষ্টিভংগী আৰোপত গুৰুত্ব প্ৰদান কৰা পৰিলক্ষিত হৈছে। সংগ্ৰহালয় (archive), তথ্য-চিত্ৰ (documentary), বাণীবদ্ধকৰণ (recording), প্ৰকাশন (publishing) ইত্যাদি আধুনিক ব্যৱস্থাপনাৰ প্ৰয়োগেৰে মূল উৎসৰ প্ৰতি সচেতন হৈ বিশেষ কলা-কুশলতাৰে সংস্কৃতিৰ প্ৰকাশ ঘটোৱা হৈছে। এনেদৰে উদ্ভাৱনীমূলক মানসিকতাৰে অসমৰ থলুৱা সাংস্কৃতিক উপাদানসমূহ উপভোগৰ সামগ্ৰী হিচাপে লৈ ইয়াৰ সৈতে উপভোক্তা (consumer), চাহিদা (demand), যোগান (supply) ইত্যাদি ধাৰণাৰ সংযোগ ঘটাই ব্যৱসায়ৰ মাধ্যম ৰূপে গঢ়ি তোলা হৈছে। সংস্কৃতি যিহেতু পৰিৱৰ্তনশীল, সেয়ে এনে ব্যৱস্থাই সংস্কৃতিৰ সংৰক্ষণ আৰু সংবৰ্ধনত ইতিবাচক ভূমিকা গ্ৰহণ কৰিছে বুলি বিবেচনা কৰিব পাৰি। থলুৱা সম্পদক ব্যৱসায়িক ভিত্তিত প্ৰয়োগৰ জৰিয়তে অসমৰ জাতীয়তাবাদী ভাৱধাৰাৰ বিকাশ সম্পৰ্কীয় দিশ এটাও সাঙুৰ খাই পৰিছে।

কৃষিক কেন্দ্ৰ কৰিয়ে অসমৰ সংস্কৃতি গঢ় লৈ উঠিছে আৰু ইয়াৰ অৰ্থনীতিও মূলতঃ কৃষিভিত্তিক। অতীজৰে পৰা অসমৰ সমভূমি অঞ্চলত নদীৰ পাৰে-পাৰে স্থায়ীভাৱে আৰু পাহাৰীয়া অঞ্চলত ঝুম পদ্ধতিৰে অস্থায়ীভাৱে কৰা কৃষি পদ্ধতি প্ৰচলিত হৈ আহিছে। ইয়াৰ উপৰি বোঁৱা-কটা; বাঁহ; বেত; কাঠ; শিল; মাটি; কাঁহ-পিতল-লো-সোণ-ৰূপ-তাম ইত্যাদি স্থানীয়ভাৱে উৎপাদিত বিভিন্ন ধাতু; চামৰা; মৰাপাট, কুঁহিলা; গছৰ বাকলি; জীৱ-জন্তুৰ হাঁড়-ছাল-দাঁত-নখ-শিং ইত্যাদিৰে শিল্প নিৰ্মাণ আৰু চিকাৰ; পশুপালন; মাছ ধৰা; নাৱৰীয়া; গাবোৱান আদি বৃত্তিৰ সৈতে জড়িত হৈ অসমৰ থলুৱা লোকসকলে জীৱন নিৰ্বাহ কৰিছিল। অন্যহাতে, বিভিন্ন সময়ত বিভিন্ন ৰজাৰ পৃষ্ঠপোষকতা লাভ কৰি সাহিত্যিক, গীতিকাৰ, চিত্ৰশিল্পী, নৃত্যশিল্পী ইত্যাদিয়ে বৃত্তিগত জীৱন আগুৱাই নিছিল। ভৈয়াম আৰু পাহাৰীয়া অঞ্চলৰ লোকসকলৰ মাজত উৎপাদিত সামগ্ৰী বিনিময় প্ৰথাৰ জৰিয়তে আদান-প্ৰদান হৈছিল। আনহাতে, প্ৰাগজ্যোতিষপুৰ আছিল- আন্তৰ্জাতিক বাণিজ্যৰ কেন্দ্ৰ। ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উত্তৰ আৰু দক্ষিণে থকা না না উপনৈৰ মাজেৰে নাৱেৰে বংগদেশলৈ আৰু উত্তৰ-পূৰৰ পাটকাই পৰ্বতমালাৰ গিৰিপথেদি ব্ৰহ্মদেশৰ ইৰাৱতী নদী পাৰ হৈ চীন দেশৰ ইউনান প্ৰদেশলৈ অসমত উৎপাদিত সামগ্ৰী ৰপ্তানি হৈছিল। মুদৈ বেপাৰী বা সদাগৰ বৃত্তিৰ লোক এই বাণিজ্যিক লেন-দেনৰ সৈতে জড়িত হৈছিল। চীন, তিব্বত, ব্ৰহ্মদেশ, মণিপুৰ, উৎকল, পাটলিপুত্ৰলৈকে বেহা-বাণিজ্য চলা অসমৰ পৰা ৰপ্তানিযোগ্য প্ৰধান সামগ্ৰী আছিল - ৰেচম আৰু ৰেচমী সামগ্ৰী। ইয়াৰ উপৰি তেজপাত, লা, চামৰা, লো, ষাঁড় গৰুৰ শিং, গঁড়ৰ খৰ্গ, হাতীৰ দাঁত, কপাহী কাপোৰ আদি অসমত উৎপাদিত সামগ্ৰীৰ বিদেশৰ বজাৰত চাহিদা চকুত লগা বিধৰ আছিল। বুৰঞ্জীত লিপিবদ্ধ অসমৰ অৰ্থনৈতিক পৰিৱেশৰ ছবিখনে অসমীয়া সংস্কৃতিৰ চহকী ভাণ্ডাৰটোকে সোঁৱৰায়। সময়ৰ অগ্ৰগতিৰ লগে-লগে উত্তৰাধিকাৰসকলৰ পৰশত এই থলুৱা সংস্কৃতিৰ ন-ন ৰূপত বিকাশ ঘটিছে।

একবিংশ শতিকাতো অসমৰ বাঁহ-বেতৰ শিল্পই বিশ্বৰ বজাৰতো চাহিদা আদায় কৰি আছে। ইয়াৰ উৎকৃষ্ট প্ৰমাণ- ইংলেণ্ডৰ ৰাণী এলিজাবেথে অসমৰ মাজুলিলৈ আহি ইয়াৰ কাঠ-বাহেঁৰে নিৰ্মিত আৱাস-গৃহক ইংলেণ্ডৰ পঞ্চ তাৰকা হোটেলতকৈয়ো প্ৰশান্তিময় বুলি কৰা মন্তব্য। অসমত বিভিন্ন জাতৰ বাঁহৰ পৰা বিধে-বিধে তৈয়াৰী না না সামগ্ৰী প্ৰচলিত। আজিও বহু অসমীয়া লোকৰ ঘৰৰ বাৰাণ্ডা, চ'ৰাঘৰ, পাকঘৰ, শুৱা কোঠা সকলোতে বাঁহ-বেতেৰে তৈয়াৰী চকী, টেবুল, চোফা, খাট ইত্যাদি আচবাবে শোভা চৰাই আছে। মন কৰিবলগীয়া যে- অসমৰ বহু আপুৰুগীয়া কৃষি উপযোগী, মাছ ধৰা আদি সঁজুলিৰ ক্ষুদ্ৰ ৰূপ (micro level)ত সাজি উলিয়াই দ্বিতীয় অস্তিত্ব (second existence)ৰ ৰূপত বজাৰত যোগান ধৰা হৈছে, যিসমূহে চ'ৰাঘৰ শুৱনি কৰাৰ লগতে বাপতিসাহোন থলুৱা অসমীয়া সম্পদৰ অস্তিত্বও ৰক্ষা কৰিছে। দেশ-বিদেশৰ পৰা অহা পৰ্যটকেও এই শিল্পসমূহ ব্যয় কৰিছে। কাঠ-বাঁহেৰে নিৰ্মিত নাঙল, যুঁৱলি, জবকা, মৈ, জাকৈ, খালৈ, চেপা, পল', জুলুকি, খোকা, টঙি জাল আদি আপুৰুগীয়া সজুঁলিবোৰ ন-ন প্ৰযুক্তিৰ আগ্ৰাসনৰ প্ৰভাৱত আগন্তুক ভৱিষ্যতে অব্যৱহাৰৰ আশংকা নুই কৰিব নোৱাৰি। সেয়ে ৰাজ্যিক সংগ্ৰহালয়ত এইসমূহ সংৰক্ষণৰ পদক্ষেপ

আদৰণীয়। অসমত বাঁহেৰে সাজি উলিওৱা বাঁহী, তকা আৰু গগণাৰ চাহিদা সংগীত ক্ষেত্ৰৰ সৈতে জড়িত শিল্পী মাত্ৰেই জ্ঞাত। অসমৰ ভৌতিক সংস্কৃতিৰ গুৰুত্বপূৰ্ণ ক্ষেত্ৰ এখন অধিকাৰ কৰি থকা মুখা শিল্পৰো প্ৰাথমিক আহিলা বা ভেঁটি হ'ল- বাঁহ। গতিকে অসমত ব্যৱসায়ৰ ক্ষেত্ৰখনত বাঁহ শিল্পৰ অৱদান তাৎপৰ্যপূৰ্ণ।

বাঁহ-বেতৰ উপৰিও অসমত মৰাপাটেৰে সাজি উলিওৱা বেগ, বস্তা, সজোৱা সামগ্ৰী আদিৰ বিশেষ চাহিদা আছে। আত্ম-সহায়ক গোটসমূহত মৰাপাটেৰে তৈয়াৰী শিল্পৰ উৎপাদনেৰে মহিলাসকলক আৰ্থিকভাৱে স্বাৱলম্বী হোৱাত বিশেষভাৱে প্ৰোৎসাহিত কৰা দেখা যায়।

অসমৰ ধাতু শিল্পই আহোম যুগত বিশেষ অগ্ৰগতি লাভ কৰিছিল। সোণ, ৰূপ, লো, তীখা, তাম আদি ধাতুৰ আকৰ সংগ্ৰহ কৰি পগাই উলিওৱাৰ বাবে আহোম ৰজাই বিশেষ বৃত্তিয়াল নিয়োগৰ ব্যৱস্থা কৰিছিল। ব্ৰহ্মপুত্ৰ, দিহিং, সোৱণশিৰি আদি নৈৰ বালি পগাই সোণ উলিয়াবলৈ 'সোণোৱাল'; গাৰো-পৰ্বত, খাচিয়া-পৰ্বতৰ ৰূপ-মাটি পগাবলৈ 'ৰূপোৱাল' আৰু তিৰু-পথাৰৰ আকৰৰ পৰা লো-মাটি উলিয়াই পগাবলৈ 'তিৰুৱাল' কছাৰীসকলক নিয়োগ কৰিছিল। সোণৰ পৰা অলংকাৰ গঢ়োঁতাৰ সৰহভাগেই আছিল - কলিতা। ইয়াৰ উপৰিও কাঁহৰ সৈতে জড়িত-কঁহাৰ, পিতলৰ সৈতে জড়িত মৰীয়া আৰু অন্যান্য ধাতু - তাম, ৰাং, সীহ, দস্তা আদিৰ সৈতে জড়িত শিল্পীয়ে আহোম ৰজাৰ সাহায্যত বিভিন্ন বাচন-বৰ্তন, অয়-অলংকাৰ, মোহৰ আদি সাজি উপাৰ্জনৰ পথ মোকলাইছিল। অসমৰ সোণাৰীয়ে থলুৱা কেঁচা সোণ পগাই বিশেষ পদ্ধতিৰে অলংকাৰ সাজিছিল। সোণ, ৰূপ, তাম আৰু পিতলেৰেও অলংকাৰ সজা হৈছিল। ৰূপ আৰু তামত পতাসোণ লগাই আৰু সোণৰ পানী চৰায়ো অলংকাৰ সজা হৈছিল। সম্প্ৰতি অসমীয়া মহিলাসকলৰ মাজত 'অসমীয়া গহণা' নামেৰে পৰিচিত কেঁচা সোণেৰে তৈয়াৰী অলংকাৰবিধৰ চাহিদা চাদৰ-মেখেলাৰ চাহিদাতকৈ কম নহয়।অসমত বিবাহ-পৰ্বত জোৰোণ দিওঁতে কইনাক বহুমূলীয়া বাখৰ পতা বা বাখৰখঁজা নানা বিধ অলংকাৰ প্ৰদান কৰা পৰম্পৰাটোও সম্প্ৰতি বিশেষকৈ ফেচবুক, ইন্ষ্টাগ্ৰাম, ইউটিউৱ ইত্যাদি ডিজিটেল সামাজিক মাধ্যমৰ জৰিয়তে অধিক জনপ্ৰিয় হোৱা দেখা গৈছে। ইয়াৰ ফলত জাংফাই, থুৰীয়া, প্ৰবাল, বাখৰ, জোনবিৰি, ঢোলবিৰি, গেজেৰা, মাদলি, নেজপতা, জাপিসঁজীয়া, জেঠীনেজীয়া, লতা-বাখৰুৱা বিৰি ইত্যাদিত কৰা কাৰু-কাৰ্য কেৱল অসমীয়া ৰুচিৱান মহিলাৰ মাজতে সীমিত নাথাকি অনা-অসমীয়া লোককো আকৰ্ষণ কৰিছে। ফলত এই অলংকাৰবোৰে ক্ৰমাৎ ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় বজাৰতো স্থান লাভৰ দিশে গতি কৰিছে।

অসমৰ থলুৱা ধাতৱ শিল্পৰ ভিতৰত কাঁহ শিল্পৰ অসমীয়া জন সমাজত বিশেষ সমাদৰ আছে। আজিও অসমীয়াৰ ঘৰত অতিথি আপ্যায়নৰ বাবে কাঁহৰ কাঁহী আৰু বান বাটিকেই উচ্চ স্থান দিয়া হয়। কাঁহেৰে নিৰ্মিত কাঁহী, বাটি, মাইহাং, ঘটি, লোটা, চৰিয়া, শৰাই, সঁফুৰা, তাল, থাল, টৌ, কলহ ইত্যাদিৰ উপৰিও তুলনামূলকভাৱে কম দামৰ পিতল, তাম আদিৰেও বহু বাচন-বৰ্তন, অলংকাৰ, চ'ৰাঘৰ উপযোগী সামগ্ৰীও সাজি উলিওৱা হৈছে যিসমূহৰ চাহিদাও অন্য সামগ্ৰীতকৈ কম নহয়। অসমত লোৰে তৈয়াৰী কোৰ, দা, কাঁচি, কুঠাৰ, কটাৰী, হাতুৰী, বটালি ইত্যাদিৰ নিৰ্মাণ কুশলতাই পৰ্যটকক বিশেষভাৱে আকৰ্ষণ কৰে।

অসমৰ মানচেষ্টাৰ খ্যাত শুৱালকুছিৰ বয়ন শিল্পই বহু থলুৱা লোকৰ বাবে উপাৰ্জনৰ পথ মুকলি কৰিছে। থলুৱাভাৱে পাট, মুগা, এড়ী পলু পুহি সূতা উৎপাদন কৰি সেই সূতাৰে বিভিন্ন চানেকিৰ বিভিন্ন ধৰণৰ চাদৰ, মেখেলা, গামোচা, ৰুমাল আদি বৈ উলিওৱাৰ পৰম্পৰা পুৰণি। আকৌ, কপাহ গছৰ খেতি কৰিও সেই কপাহৰ পৰা সূতা উৎপাদনৰ থলুৱা ৰীতি অসমত প্ৰচলিত। মহাত্মা গান্ধীৰ স্বৰাজ আন্দোলনৰ ফল- খাদী বস্ত্ৰ উদ্যোগৰো অসমত সমানেই সমাদৰ আছে। অসমৰ প্ৰায় সকলো অঞ্চলতে, আনকি গুৱাহাটীৰ দৰে মহানগৰীতো বহু লোকৰ ঘৰত তাঁত-শালৰ ব্যৱহাৰ অটুত আছে। উল্লেখযোগ্য যে- সম্প্ৰতি বজাৰৰ চাহিদাৰ প্ৰতি লক্ষ্য ৰাখি পাট, মুগা, এৰী আৰু কপাহী সূতাৰ কাপোৰ মিটাৰ হিচাপত বৈ উলিয়াই দৰ্জীৰ দ্বাৰা বিভিন্ন প্ৰকাৰৰ চোলা, চুৰিদাৰ-কামিজ, কুৰ্ত্তা, ফ্ৰক, স্কাৰ্ট, গাউন, দুপাত্তা, চাৰ্ট, টপ, কোট, জেকেট ইত্যাদি পোছাক তৈয়াৰ

কৰা হৈছে। আকৌ এই কাপোৰৰ পৰা বিভিন্ন ধৰণৰ বেগ, ফাইল কভাৰ, খাৰু, কাণফুলি আদিও সাজি উলিওৱা হৈছে। অসমৰ পাট আৰু মুগাৰ দ্বাৰা তৈয়াৰী মেখেলা-চাদৰ আৰু শাৰীয়ে ইতিমধ্যেই ভাৰতবৰ্ষৰ লগতে ফ্লিপ্‌কাৰ্ট (flipcart), এমেজন (amazon) ইত্যাদি অনলাইন বজাৰ ব্যৱস্থাৰ মাধ্যমেৰে আন্তঃৰাষ্ট্ৰীয় বজাৰতো বিশেষ সমাদৰ লাভ কৰিছে। শেষতীয়াভাৱে, গামোছা আৰু থলুৱা কপাহী কাপোৰেৰে তৈয়াৰ কৰা মাস্ক (mask)-এ অসমৰ বজাৰত বিশেষ চাহিদা আদায় কৰিবলৈ সক্ষম হৈছে। মন কৰিবলগীয়া যে- অসমৰ কাপোৰত বোৱা বিভিন্ন ফুল, জাপি, শৰাই, ময়ূৰ, মগৰ, বাখৰ আৰু অন্যান্য থলুৱা কিছুমান চানেকিয়ে অনা-অসমীয়া লোককো আকৰ্ষণ কৰিছে। সেয়ে, অসম তথা ভাৰতবৰ্ষৰ বাহিৰেও বিদেশবো তেনে বহু লোকৰ চ'ৰাঘৰত বিশেষ নিপুণতাৰে তৈয়াৰ কৰা অসমৰ বোৱা কাপোৰৰ চানেকিৰে সজোৱা সামগ্ৰী (show piece)য়ে শোভা চৰাইছে। বিশ্বায়নৰ ফলত মানুহৰ মাজত হোৱা সঘন সম্পৰ্কই এনে ক্ষেত্ৰৰ মুকলিত সহায় কৰিছে।

অসম তথা সমগ্ৰ উত্তৰ-পূব ভাৰতৰ খাদ্যাভ্যাসে বিশ্বৰ প্ৰেক্ষাপটত বিশেষ জনপ্ৰিয়তা অৰ্জন কৰিছে। ভাৰতবৰ্ষ বা পৃথিৱীৰো বহু অঞ্চলৰ লোকে নোখোৱা খাদ্য এই অঞ্চলৰ খাদ্য-তালিকাৰ প্ৰধান খাদ্য স্বৰূপ। অসমৰ বিশিষ্ট থলুৱা খাদ্যৰ তালিকাখনকে সাৰোগত কৰি সম্প্ৰতি বুজন সংখ্যক থলুৱা ডেকাই স্বাৱলম্বনৰ পথ আৱিষ্কাৰ কৰিছে। অসমৰ ঠাইয়ে-ঠাইয়ে অসম তথা জনজাতীয় একোটা গোটৰ নামতো স্থাপন কৰা ৰেস্তোৰাঁজাতীয় বজাৰখনৰ চাহিদা বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। এইসমূহত অসমৰ থলুৱা সাংস্কৃতিক সম্পদ- কাঁহৰ কাঁহী, বাটি, গিলাচ আদি বা কলপাত, ডোঙা, বাঁহৰ চুঙা আদি পাত্ৰত ভাত, মাছ, মাংস, আচাৰ, জলপানকে আদি কৰি বিধে-বিধে ৰন্ধা থলুৱা খাদ্যসমূহ পৰিৱেশন কৰা হৈছে। দৈনিক অসংখ্য দেশী-বিদেশী পৰ্যটকৰ আহাৰ গ্ৰহণৰ জৰিয়তে এই ৰেস্তোৰাঁসমূহৰ দ্বাৰা অসমৰ অৰ্থনৈতিক ক্ষেত্ৰখন ইতিবাচকভাৱে লাভান্বিত হৈছে। তদুপৰি ভোগালী আৰু ৰঙালী বিহুৰ সময়ছোৱাতো নেড্‌ফি (North Eastern Development Finance Corporation Limited or NEDFI)ৰ উদ্যোগত আৰু বিভিন্ন সংগঠনৰ উদ্যোগত আয়োজিত মেলাসমূহতো পিঠা-লাডু, বৰা-জহা চাউল-চিৰা গৰু-মহ'ৰ দৈ, গাখীৰ, হুৰুম ইত্যাদিৰ বিক্ৰীৰ পৰা আৰম্ভ কৰি জলপান, হাঁহ-পাৰ-স্থানীয় কুকুৰাৰ মাংস, বেত গাঁজ খৰিচা, পাতত দিয়া মাছ ইত্যাদিলৈকে সকলো থলুৱা খাদ্যৰ জুতি দিয়াৰ ব্যৱস্থা কৰা হয়। অসমৰ জনজাতিসমূহৰ মাজত থলুৱাভাৱে চাউল বা ফলৰ ৰসেৰে উৎপাদিত পানীয় পৰ্যটকসকলৰ বাবে এক বিশেষ আকৰ্ষণ। থলুৱা যুৱকক সংস্থাপনৰ উপায় দিয়াৰ লগতে এনে ব্যৱস্থাই বিদেশী লোকক অসমীয়া সংস্কৃতিৰ প্ৰতি আকৰ্ষণ কৰিছে। শেহতীয়াভাৱে মনোৰম গগৈ ডাঙৰীয়াৰ প্ৰচেষ্টাত মুকলি কৰা 'থলগিৰি' বিপণী, দেৰাংগ পল্লৱ শইকীয়া ডাঙৰীয়াৰ 'খাৰখোৱা' ইত্যাদি বিপণীয়ে অসমীয়া থলুৱা খাদ্য-সম্ভাৰৰ প্ৰতি চাহিদাৰ বজাৰখন অধিক জনপ্ৰিয় কৰি তুলিছে।

অসমৰ সংস্কৃতিৰ ক্ষেত্ৰখনত পৰিৱেশ্য কলাৰ এক অভূতপূৰ্ব গুৰুত্ব বৰ্তমান। অসমৰ ইতিহাসত পৰিৱেশ্য কলাৰ মাৰ্গীয় (classical) আৰু লোক (folk) হিচাপে দুটা ভাগৰ প্ৰচলন পোৱা যায়। দেৱদাসী, ওজা-পালি, সত্ৰীয়া আদি সংগীত ভাৰত চৰকাৰৰ দ্বাৰা মাৰ্গীয় সংগীত হিচাপে স্বীকৃত হৈছে। বিহু নৃত্য-গীত, বাগৰুম্বাকে আদি কৰি সকলো জনজাতীয় নৃত্য-গীত লোক গীতৰ অন্তৰ্ভুক্ত। জিকিৰ-জাৰী, আই নাম, বিয়া নাম, জনা গাভৰুৰ গীত ইত্যাদি হ'ল- লোক গীত। সংগীতৰ প্ৰতি বিশেষ অনুৰাগ থকা আহোম স্বৰ্গদেউ ৰুদ্ৰ সিংহই ঢুলীয়া, খুলীয়া, মৃদঙ্গীয়া, নেগেৰীয়া, কালীয়া, খুঁটিতালীয়া, নাচনিয়াৰ, বিয়াহ-গোৱা, বীণোৱা, পদ গোৱা আদি খেলৰ সংগীত চৰ্চা অব্যাহত ৰখাৰ বাবে 'গায়নৰ বৰুৱা' নামে এটা পদ সৃষ্টি কৰি এই বিষয়াগৰাকীৰ হাতত দায়িত্ব অৰ্পণ কৰিছিল বুলি জনা যায়। ৰজাই সত্ৰীয়া পৰিৱেশত ৰচিত অৰ্থাৎ বৰগীত, নৃত্য, ভাওনা আদিৰো বিশেষভাৱে পৃষ্ঠপোষকতা কৰিছিল। 'নাচনিয়াৰ' খেল পাতি চালি-নাচ, নটুৱা-নাচ, গোপী-নাচ, ৰাসৰ নাচ, সূত্ৰধাৰী নাচ আদি ৰাজসভাত প্ৰদৰ্শনৰ ব্যৱস্থা কৰিছিল। অসমৰ বুৰঞ্জীসমূহ অধ্যয়নৰ জৰিয়তে অসমৰ পৰিৱেশ্য কলা কিমান ঐতিহ্যশালী আৰু বৈচিত্ৰ্যপূৰ্ণ আছিল জানিব পাৰি। একবিংশ

শতিকাৰ বিশ্বত সংগীতো এক জন-সংযোগৰ গুৰুত্বপূৰ্ণ মাধ্যম হৈ পৰিছে। বিহু নৃত্যও মুকলি পথাৰৰ পৰা আহি দ্বিতীয় অস্তিত্ব (second existence)ৰ ৰূপত মঞ্চত অভিনয় তথা অংগী-ভংগীৰ গুৰুত্বৰে শেষত তৃতীয় অস্তিত্ব (third existence)ৰ ৰূপত প্ৰকৃতিৰ সৈতে সম্পৰ্কৰহিত নিৰ্দেশনা অৰ্থাৎ direction-নিৰ্ভৰ কলাৰূপে প্ৰতিষ্ঠিত হৈছে। সম্প্ৰতি অসমৰ লোক-বাদ্যসমূহৰ দলীয় প্ৰদৰ্শনেৰে ফ'ক অৰ্কেষ্ট্ৰা (folk orchestra) হিচাপে আৰু লোকগীতসমূহো আধুনিক প্ৰযুক্তিৰ সংযোগেৰে ফ'কট্ৰনিকা (folktronica)ৰ মাধ্যমত উপস্থাপনৰ এক নতুন কৌশল সংযোজিত হৈছে। এইসমূহ ভিডিঅ' বা বাণীবদ্ধকৰণৰ জৰিয়তে সংৰক্ষণ কৰাৰ লগতে ইয়াৰ সৈতে ব্যৱসায়িক দিশটোৰো সংযোগ ঘটিছে। অসমৰ জনসংখ্যাৰ এক বুজন সংখ্যক লোক পৰিৱেশ্য কলাৰ সৈতে জড়িত বা এই শিল্পই তেওঁলোকৰ একমাত্ৰ উপাৰ্জনৰ পথ। ইতিমধ্যেই অসমৰ বিহু নৃত্য-গীত আৰু জনগোষ্ঠীয় নৃত্য-গীত বিশ্বত উপস্থাপন কৰি অসমৰ বহু শিল্পী প্ৰশংসিত হৈছে। অসমত নৱবৈষ্ণৱ ধৰ্মৰ প্ৰচাৰক মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ সৃষ্ট অংকীয়া নাট আৰু সত্ৰীয়া সংগীতেবিশ্বৰ দৰবাৰত দৰ্শকক আকৰ্ষণ কৰিছে। অংকীয়া নাটসমূহৰো মূলৰ হানি নঘটোৱাকৈ আধুনিক যুগৰ দৰ্শকৰ চাহিদাৰ প্ৰতি লক্ষ্য ৰাখি বিশেষ কলা-কুশলতাৰে আধুনিক মঞ্চ উপযোগী উপভোগ্য নাটৰূপে প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হৈছে। সম্প্ৰতি অসমত চিনেমা উদ্যোগতকৈয়ো থিয়েটাৰ বা নাটক, ভ্ৰাম্যমান থিয়েটাৰ, বাটৰ নাট, মুকাভিনয় আদিয়ে অধিক জনপ্ৰিয়তা অৰ্জন কৰিছে। একোখন থিয়েটাৰ উদ্যোগৰ সৈতে অভিনেতা, সংগীতজ্ঞকে আদি কৰি বিভিন্ন কলা-কুশলী জড়িত হৈ শিল্প চৰ্চাৰ লগতে উপাৰ্জনৰ পথ সুগম কৰিব পাৰিছে।

বিশ্বায়নে প্ৰভাৱিত কৰা অসমীয়া সংস্কৃতিত নিতৌ নন কলাৰ সংযোজন ঘটিছে আৰু শিল্প চৰ্চাৰ অন্যতম ক্ষেত্ৰ ৰূপে বিকশিত হৈছে। বিশ্ব ঐতিহ্য ক্ষেত্ৰ মাজুলিৰ মুখা শিল্পয়ো অসমত ব্যৱসায়িক দিশেৰে বিশেষ সফলতা অৰ্জন কৰিছে। সাম্প্ৰতিক সময়ত ৰূপ চৰ্চা বা প্ৰসাধনৰ চৰ্চা, ফটোগ্ৰাফী ইত্যাদি কলাৰ সৈতে জড়িত হৈয়ো বহু যুৱক-যুৱতী স্ব-নিয়োজিত হৈছে।

প্ৰকৃততে এখন দেশ বা এটা অঞ্চলৰ সংস্কৃতি কেতিয়াও একে হৈ নাথাকে। উন্নত যাতায়ত, যোগাযোগ ব্যৱস্থা আদিৰ ফলত সঘনে হোৱা জন প্ৰব্ৰজন, অনলাইন ব্যৱস্থাৰ প্ৰয়োগ ইত্যাদিয়ে সাম্প্ৰতিক বিশ্বখনকে চমুৱাই আনিছে। এনে অৱস্থাৰ পৰিপ্ৰেক্ষিতত পৃথিৱীৰ প্ৰত্যেকখন সমাজেই পৰস্পৰ সংস্পৰ্শলৈ অহা সমাজৰ ৰীতি-নীতি, আচাৰ-অনুষ্ঠান, পোছাক-পৰিচ্ছদ, ব্যৱহাৰ্য সামগ্ৰী, কথন-প্ৰণালী, জীৱন-জীৱিকাৰ ক্ষেত্ৰ ইত্যাদি সমুদায় দিশৰ পৰাই প্ৰভাৱিত হোৱাটো স্বাভাৱিক। অসমীয়া সংস্কৃতিও ইয়াৰ ব্যতিক্ৰম নহয়। অসমীয়া সংস্কৃতিত বিশ্বায়নৰ প্ৰভাৱ পৰিছে যদিও অসমৰ মূল সুঁতি বা সাংস্কৃতিক ঐতিহ্যৰ মূল উৎসটো এতিয়াও অটুত আছে। ব্যৱসায়ৰ উদ্দেশ্যে কলা-সংস্কৃতিক যেনেদৰে কৌশলগতভাৱে ব্যৱহাৰ কৰা হৈছে, এই ব্যৱস্থাই অসমীয়া সংস্কৃতিৰ সংৰক্ষণ আৰু সংবৰ্ধনত ইতিবাচকভাৱেই ভূমিকা লৈছে। ক'ৰবাত কেতিয়াবা হোৱা খেলি-মেলি জ্যেষ্ঠসকলৰ দিহা-পৰামৰ্শেৰে শুধৰাই লোৱা হৈছে। বিজ্ঞান আৰু প্ৰযুক্তিৰ যুগত কলাৰ চৰ্চাক ব্যৱসায়ভিত্তিক কৰি তোলাটো সময়ৰ আহবান বুলিয়েই স্বীকাৰ কৰিব লাগিব। অসমত প্ৰশিক্ষিত কৰ্মবাহিনী গঠনৰ জৰিয়তে থলুৱাভাৱে সম্ভাৱনাময় ক্ষেত্ৰসমূহ উলিয়াই পৰিকল্পিতভাৱে তথা বিজ্ঞানসন্মতভাৱে জীৱিকাৰ ক্ষেত্ৰ গঢ়ি তোলাৰ বহু সমল পৰি আছে। যেনে- অসমত বিশেষকৈ মীনপালন, দুগ্ধ উৎপাদন, পশুপালন, বনৌষধ বা ভেষজ দ্ৰব্য উৎপাদন ইত্যাদিত চৰকাৰৰ উদ্যোগত আৰু স্থানীয় লোকৰ সহযোগত আগবঢ়াৰ যথেষ্ট থল বৰ্তমান। অসমৰ দৰে বৈচিত্ৰ্যযুক্ত সাংস্কৃতিক সমলেৰে ভৰপূৰ অঞ্চল এটিক আধুনিক বিশ্বত যথোপযুক্ত ৰূপত উপস্থাপন কৰাৰ ক্ষেত্ৰত ইয়াৰ আৱাসীসকলৰ যথেষ্ট কৰণীয় আছে। স্থানীয়ভাৱে একগোট হৈ পৰিকল্পনাৰ জৰিয়তে এনে আঁচনি আমিও তৈয়াৰ কৰিব নোৱাৰোঁনে!

❖❖❖

# শেষ মধ্যযুগীয়া অসমৰ ৰাজনৈতিক দৃশ্যপট

**ড° পঙ্কজ কলিতা**
সহকাৰী অধ্যাপক, ৰসায়ন বিভাগ
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

মধ্যযুগৰ প্ৰথম ভাগৰ পৰাই ভাৰতত তুৰ্কীসকলে প্ৰৱেশ কৰে আৰু এনে এটা দিন আহে যে সমগ্ৰ ভাৰত ভূমিতে তুৰ্কীসকলে প্ৰভাৱ বিস্তাৰ কৰে। তুৰ্কীসকলৰ পৰাক্ৰমৰ পৰা উত্তৰ-পূৱ ভাৰতো বাদ পৰি যোৱা নাছিল। ১২০৬ খ্ৰীঃত বখতিয়াৰ খিলজীয়ে ধৰ্মপালৰ কামৰূপৰ ৰাজধানী উত্তৰ গুৱাহাটী আক্ৰমণ কৰে। এই আক্ৰমণেই আছিল তুৰ্কীসকলৰ প্ৰথম কামৰূপ আক্ৰমণ। ইয়াৰ পিছত ১২২৭ খ্ৰীঃত দিল্লীৰ চুলতান ইলতুৎমিছ্ৰ নিৰ্দেশত বংগৰ নবাব গিয়াচউদ্দিনে কামৰূপ আক্ৰমণ কৰে যদিও ৰজা পৃথুৰ হাতত পৰাজিত হয়। কিন্তু এবছৰ পিছতে, ১২২৮ খ্ৰীঃত, বংগৰ নবাব নাচিৰ উদ্দিনে পুনৰ কামৰূপ আক্ৰমণ কৰি পৃথুক হত্যা কৰে। কিন্তু অসমৰ ভৌগোলিক অৱস্থানৰ বাবে কামৰূপ বংগৰ শাসনৰ অধীনৰ পৰা মুক্ত থাকে। এফালে নাচিৰ উদ্দিনৰ হাতত পৃথু নিহত হয় আনফালে ১২২৮ খ্ৰীঃতে খামজানত চুকাফা উপস্থিত হৈ ব্ৰহ্মপুত্ৰ উপত্যকাৰ নতুন ৰাজনৈতিক সমীকৰণ সৃষ্টি কৰে। ১২৫৫ খ্ৰীঃত কামৰূপৰ ৰজা সন্ধ্যাৰ ৰাজত্ব কালত বংগৰ নবাব ইখতিয়াৰউদ্দিন মালিক উজবেক তুঘ্ৰিল খানে কামৰূপ আক্ৰমণ কৰে আৰু ইয়াৰ পিছতে ৰজা সন্ধ্যাই ৰাজধানী উত্তৰ গুৱাহাটীৰ পৰা কমতাপুৰলৈ স্থানান্তৰ কৰে।

আহোমৰ প্ৰথম ৰজা চুকাফাৰ ৰাজত্বকালত চুবুৰীয়া কছাৰী জাতিৰ লগত কোনো সংঘাত হোৱা নাছিল। কিন্তু চুকাফাৰ পুত্ৰ চুতেউফাই কছাৰীসকলক চাৰিঙলৈ খেদি পঠায়। সুদীৰ্ঘ দুশ বছৰ আহোম আৰু কছাৰীৰ কোনো সংঘাত নোহোৱাকৈ থাকে; ১৪৯০ খ্ৰীঃত ৰজা চুহেনফাৰ দিনত আহোম আৰু কছাৰীৰ পুনৰ ৰণ লাগে, ৰণত হাৰি আহোমে কছাৰীৰ লগত মিত্ৰতা কৰে। লক্ষণীয় ভাৱে ১৫২৭ খ্ৰীঃতহে স্বৰ্গনাৰায়ণ (চুহুংমুং)ৰ দিনত মুছলমান শক্তিয়ে আহোম ৰাজ্য আক্ৰমণ কৰে। পুনৰ ১৫৩৩ খ্ৰীঃত বংগৰ সেনাপতি তুৰ্বকৰ অধীনত বিশাল সেনাই প্ৰথমবাৰৰ বাবে আহোম ৰাজ্যত খাৰ বাৰুদ ব্যৱহাৰ কৰি স্বৰ্গনাৰায়ণৰ পুত্ৰ চুক্লেংমুঙৰ সৈন্য বাহিনীত হাঁহাকাৰৰ সৃষ্টি কৰে যদিও আহোম সেনা বৃহৎ ক্ষতিৰ পৰা ৰক্ষা পৰে। স্বৰ্গনাৰায়ণৰ কালছোৱাকে আহোম ৰাজত্বৰ সোণালী যুগ বুলি ধৰা হয়— এই কালছোৱাত আহোম ৰাজ্যৰ সীমা পূৱে পাটকাই আৰু শদিয়াৰ পৰা আৰম্ভ কৰি পশ্চিমে কৰতোৱা নৈ লৈকে আছিল। উত্তৰে ভূএগ্ৰাসকল ৰাজ্যৰ পৰা কলং নৈ লৈকে আহোম ৰাজ্য আছিল।

১৫৩৬ খ্ৰীঃত আহোম কছাৰী ৰাজ্য আক্ৰমণ কৰি ৰাজধানী ডিমাপুৰ ধ্বংস কৰে, কছাৰীসকল ভটিয়াই গৈ মাইবঙত ৰাজধানী পাতে। ১৫৪৬ খ্ৰীঃত কোচৰজা নৰনাৰায়ণে চুক্লেংমুঙৰ লগত যুদ্ধত অৱতীৰ্ণ হয় আৰু ১৫৬২ চনত চিলাৰায়ে আহোম ৰাজধানী গড়গাঁও অধিকাৰ কৰাত সফল হয়। ফলত ৰজা চুখামফাই কোচ ৰজাৰ লগত সন্ধি কৰিবলগীয়া হয়; সন্ধিমতে ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ গোটেই আহোম ৰাজ্য কোচ ৰজাক এৰি দিব লগা হয়। ১৫৬৬ আৰু ১৫৭১ খ্ৰীঃত দুবাৰ পুনৰ আহোম ৰাজ্য আক্ৰমণ কৰি নৰনাৰায়ণ ব্যৰ্থ হয়।

১৫৮১ খ্ৰীঃত চিলাৰায়ৰ মৃত্যুৰ পিছত কোচ ৰাজ্য দুভাগ হয়। ১৫৮৫ খ্ৰীঃত বিভাজিত কোচ হাজোৰ ৰজা ৰঘুদেৱে নিজৰ ভনীয়েকক আহোম ৰজা চুখামখা বা খোৰা ৰজাৰ লগত





বিয়া দি আহোম আৰু কোচ ৰাজ্যৰ মিত্ৰতা কৰিবলৈ প্ৰয়াস কৰে। ১৬০৬ খ্ৰীঃত আহোম আৰু কছাৰীৰ পুনৰ যুদ্ধ হয় যদিও মোগলৰ আগমনৰ সংবাদ পাই আহোম-কছাৰীৰ পুনৰ মিত্ৰতা হয়। ১৬০৮ খ্ৰীঃত কোচ হাজোৰ ৰজা পৰীক্ষিত নাৰায়ণে নিজৰ জীয়েক মঙ্গলদৈ কুঁৱৰীক আহোম ৰজা প্ৰতাপ সিংহলৈ (চুচেংফা) বিয়া দি কোচ আৰু আহোমৰ মিত্ৰতা গাঢ় কৰে। এনে এক মধুৰ সময়ৰ মাজতে ১৬১৫ খ্ৰীঃত বংগৰ নবাব চেখ কাচিম খানৰ সেনাই কোচ হাজো দখল কৰে। তাৰ পিছত ১৬১৫ খ্ৰীঃতে সেনাপতি চৈয়দ হাকিম আৰু চৈয়দ আবুবক্কাৰৰ অধীনত বিশাল সেনাবাহিনীয়ে আহোম ৰাজ্য আক্ৰমণ কৰে যদিও আহোম সেনাৰ হাতত পৰাজিত হয়। কিন্তু ১৬৩৭ চনত বংগৰ সেনাপতি জৈনুদ্দিনে কোচ ৰজা প্ৰতাপ নাৰায়ণৰ লগ লাগি আহোম সৈন্যক আক্ৰমণ কৰি কলংপাৰৰ কাজলী দুৰ্গ অধিকাৰ কৰে। কিন্তু আহোম সৈন্যই দুৰ্গটো পুনৰুদ্ধাৰ কৰিবলৈ সক্ষম হয় আৰু ১৬৩৯ চনত দুয়ো পক্ষৰ সন্ধি স্থাপন হয়—সন্ধিমতে উত্তৰ পাৰে বৰনদী আৰু দক্ষিণ পাৰে অসুৰৰ আলি দুই ৰাজ্যৰ সীমা নিৰ্ধাৰণ কৰা হয়।

সুদীৰ্ঘ কুৰি বছৰ পিছত ১৬৫৭ খ্ৰীঃত জয়ধ্বজ সিংহ (চুতামলা) ই মিৰ্জা লৎফুল্লা চিৰাজীক আঁতৰাই গুৱাহাটী, পাণ্ডু আৰু শৰাইঘাট উদ্ধাৰ কৰে। কিন্তু আহোমে বেছিদিন গুৱাহাটী ধৰি ৰাখিব নোৱাৰিলে—১৬৬১ খ্ৰীঃত বংগৰ নবাব মিৰজুমলাই কোচ ৰাজ্য দখল কৰি ১৬৬২ খ্ৰীঃৰ ৪ ফ্ৰেব্ৰুৱাৰীত গুৱাহাটী অধিকাৰ কৰে। ইয়াৰ পিছত মিৰজুমলাই উজাই গৈ ১৬৬২ চনৰে ১৭ মাৰ্চত আহোমৰ ৰাজধানী গড়গাঁও অধিকাৰ কৰি পোন প্ৰথমবাৰৰ বাবে সমগ্ৰ ব্ৰহ্মপুত্ৰ উপত্যকাত মোগল শাসনৰ অধীন কৰে। কিন্তু আহোমৰ ৰাজ্যত মিৰজুমলাবাহিনী বেছিদিন তিষ্ঠি থাকিব নোৱাৰিলে। ভৌগোলিক পৰিৱেশ আৰু আহোমৰ ছায়াযুদ্ধই মিৰজুমলাক ১৬৬৩ খ্ৰীঃৰ ২২ জানুৱাৰীত আহোমৰ লগত সন্ধি কৰিবলৈ বাধ্য কৰে। টিপামৰ ঘিলাধাৰী ঘাটৰ এই সন্ধিমতে ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে ভৰালী দক্ষিণে কলং নৈয়ে আহোম আৰু মোগলৰ সীমা নিৰ্ধাৰণ হয়। এই সন্ধিৰ মাত্ৰ চাৰি বছৰ পিছতে ১৬৬৭ খ্ৰীঃত চক্ৰধ্বজ সিংহৰ নিৰ্দেশত লাচিত বৰফুকনৰ নেতৃত্বত আহোম সেনাই পাণ্ডু আৰু গুৱাহাটী অধিকাৰ কৰে। এই ঘটনাৰ পিছত চৈয়দ ফিৰোজ আৰু চৈয়দ চানাৰ অধীনত মোগলৰ বিশাল বাহিনী আহি মানাহমুখ পায়। মানাহত আহোম আৰু মোগলৰ তুমুল ৰণ হয় আৰু মোগলৰ পৰাজয়ৰ পিছতে মানাহলৈ আহোম ৰাজ্য বিস্তাৰিত হয়। মোগলৰ এই পৰাজয়ত সম্ৰাট ঔৰংজেৱ জাঙুৰ খাই উঠে আৰু ৰাম সিংহৰ নেতৃত্বত সুবিশাল বাহিনী অসমলৈ পঠায়। ১৬৭১ খ্ৰীঃত বিখ্যাত শৰাইঘাটৰ যুদ্ধ হয় আৰু ৰাম সিংহ পৰাজিত হৈ হাদিৰাচকীত আশ্ৰয় লয়। এই যুদ্ধৰ পিছতে মানাহ নৈয়ে আহোম আৰু মোগলৰ শেষ সীমা নিৰ্ধাৰিত হয়। ১৬৮২ খ্ৰীঃত গদাধৰ সিংহ (চুপাতপা)ৰ ৰাজত্ব কালত ইটাখুলিত আহোম আৰু মোগলৰ পুনৰ যুদ্ধ হয় আৰু আহোম সৈন্যই মোগলক খেদি খেদি গৈ মানাহ নদী পাৰ কৰি থৈ আহে। ইটাখুলিৰ এই ৰণেই আহোম আৰু মোগলৰ শেষ ৰণ। এই ৰণৰ পিছত মানাহ নৈ লৈকে আহোমৰ সীমা বিস্তাৰিত হয়। ১৭০৬ খ্ৰীঃত ৰুদ্ৰ সিংহই কছাৰী ৰাজ্য আক্ৰমণ কৰি মাইবং অধিকাৰ কৰি কছাৰী ৰাজ্য আহোমৰ অধীন কৰে। এনেদৰে বৰাকলৈ আহোম ৰাজ্য বিস্তাৰিত হয়। সুদীৰ্ঘ সময় কোনো বৰ্হিঃ আক্ৰমণৰ পৰা মুক্ত আহোম ৰাজ্যত মোৱামৰীয়া বিদ্ৰোহ চূড়ান্ত সীমাত উপনীত হয় আৰু আভ্যন্তৰীণ বিদ্ৰোহ দমনৰ উপায় বিচাৰি ১৭৯২ খ্ৰীঃত গৌৰীনাথ সিংহ (চুহিৎপংফা) ই বৃটিছৰ সহায় ভিক্ষা কৰে। এই আহ্বানৰ সঁহাৰি জনাই ১৭৯২ খ্ৰীঃৰে চেপ্টেম্বৰ মাহত কেপ্তেইন ৱেলচৰ নেতৃত্বত বৃটিছ সৈন্যই অসমত প্ৰৱেশ কৰে। ১৭৯৪ খ্ৰীঃত ইংৰাজ সৈন্যৰ সহায়ত গৌৰিনাথে বিদ্ৰোহীৰ পৰা ৰংপুৰ উদ্ধাৰ কৰে। ইয়াৰ পিছতে বৃটিছে অসম ত্যাগ কৰে আৰু গৌৰীনাথ যোৰহাটত নতুন ৰাজধানী পাতে। কিছুবছৰ বিৰতিৰ পিছত আহোম ৰাজ্যলৈ গভীৰ সংকট নামি আহে যেতিয়া ১৮১৭ খ্ৰীঃৰ মাৰ্চ মাহত বদন চন্দ্ৰৰ লগ হৈ মান সেনাই আহোম ৰাজ্য আক্ৰমণ কৰে। কিন্তু মান সেনা মাত্ৰ এমাহ থাকি চন্দ্ৰকান্ত সিংহক ৰজা পাতি ধন-সোণ লৈ নিজ দেশলৈ উভতি যায়। দুবছৰ পিছত, ১৮১৯ খ্ৰীঃৰ ফেব্ৰুৱাৰী মাহত আলুমিঙ্গিৰ নেতৃত্বত মান সেনাই দ্বিতীয়টো আক্ৰমণ কৰে। আলুমিঙ্গি উভটি যোৱাত ১৮২১ খ্ৰীঃৰ মাৰ্চ মাহত মিঙ্গিমাহা তিলোৱাৰ নেতৃত্বত মানৰ তৃতীয়তো আক্ৰমণ হয়। তিলোৱাই যোগেশ্বৰ সিংহক নামমাত্ৰ ৰজা পাতি ৰাজশাসন কৰিবলৈ ধৰিলে। ইফালে ১৮২২ খ্ৰীঃত চন্দ্ৰকান্ত সিংহই গুৱাহাটী পুনৰ নিজৰ অধীন কৰাৰ সময়তে মিঙ্গিমাহা বান্দুলাৰ নেতৃত্বত বিশাল

মান সেনা আহি মহগড়ত চন্দ্ৰকান্ত সিংহৰ লগত তুমুল ৰণত লিপ্ত হয়। ৰণত পৰাজিত হৈ চন্দ্ৰকান্ত সিংহ ইংৰাজ ৰাজ্যলৈ পলাই যায়। ইয়াৰ পিছত মান সেনাই ইংৰাজ ৰাজ্যত অনাধিকাৰ প্ৰৱেশ কৰাত ১৮২৪ খ্ৰীঃৰ ২৪ মাৰ্চ তাৰিখে কৰ্ণেল ৰিছাৰ্ডৰ অধীনত এদল সৈন্য আহি গুৱাহাটী অধিকাৰ কৰাত মান সেনা পিছুৱাই যায়। ১৮২৫ খ্ৰীঃৰ জানুৱাৰী মাহত মানৰ প্ৰধান ঘাটি মৰামুখ ইংৰাজে অধিকাৰ কৰে। তাৰ পিছতে ইংৰাজে যোৰহাট নগৰ দখল কৰে। ১৮২৬ খ্ৰীঃৰ ২৯ জানুৱাৰীত ইংৰাজে ৰংপুৰ অধিকাৰ কৰাৰ পিছতে সম্পূৰ্ণ আহোম ৰাজ্য ইংৰাজৰ অধীনলৈ যায়। ইংৰাজ সেনাই ইয়াৰ পিছতে ব্ৰহ্মদেশৰ ইয়াণ্ডাবু নগৰ অধিকাৰ কৰে, ফলত মান ৰজাই বাধ্য হৈ সন্ধিৰ প্ৰস্তাৱ আগবঢ়ায়। ১৮২৬ খ্ৰীঃৰ ২৪ ফেব্ৰুৱাৰীত ইয়াণ্ডাবু নগৰত সম্পাদিত হোৱা ইংৰাজ আৰু মানৰ এই সন্ধিক্ষণেই 'ইয়াণ্ডাবু সন্ধি' নামে জনাজাত—এই সন্ধিৰ চৰ্তমতে ইংৰাজে মান ৰজাৰ পৰা আহোম ৰাজ্য লাভ কৰে। ইয়াৰ পিছতে ইংৰাজে বৰাক-ব্ৰহ্মপুত্ৰ উপত্যকাত 'আসাম' নামেৰে ইংৰাজ শাসিত অঞ্চল সৃষ্টি কৰে। ১৮৩২ চনত কছাৰী ৰাজ্য আৰু ১৮৩৫ চনত জয়ন্তীয়া ৰাজ্যক এই অঞ্চলৰ অন্তৰ্ভুক্ত কৰে। লাহে লাহে সময়ৰ গতিত আসামে আধুনিক যুগলৈ গতি কৰে।

শেষ মধ্য যুগৰ পৰা আধুনিক যুগলৈ প্ৰবাহিত এই গতিলৈ মন কৰিলে দেখা যায় যে শেষ মধ্যযুগীয়া ব্ৰহ্মপুত্ৰ উপত্যকাত কোনো জাতিয়ে দীৰ্ঘদিন ধৰি একেৰাহে ৰাজত্ব কৰিব পৰা নাছিল। যদিও উজনিৰ এক নিৰ্দিষ্ট ভূ-খণ্ডত সুদীৰ্ঘ দিন ধৰি আহোম ৰাজত্ব আছিল, আহোম ৰাজ্য অভেদ্য নাছিল। মিৰজুমলা আৰু নৰনৰায়ণৰ আহোম ৰাজ্য বিজয়ে তাক প্ৰমাণ কৰে। ৰজা সন্ধাৰ ৰাজত্বকাললৈ উত্তৰ গুৱাহাটীয়েই কামৰূপৰ ৰাজধানী আছিল। যিয়ে পৰৱৰ্তী সময়ত কামৰূপ - কমতা নাম লৈছিল। সময়ৰ সোঁতত কামৰূপ নামটো আঁতৰি কেৱল 'কমতা' হৈছিল যাৰ প্ৰাণকেন্দ্ৰ কোচবিহাৰ হৈছিল। কিন্তু পিছলৈ কমতাপুৰ ভাগ হৈ কোচবিহাৰ আৰু কোচহাজো নামে পৃথক ৰাজ্য হৈছিল। কোচ ৰাজ্য দুৰ্বল হোৱাত এফালে মোগলে ব্ৰহ্মপুত্ৰ উপত্যকাত প্ৰভুত্ব বিস্তাৰ কৰিছিল, আনফালে আহোম ৰাজ্যও নামনিলৈ সম্প্ৰসাৰিত হৈছিল। পিছলৈ গুৱাহাটীৰ ৰাজত্ব এক সন্মানৰ চিন হৈ পৰিছিল। সময়ে সময়ে গুৱাহাটী মোগল শাসনৰ অধীন হৈছিল আৰু সময়ে সময়ে আহোম শাসনৰ। ইটাখুলিৰ যুদ্ধৰ পিছত যদিও এৰ সুদীৰ্ঘ সময় আহোমে গুৱাহাটী দখল কৰিছিল, মানৰ আক্ৰমণৰ পিছতে কিন্তু ইংৰাজৰ অধীন হৈছিল। এই আলোচনাত এটা কথা স্পষ্ট হয় যে প্ৰাচীন, মধ্যযুগীয়া আৰু আধুনিক অসমৰ ৰাজনৈতিক পৰিসীমাৰ বৃহৎ পাৰ্থক্য আছে। শেষ মধ্যযুগত ব্ৰহ্মপুত্ৰ উপত্যকাত বিভিন্ন জাতিৰ শাসন প্ৰচলিত হৈছিল। শেষ মধ্যযুগত আহোম, মোগল, মান আদি বিভিন্ন শক্তিশালী জাতিৰ লোক আহি বৃহত্তৰ অসমীয়া জাতিৰ লগত মিলিত হয়। মধ্যযুগৰ শেষত আহোমৰ শক্তি ক্ষয় নোহোৱা হ'লে অসমৰ ইতিহাসে অন্য ৰূপ পালেহেঁতেন; হয়তো ইংৰাজে অসম ভূমিত প্ৰৱেশ নকৰিলেহেঁতেন আৰু আধুনিক অসমৰ ৰাজনৈতিক পৰিৱেশ বেলেগ হ'লহেঁতেন।

❖❖❖

প্ৰসংগপুথি ঃ

১। কামৰূপৰ বুৰঞ্জী, সূৰ্য্য কুমাৰ ভূঞা, ১৯৫৮, বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ, অসম।

২। কছাৰী বুৰঞ্জী, সূৰ্য্য কুমাৰ ভূঞা, ১৯৫১, বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ, অসম।

৩। তুংখুঙীয়া বুৰঞ্জী, সূৰ্য্য কুমাৰ ভূঞা, ১৯৯০, বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ, অসম।

৪। সাতসৰী অসম বুৰঞ্জী, সূৰ্য্য কুমাৰ ভূঞা, ১৯৭৪, গুৱাহাটী বিশ্ববিদ্যালয়।

৫। A history of Assam, Sir Esward Gait, 1906, Thacker, Spring and Co.

৬। Minhaj-e-Siraj, Tabaqat-i-Nasiri, vol. I, (tr.) by Major H. Raverty, 1980, London.








# বাৰ্মুদা ত্ৰিভুজৰ ৰহস্য আৰু বহুতো নজনা তথ্য!

হীৰকজ্যোতি কলিতা
স্নাতক চতুৰ্থ ষাণ্মাসিক
ইতিহাস বিভাগ
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

শ, হেজাৰ বছৰৰ পৰা এটুকুৰা ৰহস্যময়ী ঠাই হিচাপে আটলাণ্টিক মহাসাগৰৰ বাৰ্মুদা ত্ৰিভুজ চিৰপৰিচিত। ফ্লৰিডা, বাৰ্মুদা আৰু puerto Ricoৰ মাজৰ ঠাইখিনিয়েই ৰহস্যময়ী বাৰ্মুদা ত্ৰিভুজ। ১৮৭২ চনৰ "the mery" জাহাজৰ পৰা আৰম্ভ কৰি ২০১৫ ৰ ব্ৰিটিছ বিমান সন্ধানহীন হোৱালৈ প্ৰায় ১০০ খনতকৈও অধিক জাহাজ, উৰাজাহাজ আৰু ১০০০ তকৈও অধিক মানুহ নোহোৱা হৈছে।

কিন্তু বৰ্তমান সময়ত বহু কেইজন বিজ্ঞানীয়ে ইয়াৰ ৰহস্য ভেদ কৰাত সফল হৈছে।

তেওঁলোকে কিছুমান যুক্তিসংগত তথ্যৰে ইয়াৰ ৰহস্য ভেদ কৰিবলৈ চেষ্টা কৰিছে।

**জ্বালামুখীৰ অৱস্থিতি**

গৱেষণা অনুসৰি সাগৰৰ সেই ঠাইখিনিৰ তলত বিশাল জ্বালামুখীৰ অৱস্থিতি পোৱা গৈছে। সাগৰত জ্বালামুখী উদ্‌গীৰণ হ'লে সাগৰৰ পানীৰ লগত মিথেন, মিথেন হাইড্ৰক্সাইড আদি গেছ পানীৰ লগত মিহলি হৈ পানীৰ ঘনত্ব কমাই দিয়ে। জাহাজবোৰ সচৰাচৰ পনীৰ ঘনত্ব মিলাই বনোৱা হয়। যেতিয়া পানীৰ ঘনত্ব কমি যায় লাহে লাহে জাহাজবোৰো পানীৰ তলত ডুব যায় আৰু এনেকৈয়ে নোহোৱা হৈ যায়।

**হেক্সাগনেল ক্লাইড (Hexagonal Cloud) :**

উৰাজাহাজবোৰ দুৰ্ঘটনা হোৱাৰ মুখ্য কাৰণ হ'ল Hexagonal Cloud। প্ৰাকৃতিক পৰিঘটনা নতুবা পানীত সৃষ্টি হোৱা গেছবোৰৰ বাবেই ঠাইখিনিৰ আকাশখন সকলো সময়তেই মেঘেৰে আবৰি থাকে। সেই ঠাইখিনিত উৰাজাহাজ সোমালেই তাৰ কম্পাছে কাম নকৰা হৈ যায় আৰু লগতে ষ্টেচনবোৰৰ লগতো সম্পৰ্ক নোহোৱা হৈ যায়। কাৰণ হ'ল

ইয়াৰ যথেষ্ট বেয়া বাতাবৰণ। হেক্সাগনেল ক্লাইড প্ৰায় ৫০ বৰ্গ কিঃমিঃ বহল ষড়ভুজ আকাৰৰ মেঘ। যাৰ ভিতৰত ঘণ্টাত প্ৰায় ২৫০ কিঃমিঃ বেগত বতাহ বলি থাকে। গতিকে উৰাজাহাজ এখন এই হেক্সাগনেল ক্লাইডৰ ভিতৰত বতাহৰ গতিৰ বিপৰীতে সোমালে উৰাজাহাজ খনক ধ্বংস কৰি দিয়ে। আকৌ যদি উৰাজাহাজখনৰ দিশ আৰু বতাহৰ দিশ একে হয় তেন্তে উৰাজাহাজখনৰ দ্ৰুতি বাঢ়ি যায় আৰু দুৰ্ঘটনাগ্ৰস্ত হয়। এনেকুৱা এটা ঘটনা হৈছিল ১৮৪৬ (?) চনত। Bruce Gernon নামৰ পাইলটজনে বাৰ্মুদাৰ ওপৰেৰে পাৰ হৈ গৈ আছিল। হঠাৎ চকুৰ আগত ক'লা মেঘে আৱৰি ধৰিছিল। উৰাজাহাজখনৰ ৰেডাৰে কাম নকৰা হৈ গৈছিল। কিন্তু তেওঁলোকৰ ভাগ্য ভাল আছিল যে Hexagonal Cloudৰ মাজৰ বতাহৰ দিশ আৰু তেওঁলোকৰ জাহাজৰ দিশ একেটাই আছিল। মাত্ৰ ৩ মিনিটত Gernonৰ জাহাজে প্ৰায় ১৫০ কিঃমিঃ অতিক্ৰম কৰিছিল যাৰ দ্ৰুতি আছিল ঘণ্টাত ৩০০০ কিঃমিঃ, যিটো সচৰাচৰ উৰাজাহাজ এখনৰ বাবে অসম্ভৱ। এটা সাক্ষাৎকাৰত তেওঁ কৈছিল যে তেওঁ কেৱল উৰাজাহাজখন নিয়ন্ত্ৰণ কৰিব চাইছিল যদিও চকুৰ আগত ক'লা ডাৱৰ আৰু গাজনিয়ে তেওঁলোকৰ ৰাস্তা বন্ধ কৰি ৰাখিছিল।

**পাহাৰ আৰু সাগৰীয় বতাহ ঃ**

আন এক গৱেষণা অনুসৰি বাৰ্মুদাৰ ঠাইখিনিৰ চাৰিওফালে ওখ চাপৰ পাহাৰেৰে আবৃত। সচৰাচৰ ডাঙৰ ডাঙৰ সাগৰীয় বতাহ আহি এই পাহাৰবোৰত খুন্দিয়ায় যাৰ ফলত ইয়াৰ পানীবোৰ অস্থিৰ হয় আৰু পানীত ঘূৰ্ণীয় প্ৰৱাহৰ সৃষ্টিৰ ফলতো কিছুমান জাহাজ ধ্বংস হয়।

**পানীৰ তলত থকা অসমান পাহাৰ ঃ**

পানীৰ তলত কি থাকে কোনোৱে একো নাজানে। কেতিয়াবা পানীৰ ভিতৰৰ পৰা ওখ ওখ পাহাৰবোৰ ওলাই থাকে। কিন্তু নাৱিকে তাৰ উপস্থিতি গম নোপোৱাকৈ জাহাজ নতুবা নাও চলাই নিলে পাহাৰৰ টুকুৰাবোৰত খুন্দা খাই জাহাজবোৰ ভাঙি যোৱা বুলিও জানিব পৰা গৈছে।

বহু গৱেষকে দাবী কৰিছে যে প্ৰায় ১০ৰ পৰা ১৫ লাখ বছৰ আগত আটলাণ্টিক (?) নামৰ চহৰ আছিল, যিখন চহৰ পানীৰ তলত পৰি ৰৈ গৈছিল য'ত বহু পৰিমাণৰ বিষাক্ত গেছৰ ভাণ্ডাৰ আছিল।

অৱশ্যে এতিয়া উন্নত যন্ত্ৰৰ আৱিষ্কাৰ হৈছে যদিও বাৰ্মুদাৰ মাজেৰে যোৱাটো সম্ভৱপৰ হৈ উঠা নাই। কিয়নো সেই ঠাইখিনিৰ প্ৰাকৃতিক পৰিৱেশ কেতিয়া বেয়া হৈ যায় কোনোৱে আগতীয়াকৈ ক'ব নোৱাৰে।

এনেকুৱা এটা ত্ৰিভুজীয় জলক্ষেত্ৰ প্ৰশান্ত মহাসাগৰ (জাপানৰ) কাষতো পোৱা যায় য'ত যোৱাটো দশকত জাহাজ, নাও, উৰাজাহাজ নোহোৱা হোৱাৰ বাতৰি পোৱা গৈছে। এই ত্ৰিভুজটোৰ নাম হৈছে আৰু ইয়াক এছিয়াৰ বাৰ্মুদা ত্ৰিভুজ বুলি কয়।

এনেকুৱা এটা ঠাই ভাৰতৰ উৰিষ্যাতো পোৱা যায়। যাৰ নাম হৈছে আমৰ্ডা এয়াৰষ্টিপ (Amarda airstrip) য'ত জাপানৰ লগত যুদ্ধ হোৱাৰ সময়ত বহুতো আমেৰিকান উৰাজাহাজ এই ঠাইত দুৰ্ঘটনা গ্ৰস্ত হৈছিল। কোনো ধৰণৰ মেঘ, অথবা প্ৰাকৃতিক পৰিঘটনা নোহোৱাকৈ উৰাজাহাজবোৰে নিয়ন্ত্ৰণ হেৰুৱাই এখনে আনখনৰ লগত খুন্দা খাইছিল। ইয়াৰ মুখ্য কাৰণ হ'ল উৰিষ্যাৰ কাষত ঝাৰখণ্ডত থকা ইউৰেনিয়ামৰ খনি। ইউৰেনিয়াম বহুত ৰেডিঅ' এক্টিভ ধাতু যিয়ে যন্ত্ৰ-পাতিৰ অনিষ্ট কৰি পেলায়। হাই ৰেডিয়েচন (High radiation) য়ে দুখন জাহাজৰ কম্পাছ বিকল কৰি পেলায় আৰু পাইলটে সকলোবোৰ চম্ভালিব নোৱাৰাৰ ফলত দুৰ্ঘটনাগ্ৰস্ত হয়। এতিয়া উচ্চ মানদণ্ডৰ যান্ত্ৰিক যান অহাৰ ফলত এনেকুৱা ঘটনা আমি শুনিবলৈ নাপাওঁ।

আটলাণ্টিক মহাসাগৰত থকা চাৰগাছো সাগৰো ৰহস্যৰ আৱৰ্তত থকা এখন ৰহস্যময় ঠাই। য'ত গোটেই অঞ্চলটো সৰু সৰু ঘাঁহনিৰে বিস্তৃত আৰু তাত নাও অথবা সৰু জাহাজ সোমালে ঘাঁহবোৰৰ মাজত ৰৈ যায় অথবা তলত থকা সাগৰৰ মাজত সোমাই যায়।

❖❖❖





চুটিগল্প

# অভিমান

**বাস্তৱ চৌধুৰী**
বাণিজ্য শাখা
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়



ঃ ঐ মধু, ইমান সময়ৰ পৰা কাৰ বাবে ৰৈ আছ?

ঃ ক'তনো ইমান সময়ৰ পৰা দেখিলি? অলপ আগতেহে আহি পাইছো?

ঃ কিয়নো মিছা কৰ? মই আধা ঘণ্টাৰ পৰা দেখি আছো তই ইয়াত এনেদৰে কাৰোবাৰ বাবে ৰৈ আছ! লোহিতৰ বাবে নেকি?

ঃ নহয়, তই ইমান ৰাতিপুৱাই ইয়াত কি কৰিব আহিছ?

ঃ মৰ্ণিং ৱাক্। পিছে তই ক'লৈ যাৱ?

ঃ ৰঙিয়ালৈ যাওঁ।

ঃ ট্ৰেইনত যাবি?

ঃ উমম্

ঃ অ' সেয়ে লোহিতৰ বাবে ৰৈ আছ? সিওঁ যাব নেকি?

ঃ নাযায়। মোক ষ্টেচনলৈ থবহে যাব! কিন্তু চা চোন, এতিয়ালৈকে আহি পোৱা নাই বান্দৰটো!

ঃ হা, হা, আহি পাব দে সোনকালে। এতিয়া মই যাওঁ, তই যাবি, বাই।

ঃ ঠিক আছে, বাই।

টিঙিচকৈ খংটো উঠি আহিল মোৰ। সেই অথনিৰে পৰা ৰৈ আছো তাৰ বাবে; কিন্তু এতিয়ালৈকে আহি পোৱা নাই। সময়টো চালো ৫:৪০ হৈছে। ৬ বজাত ট্ৰেইন। অধৈৰ্য হৈ পুনৰ এবাৰ ফোন কৰিলো তাক।

ঃ ঐ বান্দৰ, ক'ত আছ?

ঃ এ পালোৱে আৰু।

ঃ অথনিৰে পৰা তাকেই কৈ আছ! উঠাই নাই নেকি?

ঃ পালো অ', পালোৱেই।

এইবুলি কৈয়েই সি ফোনটো কাটি দিলে। বৰ অশান্তি লাগিছে মোৰ। কালিতেই তাক কৈছিলো মই ৰঙিয়ালৈ যাম বুলি। তাকে শুনি সি নিজেই কৈছিল ৰাতিপুৱা মোক ষ্টেচনলৈ থ'ব যাব বুলি। কিন্তু এতিয়ালৈকে তাৰ দেখা-দেখি নাই। তাতে মোৰ খংটোওঁ সোনকালেই উঠি আহে। ভাবি থৈছো মনতেই, আজি আহক সি, তাৰ মূৰ ভাঙিম মই। ঠিক তেনেতেই লোহিতে আহি মোৰ কাষত বাইকখন ৰখালে। তাৰ ৰূপটো দেখি খঙেই উঠি আহিল। তাৰ অবিন্যস্ত চুলি, আধা চেইন মাৰি থোৱা জেকেট, ভৰিত সাধাৰণ চেণ্ডেল। তাতে চকুকেইটাওঁ ফুলি আছে। বুজি পালো টোপনীৰ পৰা উঠিয়েই চিধা লৰ মাৰিছে!

ঃ চিহ্, মুখখনো ধুই আহিব নোৱাৰিলি ন'? লেতেৰাটো ক'ৰবাৰ!

ঃ তইয়ে চোন হাল্লা কৰি আছ' সোনকালে আহিব লাগে বুলি! উঠ এতিয়া।

বাইকত উঠিলো। তাৰ পিছত দুয়ো ৰাওঁনা হ'লো ষ্টেচনলৈ। খংটো তেতিয়াওঁ মোৰ মাৰ যোৱাই নাই। কিন্তু বাইক চলাই যোৱা বাবে লোহিতক একো নক'লো। ষ্টেচন পোৱাৰ পিছতেই বেগটো লৈ মই আগবাঢ়ি গ'লো। লোহিতো আহিল পিছে পিছে। ভাগ্য, ট্ৰেইন এতিয়ালৈকে আঁহি পোৱা নাই। প্লেটফৰ্মত থিয় হৈ এবাৰ লোহিতলৈ চালো। হামি এটা মাৰিবলৈ ডাঙৰকৈ মুখখন মেলিছিলি, কিন্তু মোৰ ফালে চাইয়েই নিজৰ মুখখন বন্ধ কৰি ল'লে। হাঁহি উঠি যায় তাৰ কিছুমান কাণ্ড দেখিলে। কিন্তু আজি মই হাঁহিটো দমাই ৰাখি গহীন হৈ তাৰ ফালে চাই ক'লো—

ঃ ইমান টোপনি ধৰিছিল যদি মোক থ'বলৈ আহিম বুলি কৈছিলি কিয়?

ঃ ভাবিছিলো সাৰ পাম সোনকালে! কিন্তু নহ'ল।

ঃ ৰাতি কেইটাত শুইছিলি?

ঃ ১২ টা মান হৈছিল চাগে!

ঃ অ' ক'তনো সাৰ পাবি তেনেহ'লে ইমান সোনকালে!

ঃ তই কেতিয়া আহিবি আকৌ?

ঃ পৰহি আহিম চাগে! নহ'লে চাওঁ কি হয়! পেহীৰ অসুখ ভাল নোহোৱালৈকে নাহিবওঁ পাৰো!

ঃ দৰকাৰী গোটেইবোৰ বস্তু লৈছ?

ঃ উমম্ লৈছো।

ঃ তাত গৈ পাইয়ে মোক ফোন কৰি জনাই দিবি।

ঃ হ'ব দে। সেইয়া ট্ৰেইন আহিলেই!

ট্ৰেইন আহি প্লেটফৰ্মত ৰোৱাৰ পিছত মই ট্ৰেইনত উঠিলো।

ঃ মই যাওঁ, তয়ো যাগৈ। ঘৰলৈ গৈ মুখ-হাত ধুই ল'বি।

ঃ না, এতিয়া ঘৰ গৈ শুম আকৌ। বৰ টোপনি ধৰিছে।

ঃ ঠিক আছে হ'ব যা। বাইক ভালদৰে চলাবি।

ঃ হ'ব, তই গৈ পাই জনাবি মোক।

ঃ ঠিক আছে।

লোহিতৰ পৰা বিদায় লৈ খিৰিকীৰ কাষত থকা নিজৰ চিটত বহিলো মই। দীঘলকৈ উকি এটা মাৰি ট্ৰেইনখন চলিব ধৰিলে। লোহিতো বোধহয় তেতিয়ালৈকে গৈছিল! ময়ো খিৰিকীৰে চাই গ'লো বাহিৰৰ দৃশ্যবোৰ। মানুহৰ ইমান ভিৰ নাই। ৰাতিপুৱা ইমান সোনকালে সেয়ে ময়ো ওলাই আহিছো। নহ'লে, ৯ বজাৰ ট্ৰেইনখনত ভৰি দিবৰে ঠাই নাথাকে। ৰাতিপুৱা সোনকালে উঠি মই সাজু হৈ আহিছো, সেয়ে টোপনি টোপনি ভাব লাগিয়ে আছিল! চকুকেইটা সামান্য মুদি মই ডুব গ'লো নিজৰ কল্পনাৰ পৃথিৱীখনত।

লোহিত, আমাৰ ঘৰৰ প্ৰায় ৪ কিলোমিটাৰমান গ'লে তাৰ ঘৰ পায়। আমাৰ প্ৰথম চিনাকী হৈছিল কলেজত। লোহিত মোৰ চিনিয়ৰ আছিল। প্ৰথম চিনাকীতেই কিবা এটা ভাল লাগিছিল তাক। সদায় কলেজত সি মোক লগ কৰিবলৈ আহিছিল। তাৰ খুহুঁতীয়া কথাবোৰ, হাঁহিমুখীয়া মুখখন দেখি দেখিয়েই মই তাৰ প্ৰতি আকৰ্ষিত হৈছিলো। কিন্তু তাৰ প্ৰতি মোৰ মনত ভালপোৱাৰ ভাব জাগিছিল তাৰ সৰলতা দেখি। সাধাৰণ ভাবে থাকিয়েই ভাল পাইছিল সি। এই সমাজত আজিকালি সকলোৱে দামী দামী কাপোৰ পিন্ধে, আনৰ আগত ষ্টাইল দি ঘূৰি ফুৰে। কিন্তু লোহিত আছিল সম্পূৰ্ণ বিপৰীত। অৱশ্যে তাক কেতিয়াবা কৈ থাকো মই অলপ সাজি-কাচি থাকিবলৈ। নক'ম নো কিয়? সাধাৰণ ভাবে থকাটো ঠিকেই আছে! কিন্তু কেতিয়াবা বিয়া-সবাহতো সি একেবাৰে সাধাৰণ ভাবেই যায়! তাক দেখিলে এনে ভাব হয় সি যেন এখন বৰ দুখীয়া ঘৰৰ ল'ৰা! কিন্তু তেনেকুৱা একেবাৰে নহয়! তাৰ দেউতাকে বেংকত চাকৰি কৰে। মাকে চৰকাৰী স্কুল এখনত শিক্ষকতা কৰে, আৰু যোৱা সাতমাহ মান আগতেই লোহিতে ৰেলৱেত চাকৰিত সোমাইছে। লোহিতৰ এজনী বায়েকো আছে। অৱশ্যে তাইৰ যোৱা বছৰ বিয়া হৈছে। টকা-পইচাৰ অভাৱ সিহঁতৰ নাই, তথাপি লোহিত সাধাৰণভাৱে থাকিয়েই ভাল পায়।

দুটা বছৰ, সম্পূৰ্ণ দুটা বছৰ মই অপেক্ষা কৰিছিলো লোহিতৰ প্ৰস্তাৱলৈ। কিন্তু সি মোক একো কোৱা নাছিল। চাওঁতে চাওঁতে মোৰ ডিগ্ৰীও শেষ হ'ব হৈছিল। কিন্তু লোহিতৰ পৰা ভালপোৱাৰ কোনো প্ৰস্তাৱ নাহিল। ভাবিব লৈছিলো,





সি চাগে মোক ভাল নাপায়! কিন্তু এদিন সেই দিনটো আহিছিল। আমাৰ সেইদিনা ডিগ্ৰীৰ ফাইনেল ৰিজাল্ট দিছিল। সেইদিনাই লোহিতে আহি মোৰ আগত নিজৰ ভালপোৱা প্ৰকাশ কৰিছিল। প্ৰথমতে আচৰিত হৈছিলো!. এনেকুৱা লাগিছিল যেন সেইবোৰ সকলো সপোন! কিন্তু পিছলৈ বিশ্বাস হৈছিল। সি কৈছিল, মোৰ যাতে পঢ়াত কোনো অসুবিধা নহয় তাৰ বাবে সি কথাবোৰ আগতে প্ৰকাশ নকৰিলে। লোহিতৰ সেই প্ৰস্তাৱ নাকচ কৰাৰ কোনো কাৰণ নাছিল। ময়োটো তাক ভাল পাইছিলো। সেই তেতিয়াৰ পৰাই আৰম্ভ হৈছিল আমাৰ ভালপোৱাৰ কাহিনী। তাক মই তুমি বুলিয়েই সম্বোধন কৰিছিলো, কিন্তু এদিন সি নিজেই কৈছিল—"তই বুলি ক'বিচোন, কিবা আপোন আপোন লাগে!" সেই তেতিয়াৰ পৰাই আমি ইজনে আনজনক তই বুলি কওঁ।

জোৰকৈ ব্ৰেক মাৰি দিলে ট্ৰেইনখনে। মোৰ কল্পনাৰ পৃথিৱীখনৰ পৰা বাহিৰলৈ ওলাই আহিলো মই। বুজি পালো ট্ৰেইন আহি ৰঙিয়া পাইছে। বেগটো লৈ নামি আহিলো ট্ৰেইনৰ পৰা। প্লেটফৰ্মত পেহা ৰৈয়ে আছিল মোৰ বাবে। মোক দেখিয়েই তেওঁ আগবাঢ়ি আহি মোৰ বেগটো লৈ ল'লে।

ঃ পেহা ভালে আছেনে?

ঃ আছো অ' মাজনী। তোমালোকৰ ভাল নহয়!

ঃ আছো দিয়ক ভালেই।

ঃ পিছে আহোতে কিবা অসুবিধা হৈছে নেকি?

ঃ নাই, একো অসুবিধা হোৱা নাই।

ঃ দিয়া ঠিক আছে।

পেহা আৰু মই ঘৰ আহি পালো। ঘৰ পোৱাৰ লগে লগেই পেহীৰ সৰু ছোৱালীজনীয়ে দৌৰি আহি মোক সাৱটি ধৰিলে—

ঃ মধু বা ...

ঃ আই অ' ৰুমি, ইমান ডাঙৰ হ'লা চোন!

পেহা-পেহীৰ ল'ৰা এটা, ছোৱালী এজনী। ল'ৰাটো ক্লাছ টেনত পঢ়ে আৰু ছোৱালীজনী এইবাৰ ক্লাছ ওৱান পাইছে। পেহীক হস্পিতালৰ পৰা লৈ অনা হৈছে। খুব দুৰ্বল তেওঁ। সেয়ে এতিয়া বেড ৰেষ্টত থাকিব দিছে। মুখ-হাত ধুই পেহীৰ সৈতে কথা পাতিলো। বেলেগ এতিয়া নাই। কেইদিনমান আৰাম কৰিব দিছে। সোনকালেই সুস্থ হৈ পৰিব। সময়বোৰ খুব সোনকালেই পাৰ হৈ যোৱা যেন লাগিল! তাতে পেহীৰ ছোৱালীজনীয়ে মোৰ লগ নেৰাই হৈছে। বৰ মৰম লাগে তাইক। দুপৰীয়া প্ৰায় ১২ টা বাজি পাৰ হৈছে। মই ভাতৰ যোগাৰ কৰিব ধৰিছো, ঠিক তেনেতেই মোৰ ফোনটো বাজি উঠিল। লোহিতৰ ফোন।

অ' শেষ, মৰিলো আজি! সি গৈ পায়েই জনাব কৈছিল, কিন্তু মই ইয়াত অহাৰ পিছত তাৰ কথা একেবাৰেই পাহৰি গৈছিলো। বুজি পালো, আজি যে গালি খাম নিশ্চিত! ফোনটো ৰিচিভ কৰি কাণত লগোৱাৰ লগে লগেই আৰম্ভ হ'ল তাৰ মহাভাৰত।

ঃ তোক কৈছিলো নে নাই মই, গৈ পায়েই ফোন কৰি জনাই দিবি। এতিয়ালৈকে কি ফোন এটা কৰিবওঁ সময় পোৱা নাই নেকি? তেতিয়াৰ পৰা কিমান চিন্তাত আছো জান'?

নিৰৱে শুনি গ'লো মই তাৰ প্ৰত্যেকটো কথা। ক'মনো কি? ভুলটোটো মোৰেই ন'! মই কিয় পাহৰিব লাগে তাৰ কথা এনেদৰে! ৰাতিপুৱা বিচনাৰ পৰা উঠিয়েই মোক থ'বলৈ আহিছিল সি। বেয়াওঁ লাগিছে মোৰ কথাবোৰ ভাবি। একো কোৱা নাই মই এতিয়ালৈকে। কেৱল ফোনটো কাণত লৈ শুনি আছো তাৰ কথাবোৰ। গালি পাৰি পাৰি সি ফোনটো কাটি দিলে। ২ মিনিট পিছত আকৌ কৰিলে।

ঃ কি হ'ল এতিয়া একো নক'ব কিয়?

ঃ মোৰ ভুল হ'ল। আৰু আজিৰ পৰা নকৰো।

ঃ তোৰ কাৰণে কিমান চিন্তা কৰি আছো এবাৰ তই ভাবি চাইছ'?

সকলোবোৰ কথা লোহিতক বুজাই ক'লো মই। ভাবিলো তাক সকলোবোৰ কথা ক'লে তাৰ খঙটো অকণ কমিব! কিন্তু তেনে নহ'ল! সি একেটা কথাতেই লাগি থাকিল, কিয় এবাৰো ফোন নকৰিলো মই!

ঃ অথনিৰে পৰা কিয় একেটা কথাতে লাগি আছ? কৈছোটো ভুল হৈছিল বুলি! এবাৰ ক'লে বুজি নাপাৱ নেকি? আৰু মোৰ বাবে ইমান চিন্তা কৰি থাকিবৰ তোৰ হৈছে কি?

টিঙিচকৈ খঙটো উঠি আহিল মোৰ। এনেও মোৰ খঙটো অলপ বেছিয়েই। মোৰ কথা শুনি লোহিত কেইছেকেণ্ড মান মৌন হৈ পৰিল। তাৰ পিছত দুগুণ খঙেৰে ক'লে—

ঃ ঠিক আছে, তই ক'লি যেতিয়া আজিৰ পৰা তোৰ বাবে একদম চিন্তা নকৰো। যি কৰ' কৰি থাক, ব্ৰেক্‌আপ।

ফোনটো কাটি দিলে সি। ময়ো পুনৰ ফোন নকৰিলো। পুনৰ আহি নিজৰ কামত ধৰিলো। দিনটো তেনেদৰেই পাৰ হ'ল। ৰাতিলৈও তাক ফোন নকৰিলো মই। জানোৱেই এইবোৰ যে দুদিনীয়া অভিমান! এনেদৰে বহুতবাৰ আমাৰ মাজত কাজিয়া লাগে, বহুত বাৰ ব্ৰেকআপ হয়। কিন্তু দুদিন পিছত পুনৰ ঠিক হৈ যায়। সেয়ে বেছি চিন্তা কৰি নাথাকিলো এইবোৰ।

পিছদিনাৰ দিনটো খুব ব্যস্ততাৰেই গ'ল। ঘৰৰ কামবোৰ কৰা, পেহীৰ খবৰ ল'বলৈ অহা প্ৰত্যেকজন মানুহকে চাহৰ যোগান ধৰা এইবোৰ কামৰ মাজেৰে কেনেদৰে দিনটো পাৰ হৈ গ'ল ধৰিবই নোৱাৰিলো! নিজৰ বাবে কেৱল সময় পাইছো ৰাতি শুৱাৰ সময়খিনি। টোপনিও ধৰিছে বৰকৈ। কিন্তু যোৱাকালিৰ পৰা লোহিতৰ এটাও ফোন নই। সেয়ে খঙবোৰ একাষৰীয়াকৈ থৈ ময়ে তালৈ ফোন লগালো।

ঃ কি হ'ল?

ইমান নিৰসভাৱে সি মাত দিব বুলি ভবাই নাছিলো।

ঃ কি, কি হ'ল? যোৱাকালিৰ পৰা এটাও ফোন নাই! ইমান খং উঠিছে নেকি?

ঃ তোক কিয় লাগে এইবোৰ? মইনো কোন তোক ফোন কৰিবলৈ? ফোন থ'।

ঃ শুনচোন...

ঘপ্‌কৈ কাটি দিলে সি ফোনটো। পুনৰ খঙটো উঠি আহিল। ইমান খং নে তাৰ? নকৰো যা ফোন-চোন। চাওঁ কিমানদিনলৈ এনেদৰে মোৰ ওপৰত খং কৰি থাকে! শুই থাকিলো তেনেকৈয়ে।

দুদিন এনেদৰেই পাৰ হৈ গ'ল। দিনটো ব্যস্ততাৰ বাবে বাহিৰা এইবোৰলৈ সময়েই নাপাওঁ, আৰু ৰাতি ভাগৰত সোনকালেই টোপনি ধৰে। সম্পূৰ্ণ দুদিন লোহিতৰ লগত কথা নপতাকৈয়ে থাকিলো। না মই এবাৰ ফোন কৰিলো, না সি কৰিলে! পেহী সুস্থ হ'বলৈ ধৰিলে। ময়ো ঘৰলৈ উভতি যাব বিচাৰিলো। অৱশ্যে কাম বহুত কৰিব লাগে সেইবুলি নহয়। ঘৰত মা আৰু সৰু ভাইটিহে আছে। দেউতা শ্বিলঙত আছে ডিউটীত। সেয়ে মায়ে ঘৰলৈ মোক মাতি পঠিয়াইছে। পেহীও এতিয়া সুস্থ হৈছে, কাম-বনবোৰো কৰিব পৰা হৈছে। সেয়ে মই ঘৰলৈ যাব বিচৰাত কোনো ধৰণৰ বাধা নিদিলে। সন্ধিয়া ৬ বজাত ট্ৰেইন। ঘৰৰ সকলোৰে পৰা বিদায় লৈ পেহাৰ সৈতেই ষ্টেচনলৈ আহিলো। নিৰ্দিষ্ট সময়তেই ট্ৰেইনখন চলিব ধৰিলে। উফ্, এইকেইদিনৰ ভিতৰত এতিয়াহে অকণ শান্তি পাইছো ভালদৰে, তেনে অনুভৱ হ'ল।

ট্ৰেইনৰ খিৰিকীৰে আকাশখনৰ ফালে চাইছো, এটাও তৰা নাই। হয়তো বৰষুণ দিব ৰাতিলৈ। ফোনটো উলিয়াই হাততেই লৈ থৈছো। ভাবিছো তাক ফোন কৰিম নে নাই? সিওঁটো এবাৰ ফোন কৰিব পাৰে! কিন্তু ভুলটো মোৰ আছিল। তাতে তাক সেইদিনা খঙত তেনেকৈ ক'ব নালাগিছিল! সেয়েহে নম্বৰটো ডায়েল কৰিলো তাৰ।

ঃ আকৌ কিয় ফোন কৰিছ?

ঃ ইমান খং কিয় কৰি আছ হা এতিয়ালৈ? কৈছো তো ছ'ৰি বুলি। ক্ষমা কৰি দিব নোৱাৰ' নেকি কিবা! কথাবোৰ কিয় ধৰি আছ?

ঃ ফোন কিয় কৰিলি সেইটো ক'?

ঃ গৈ আছো মই।

ঃ তাত মই কি কৰিম? যি কৰ' কৰি থাক্।

কাটি দিলে ফোনটো। মাথাটো যে একেবাৰে গৰম হৈ গ'ল মোৰ। কি দৰকাৰ আছিল সেই বান্দৰটোক এবাৰ ফোন কৰিবলৈ? মাক ফোন কৰি কৈ থ'লো মই গৈ আছো বুলি। ট্ৰেইনত আহোতে গোটেই বাট এইবোৰ কথাকেই ভাবি আহিলো। ভুলটো বাৰু মোৰেই আছিল, কিন্তু সিওঁটো কথাবোৰ ইমানকৈ ধৰি থাকিব নালাগে। হঠাৎ খিৰিকীখনেৰে





পানী অকণমান আহি মোৰ মুখতেই পৰিল। বুজিলো, বৰষুণ দিব এতিয়া! খিৰিকীখন জপাই থ'লো মই। আৰু মাত্ৰ দুটা ষ্টেচনৰ বাট বাকী আছে। খঙো উঠিছে এই বৰষুণ জাকলৈ! মই ঘৰ পোৱাৰ পিছত দিলে কি ক্ষতি হ'লহেতেন বাৰু! নিৰ্দিষ্ট সময়ত মই আহি ষ্টেচন পালো। ট্ৰেইনৰ পৰা নমাৰ পিছত কিছুদেৰি ষ্টেচনতে বহি থাকিলো। কিয়নো বৰষুণ বেছি হৈ গৈ আছিল, তাতে মোৰ সৈতে ছাতিও নাছিল। ইয়াতকৈও ডাঙৰ কথা এইটো যে মোক নিবলৈও এতিয়া কোনো নাই! লোহিতৰ লগতটো কাজিয়াই লাগিছে! অৱশ্যে ষ্টেচনৰ বাহিৰত গাড়ী পামেই! সেয়ে বেছি এটা চিন্তা নকৰিলো। কেৱল অপেক্ষা কৰিলো বৰষুণ কমালৈ। হঠাৎ মোলৈ এটা মেছেজ আহিল।

ঃ আগবাঢ়ি আহ্, তোলৈ ৰৈ আছো।

মেছেজটো চায়েই ইফালে-সিফালে চকু ফুৰাই লোহিতক ৰৈ থকা দেখা পালো। পলকতে ওঁঠেৰে হাঁহি এটা বাগৰি গ'ল। তাৰ প্ৰতি যিমানবোৰ খং মোৰ মনত ভৰি আছিল, সকলোবোৰ পানী হৈ পৰিল! তাৰ কাষলৈ গৈ হাঁহি এটা ফুটাই সুধিলো—

ঃ খং কমিল?

ঃ নাই কমা?

ঃ তেন্তে আহিছ কিয়?

ঃ মই নাহিলে কাৰ লগত গ'লি হয়?

ঃ ইমান চিন্তা কৰিছ কিয় মোৰ বাবে?

ঃ ঐ ছোৱালী, তই কেৱল মোৰহে বুজিছ'! তোৰ কথা মই চিন্তা নকৰিলে কোনে কৰিব?

এইটোৱেই যেন শুনিবলৈ অথনিৰে পৰা মই ৰৈ আছিলো! লোহিতৰ কথা শেষ হোৱাৰ লগে লগেই জোৰকৈ তাক সাৱটি ধৰিলো মই। অভিযোগ কৰিবলৈও সেই সময়ত ষ্টেচনত ইমান মানুহ নাছিল। কিছু সময় আগতে খং উঠা বৰষুণজাকো মোৰ ভাল লাগিবলৈ ধৰিছিল। লোহিতেও জোৰকৈ সাৱটি ধৰি ক'লে—

ঃ পুনৰ কাজিয়া কৰিবি নেকি এনেদৰে?

ঃ কৰিমটো, কাজিয়া নকৰিলে কেনেদৰে গম পাম তই মোক কিমান ভাল পাৱ!

ঃ তোৰ কাৰণে মই প্ৰেমৰ কবিতা লিখিব নোৱাৰোঁ। কিন্তু সদায় তোৰ সৈতে থকাৰ প্ৰতিশ্ৰুতি দিব পাৰো।

ঃ সেইকাৰণেইটো তোক ভালপাওঁ।

ঃ ময়ো ভালপাওঁ তোক

ঃ মোৰ অঁকৰাটো...

❖❖❖

- ❑ একমাত্ৰ সাহিত্যই হৈছে এনে অমৃত যাৰ ওচৰত মই পৃথিৱীৰ সকলো দুখৰ পৰা পলাই গৈ আশ্ৰয় ল'ব পাৰো। — ড° মামণি ৰয়চম গোস্বামী
- ❑ কিতাপ পঢ়া মানুহে কেতিয়াও নিজকে সম্পূৰ্ণ নিঃসঙ্গ আৰু বিচ্ছিন্ন বুলি অনুভৱ কৰিবলগা অৱস্থা নহয়। — হোমেন বৰগোহাঁঞি
- ❑ জীৱনৰ পৰা যদি অহংকাৰ আৰু দুৰাকাংক্ষাক বিদায় দিব পৰা যায়, তেন্তে জীৱনত কেৱল আনন্দই বাকী থাকে। — গৌতম বুদ্ধ

# ফুটপাথৰ পৰা মহাকাশলৈ

**অনিচায্য শৰ্ম**
স্নাতক চতুৰ্থ ষাণ্মাসিব
পদাৰ্থবিজ্ঞান বিভাগ
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

'সময়'! ই এনেকুৱা এটা শব্দ যাৰ মহিমা তথা মহত্ব বুজাটো সহজতে কাৰোৰে বাবে যেন সম্ভৱপৰ নহয়। সময়ৰ চকৰিত কাৰ জীৱন কোনদিশে গতি কৰে সেয়া নেদেখাজনৰ হাতত হে যেন। 'ৰদালি', হয় নামটোৰ দৰেই সকলোৰে মাজত হাঁহি পোহৰ বিয়পাই থকা এজনী ৰাংঢালী ছোৱালী। চকুত যেন তাইৰ অলেখ সপোনৰ পয়োভৰ। কিন্তু সকলো সপোনৰ বাটতে যেন তাই থকা জকাই চুকৰ গাঁওখনৰ মানুহবোৰৰ হেঙাৰ। তাইৰ মন পঢ়ি শুনি নিজকে প্ৰতিষ্ঠা কৰি নিজৰ পৰিয়ালৰ লগতে সমাজখনৰো বিকাশত সেৱা আগবঢ়োৱা। কিন্তু বিধিৰ বিধান, ঘৰখনৰ আৰ্থিক অৱস্থা টনকিয়াল নোহোৱাৰ বাবে তাইক কেনেকৈ সোনকালে আন এঘৰলৈ উলিয়াই দিব পাৰি তাৰহে সকলোৰে যেন পৰিকল্পনা। সেইবাবে সেই অকণমানি তেৰ বছৰীয়া ছোৱালীজনী শান্তি হ'বলৈ পালে কি নাপালে; গাঁৱৰে মৌজাদাৰৰ পুতেকৰ পৰা বিয়াৰ প্ৰস্তাৱ পাই সেই ফুলকুমলীয়া বয়সতে মৌজাদাৰৰ পুতেকলৈ তাইৰ অমান্তি সত্ত্বেও বিয়া দিলে। আঁতিগুৰি মাৰি যেতিয়া তাই ইয়াৰ মূল কাৰণটো উদ্‌ঘাটন কৰিবলৈ চাই বাৰে বাৰে যেন তাই 'দৰিদ্ৰতা' বুলি ফট্‌ফটীয়াকৈ লিখি থোৱা আইনাখনৰ সন্মুখীন হয়।

বিয়া হৈ গ'ল। এবছৰ পাৰ হওঁতে গিৰিয়েকৰ ঘৰখনৰ পৰা উত্তৰাধিকাৰী লাগে বুলি আহি পৰিল তাইৰ ওপৰত এক ভীষণ হেঁচা। ক'লৈ যাব তাই; কি কৰিব তাই? সকলো সহিও যেন নিমাত তাই। সোণোৱালী শৈশৱৰ সোণালী সময় যেন তাইৰ বাবে হৈ পৰিল এক শেষ নোহোৱা কাল অমানিশা। কাৰণ গৰ্ভৱতী ৰদালিৰ মূৰত এক এনেকুৱা হেঁচা ঘৰখনে দিলে যে যাৰ সমাধান যাৰ উত্তৰ তাইৰ হাতত নাই। মৌজাদাৰ আৰু তাইৰ গিৰিয়েকৰ এটাই কথা যে "যদিহে উত্তৰাধিকাৰী হিচাপে এটি ল'ৰা সন্তান তাই জন্ম দিব নোৱাৰে তেনেহ'লে তাইক আৰু সন্তান দুয়োকে যমৰ যাতনা দিব।" এই ঘটনাই সমসাময়িকভাৱে এটা কথাকেই স্পষ্ট কৰি গৈ আছিল যে "দৰিদ্ৰতা আৰু অশিক্ষিত" দুয়োটাই বৰ ভয়ংকৰ অভিশাপ মানৰ তথা সমাজ জীৱনৰ বাবে।

অৱশেষত সেইদিন আহিল। সময়ৰ চক্ৰই যেন ৰ'দালিক পুনৰবাৰৰ বাবে শ'লঠেকত পেলাই গ'ল। যাৰ ভয় আছিল তাকেই হ'ল। ৰ'দালীয়ে জন্ম দিলে এটি কন্যা সন্তান। ঘামে, ভোকে-পিয়াহে তাই জৰ্জৰিত হ'ল। মৌজাদাৰে লগে লগে আদেশ যে তাই আৰু তাইৰ কন্যা সন্তানক পোনচাতেই ঘন জংঘলৰ মাজত এৰি থৈ আহেগৈ। কাৰণ সেইখন সমাজত তেতিয়াও কন্যা সন্তান জন্ম হোৱা কথাটো সহজভাৱে ল'বপৰা নাছিল। মৌজাদাৰৰ বিপক্ষে মাত মতাৰ সাহসো কাৰোৰে নাছিল। পুলিচ প্ৰশাসনো সকলো যেন তেওঁৰ হাতৰ মুঠিত। যমৰ যন্ত্ৰণা দি তাইৰ কাতৰ অনুৰোধৰ পাছতো তাইক এখন জংঘাল হাবিত এৰি থৈ আহে। এঘাৰদিনীয়া কেঁচুৱাটো লৈ তাই ভোগ কৰা পীড়াৰ কথা দৰ্শোৱাটো হাতী ভুৰুকাত ভৰোৱাৰ যেনহে কথা। সেই কেঁচুৱাটোকে বোকোচাত বান্ধি লৈ হাবিখনৰ পৰা ওলাই তাই যাত্ৰা কৰিলে এখন অজ্ঞান





ঠাইলৈ। যাত্ৰা কৰি কৰি দুদিনৰ মূৰত এখন চহৰ পালেগৈ তাই।

দিন বাগৰিল, বছৰ বাগৰিল। চহৰৰ ৰাস্তাৰ কাষৰ এটা ফুট্‌পাথতেই (পদপথ) সন্তানটিক লৈ তাইৰ ফুলকুমলীয়া মুখখনলৈ চাই ৰ'দালিয়ে নতুন জীৱনৰ পাতনি মেলিলে। চহৰৰ কাৰোবাৰ ঘৰত দুই-চাৰিটা কাম কৰি তাইৰ সন্তানটিক দুবেলা-দুমুঠি নহ'লেও এমুঠি খোৱাবলৈ সক্ষম হৈছে। ফুট্‌পাথতো আকৌ ভয় ৰাতি বিয়লি। যিকোনো সময়তে পুলিচ প্ৰশাসনে বেত লৈ আহি ফুট্‌পাথত থকা অঘৰীবোৰক উঠাই দিয়ে।

ক'লৈ যাব, কি কৰিব এনে সংকাতেই যেন কটায় প্ৰতিটো দিন, মুহূৰ্ত। কিন্তু ছোৱালীজনীক পঢ়োৱাৰ অলেখ সপোন তাইৰ। নিজে কৰিব নোৱাৰাখিনি যাতে তাইৰ ছোৱালীজনীয়ে এদিন কৰিব পাৰে তাৰ বাবে তাইক সক্ষম কৰি তুলিব বুলি শপত খাইছে তাই। আনৰ দৰে হাই-প্ৰফাইল বিদ্যালয়ত পঢ়াব নোৱাৰিলেও চৰকাৰী বিনামূলীয়া শিক্ষানুষ্ঠান এখনতে নাম লগাই দিছে। তাইৰ নাম দিছে দুৰ্বী।

দিন বাগৰাৰ লগে লগে দুৰ্বীও ডাঙৰ হৈ আহিছে। মাকৰ কষ্টবোৰ বুজিব পৰা হৈছে। ৰাতি ফুটপাথত থকা ষ্ট্ৰিট লাইট (street light) ৰ তলতে তাই সদায় মনপুতি অধ্যয়ন কৰে।



জীৱনত ডাঙৰ কিবা এটা কৰাৰ যেন তাইৰো মাকৰ দৰে সপোন। কিন্তু সেই সপোন যেন পৰিস্থিতিয়ে বাৰে বাৰে ভাঙিবলৈ চেষ্টা কৰে। তাই মাকৰ কথা ভাবি বাৰে বাৰে পঢ়িবলৈ চেষ্টা কৰে। "হাৰ নামানো কোনো কাৰণত", এইয়া প্ৰতিজ্ঞা দুৰ্বীৰ। নিশা সদায় লাইটৰ তলত পঢ়ি থকা সময়ত তৰাৰে জিলিকি থকা আকাশখনলৈ চাই, আৰু মাকক কয়, "মা এদিন ময়ো সেই আকাশৰ বুকুত উৰিব বিচাৰো।" মাক ৰ'দালিয়ে ঢুলঢুলীয়া চকুৰে তাইৰ চকুত উজ্জ্বল হৈ জিলিকি থকা সপোনটি নিশ্চয় সাকাৰ হ'ব বুলি আশ্বাস দিয়ে। পঢ়া-শুনাত অত্যন্ত ৰাপ তাইৰ। বৃত্তিও পাইছে এইবাৰ। বিজ্ঞান বিষয়ত অতিকৈ আগ্ৰহ। সৌৰজগতৰ তৰা, নক্ষত্ৰৰ বিষয়ে জানিবলৈ সদায় উৎসুক তাই। সেই ভঙা ফুটপাথৰ ওপৰতে এক উজ্জ্বল ভৱিষ্যতৰ সপোন ৰচিছে তাই।

এনেদৰে সময় বাগৰিল। উচ্চতৰ মাধ্যমিক পৰীক্ষাত ৰাজ্যখনৰ ভিতৰতে তৃতীয় স্থান পাই উত্তীৰ্ণ হ'ল দুৰ্বী। মাক ৰ'দালিৰ যেন সুখতে দুচকুৰে দুধাৰি বৈছে। সকলো কষ্ট পৰিশ্ৰম তাইৰ সন্মুখত ভাঁহি উঠিছে। ইমান এটা ভাল ফলাফল লৈ উত্তীৰ্ণ হোৱাৰ বাবে চৰকাৰৰ ফালৰ পৰা এটা ঘৰ লাভ কৰিছে যিটো তাইৰ জীৱনৰ এটা ডাঙৰ উপলব্ধি। ফুটপাথত শৈশৱ, কৈশোৰ কটোৱা ছোৱালীজনীয়ে আজি মাকৰ বাবে এটা ঘৰ উপহাৰ দিব পাৰিছে। তেনেতে আহিল আৰু এটা ভাল খবৰ। বিজ্ঞানত তাইৰ পাৰ্দৰ্শিতাৰ বাবে তাই ISRO ত বিজ্ঞানৰ এষ্ট্ৰ'নমি (Astronomy) বিষয়ত গৱেষণা কৰিবলৈ সুযোগ পাইছে চৰকাৰৰ ফালৰ পৰা।

এইয়া যেন তাইৰ সপোনৰো বাহিৰত। গৱেষণাৰ বাবে যাত্ৰা কৰি দুৰ্বীয়ে প্ৰায় ২৫ বছৰ গৱেষণা কৰাৰ পাছত আজি পুৰাই প্ৰতিটো নিউজ চেনেলত বজা এটা খবৰে গোটেই দেশকে যেন তোলপাৰ লগাইছে। খবৰটো হ'ল দুৰ্বীয়ে আন দহজন বৈজ্ঞানিকৰ সৈতে ছমাহৰ বাবে মহাকাশলৈ যাত্ৰা কৰিব। এই খবৰ শুনি সকলোৰে লগতে মাক ৰ'দালি যে বুজাব নোৱাৰা এক সুখত মগ্ন হৈ পৰিছে। সেই ফুলকুমলীয়া বয়সতে মহাকাশলৈ এদিন গতি কৰিম বুলি প্ৰতিজ্ঞা কৰা ছোৱালীজনীৰ এই সপোনটো যে দিঠকত পৰিণত হৈছে তাক গ্ৰহণ কৰাত মাক ৰ'দালিৰ কিছুপৰ সময় লাগিছে। তাই যে নিজকে চিকুটি চাইছে, যে এইয়া কোনো ৰাতিৰ এক সুমধুৰ সপোন নহয়তো? নাই, এইয়া দিঠক। এইয়া দিঠক হৈছে অতীতত কৰি অহা অক্লান্ত কষ্ট, পৰিশ্ৰম তথা সাধনাৰ ফলত।

অৱশেষত দুৰ্বীয়ে দেশবাসীলৈ গৌৰব কঢ়িয়াই মহাকাশলৈ গমন কৰিলে। ছমাহ মহাকাশত কটোৱাৰ পাছত



সুশৰীৰে মহাকাশ যাত্ৰীৰ দলটো পুনৰ ঘূৰি আহিল। দেশৰ নাৰীৰ এনে পাৰদৰ্শিতা দেখি জনসাধাৰণ অভিভূত হৈ পৰিল। দুৰ্বীৰ লগতে আন দহজন বৈজ্ঞানীকক প্ৰদান কৰা হ'ব 'ভাৰতৰত্ন' বঁটা।

আজি সেইদিন আহি পৰিল। ভাৰতৰত্ন বঁটা ল'বলৈ মঞ্চলৈ উঠি গ'ল দুৰ্বী। মাইকৰ সন্মুখত দুআষাৰ ক'বলৈ বুলি বৈ ক্ষন্তেক তাই যেন থমকি উঠিছে। সেই বঁটা নিজৰ মাক ৰ'দালিলৈ তাই উচৰ্গা কৰিছে। বক্তব্যত বৰ্ণনা কৰিছে তাইৰ জীৱন নাটকখনি। তাইৰ বক্তব্যৰ মূল সাৰ হৈছে দৰিদ্ৰতাক চেলু নিদিব, তাক নিজৰ দুৰ্বলতা নবনাব; বৰঞ্চ ইয়াক নিজৰ শক্তি ৰূপে গঢ়ি তোলক, "দৰিদ্ৰতা বিফলতাৰ নহয়; সফলতাৰ মূল কাঠি।" এই বাক্যটোক প্ৰতিপন্ন কৰক; এইয়া বহি থকা দৰ্শক তথা উঠি অহা প্ৰজন্মলৈ তাইৰ আহ্বান। "কন্যা সন্তান দুৰ্বলতা বা বোজা নহয়, বৰঞ্চ সবলতা হে ইয়াৰ পৰিচয় দুৰ্বীয়ে দিছে।

সঁচাকৈয়ে যেন চেষ্টাৰ অসাধ্য একো নাই। অক্লান্ত চেষ্ট আৰু পৰিশ্ৰমৰ সন্মুখত দৰিদ্ৰতাই হাৰ মানিবলৈ বাধ্য হয়। আৰু এই চেষ্টা কৰিব লাগিব মানুহে। জীৱনৰ উত্থান পতন সকলো নেওচি 'আহা আমি যাত্ৰা কৰো ফুটপাথৰ পৰা মহাকাশলৈ" এই বাক্যই যেন চুই গ'ল। প্ৰতিজন লোকৰ হৃদয়।" দৰিদ্ৰতা মাথো জীৱনৰ এটা সময়; তাক আপুনি মই নিজৰ চেষ্টা উদ্যমেৰে পাৰ কৰিব লাগিব। ইয়াক চেলু নবনাব। ই সফলতাৰ আঁৰত কোনো কাৰণেই হেঙাৰ হ'ব নোৱাৰে যদিহে প্ৰকৃত উদ্যম থাকে। এই হেঙাৰ ভাঙি সকলোৱে দিব লাগিব এক বীৰত্বৰ পৰিচয়। ৰ'দালি আৰু দুৰ্বীৰ জীৱনেই ইয়াৰ এক উৎকৃষ্ট নিদৰ্শন।

❖❖❖





# জীৱনৰ ব্যাধি

**সুদৰ্শনা বৰুৱা**
স্নাতক দ্বিতীয় ষাণ্মাসিক
নৃতত্ত্ব বিভাগ
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়



সপোন সকলোৱে দেখে। কিন্তু সকলো সপোন পূৰণ কৰাৰ সৌভাগ্য হয়টো সকলোৰে নাথাকে। হৰেণ চৌধুৰী এজন অতি সু-প্ৰতিষ্ঠিত ব্যৱসায়ী আছিল। তেওঁৰ পত্নী আৰু কণমানি আকাশীৰ সৈতে আছিল এখন সুখৰ সংসাৰ। ধন-ধান, গাড়ী-মাটিৰে অতি চহকী ব্যক্তি আছিল চৌধুৰী। তেওঁৰ গাড়ী চলোৱাৰ দায়িত্বত আছিল ৰঘু ডেকা। ৰঘুৰ নিজৰ ঘৰ বুলিবলৈ আছিল মাথোঁ আধালেচা মাটিত এটি জুপুৰি ঘৰ। তেওঁৰ পুত্ৰ নীল প্ৰায় আকাশীৰ সমনীয়াই হ'ব। মিঃ চৌধুৰীৰ বোধকৰো সিহঁতৰ ওপৰত দয়া উপজিয়েই সিহঁতক চৌধুৰীৰ ঘৰতে থকা খোৱাৰ ব্যৱস্থা কৰি দিলে। নীল পঢ়াৰ প্ৰতি বহুত আগ্ৰহী আছিল। আকাশী আৰু নীল নলে-গলে লগা বন্ধু হৈ পৰিছিল। কোনো বস্তু আকাশীয়ে নীলক এৰি নাখায়। সিহঁতে একেলগে খেল-ধেমালি কৰিয়েই দিনটো পাৰ কৰায়। সময় বাগৰাৰ লগে লগে সিহঁতৰ স্কুলত নামভৰ্তি কৰাৰ বয়স হ'ল। নীলৰ হয়টো অলপ পলমেই হ'ল। ৰঘুই সাহস নকৰাৰ বাবেই হয়টো পলম হ'ল। চৌধুৰীয়ে আকাশীক ওচৰৰে ইংৰাজী মাধ্যমৰ স্কুল এখনত নামভৰ্তি কৰাই দিলে। নীলৰো পঢ়িবৰ বহুত হেঁপাহ। কিন্তু দেউতাক ক'বলৈ সি সাহস গোটাব নোৱাৰিলে। নীলৰ আগ্ৰহৰ কথা দেউতাকে ভালদৰে জানে। সেয়ে তেওঁ অলপ নিলগৰ চৰকাৰী স্কুল এখনত নীলৰ নামভৰ্তি কৰাই দিয়ে। নীলে বহুত স্ফূৰ্তি পালে মনত। সি বহুত উদ্যমেৰে পঢ়িবলৈ ধৰিলে। আকাশী অৱশ্যে পঢ়াত বহুত পাৰ্গত নহয়। তাইৰ খেল-ধেমালিতহে আগ্ৰহ। নীলে পঢ়ি থাকিলে তাই তাৰ ওচৰলৈ গৈ পঢ়াত অসুবিধা কৰি থাকেগৈ। এদিন-দুদিনকৈ সময় বাগৰি গৈ থাকিল। নীল আৰু আকাশীয়ে যৌৱনত ভৰি দিলে। সিহঁত দুয়ো এজন অবিহনে আনজন এখন্তেকো থাকিব নোৱাৰা হ'ল। নীলে উচ্চ মাধ্যমিক পৰীক্ষাত সুখ্যাতি অৰ্জন কৰাৰ বাবে নতুন কলেজখনে তাৰ পঢ়াৰ বাবদ এটকাও নোলোৱাৰ প্ৰতিশ্ৰুতি দিলে। আকাশীৰ দেউতাকে পইচা দি তাইক কোনোমতে সেইখন কলেজত নামভৰ্তি কৰাই দিলে। তাইৰ যোগ্যতা সেইখন কলেজৰ জোখাৰে নাছিল যদিও পইচাই তাইৰ সকলো ঠাইতে ভাগ্য উদয় কৰাই দিয়ে। লাহে লাহে নীল আৰু আকাশীৰ বন্ধুত্বই যেন আন এটা নাম দিব বিচাৰিলে। সিহঁত দুয়োৱে যে সৰুৰে পৰাই দুয়ো-দুয়োকে প্ৰাণভৰি ভালপায় সিহঁতে উপলব্ধি কৰিলে। এনেকৈয়ে দিনবোৰ গৈ থাকিল। আকাশীক বিয়াৰ প্ৰস্তাৱ দিবলৈ বহু আঢ্যৱন্ত ঘৰৰ ল'ৰা আহিবলৈ ধৰিলে। চৌধুৰীৰো এজন ল'ৰা খুবেই পচন্দ হ'ল। তেওঁৰ নাম আছিল কৌশিক। আকাশী বিপাঙত পৰিল। তাই কি সিদ্ধান্ত ল'ব ভাবিব নোৱাৰা হ'ল। নীলক আকাশীক হেৰুওৱাৰ ভয়ে বৰকৈ জুৰুলা কৰিবলৈ ধৰিলে। কৌশিক এজন উকীল। এই পেচাটোৱে কেনেবাকৈ আকাশীক নীলৰ পৰা আঁতৰাই নিয়ে বুলি তাৰ ৰাতি টোপনি নহা হ'ল। আকাশীৰ লগৰীয়া বিলাকে তাইক কয় যে "কৌশিকৰ দৰে ল'ৰা এজনৰ বিয়াৰ প্ৰস্তাৱ প্ৰত্যাখ্যান কৰি তই সেই মামুলী ড্ৰাইভাৰজনৰ পুতেকৰ লগত বিয়া হ'বি?" এই কথাবোৰে আকাশীকো ভাবিবলৈ বাধ্য

কৰালে। নীলৰ লগত বিয়াহ বহিলে মই সুখ পাম জানো। তাৰতো থাকিবলৈয়েই ঘৰ নাই।

সকলো চিন্তা-ভাৱনাৰ অন্তত আকাশীয়ে কৌশিকৰ লগত বিয়াত বহাৰ সিদ্ধান্ত ল'লে। নীলৰ মূৰৰ ওপৰত যেন গোটেই সৰগখনেই ভাগি পৰিল। সি দেউতাকক ক'লে যে সি হেনো ইয়াতকৈও ভাল কলেজ এখনত পঢ়াৰ সুবিধা পালে। সেয়ে সি সেই ঠাই এৰি আন এঠাইলৈ যোৱাৰ মন মেলিলে। দেউতাকেও তেওঁৰ ওচৰত থকা পইচাখিনি তাৰ হাতত তুলি দি তাক ভালদৰে পঢ়িবলৈ আশীৰ্বাদ দিলে। ইফালে আকাশীৰ বিয়াৰ সম্পূৰ্ণ আয়োজন চলিছে। কোনোবাটো মুহূৰ্তত তাইৰ নীললৈ মনতো পৰিছে। এইফালে নীল কান্দি কান্দি পাগলৰ দৰে হৈ গৈছে। সি ভাবিছে "সঁচাই এই পৃথিৱীত টকাতকৈ আপোন কোনো নাই।" সি নতুন কলেজ এখনত নামভৰ্তি কৰালে। দেউতাকে দিয়া টকা কেইটাৰে কিমানদিন চলিব। অৱশেষত সি গাড়ীৰ গেৰেজ এটাত কাম কৰা আৰম্ভ কৰিলে। ৰাতিপুৱা কলেজ যায় আৰু কলেজৰ পৰা আহি সি গেৰেজত কাম কৰে। এইফালে আকাশী আৰু কৌশিকৰ এখন সুখৰ সংসাৰ। সিহঁতৰ মাজলৈ এজনী কণমানিৰ আগমন হ'ল। তাইৰ নাম ৰাখিলে পাহী। এনেদৰেই সময় গৈ থাকিল। লাহে লাহে পাহী ডাঙৰ হৈ আহিল। এদিন তিনিও ফুৰিবলৈ গ'ল। তেওঁলোকে চিত্ৰগৃহত এখন ধুনীয়া ছবি চাই ঘূৰি অহাৰ পথত হঠাৎ ঘটিল এক অঘটন। সিহঁতৰ গাড়ীখনে নিয়ন্ত্ৰণ হেৰাই এডাল প্ৰকাণ্ড গছত খুন্দা মাৰিলে। লগে লগে কৌশিকৰ মৃত্যু হ'ল। আকাশী আৰু পাহী কোনো মতেহে বাচিল। পাহীয়ে মূৰত বৰ বেয়াকৈ আঘাত পালে। তাইৰ মূৰৰ প[...] তেজৰ সোঁত ব'ব ধৰিলে। আকাশী বাউলিৰ দৰে হৈ পৰিল[...] আকাশীৰ দেউতাকহঁতে আহি পাহীক হাস্পতাললৈ গ'ল[...] কৌশিকৰ মৃত্যুত আৰু পাহীৰ প্ৰাণৰ সৈতে যুঁজ দেখি[...] আকাশীৰ এক অবুজ অনুভৱ হ'ল। পাহীক হেৰুৱাৰ ভয়ে[...] তাইক অস্থিৰ কৰি পেলালে। তাই কান্দি কান্দি অপাৰেচন[...] ৰুমৰ ফালে চাই ৰ'ল। ৰুমটোৰ পৰা এজনী নাৰ্ছ ওলাই অহাত[...] আটায়ে থিয় হ'ল। আকাশীৰ মুখত উদ্বিগ্নতা। নাৰ্ছজনীয়ে[...] ক'লে — " অপাৰেচনটো ভালে ভালে হৈ গ'ল। আমাৰ[...] ছাৰৰ বাবেই এইটো সম্ভৱ হ'ল।" আকাশী আৰু দেউতাক[...] দুয়ো ডাক্তৰজনক ধন্যবাদ দিবলৈ গ'ল। দুয়ো হঠাৎ অবাক[...] হৈ গ'ল। ডাক্তৰৰ সাজত সেয়া আন কোনো নহয় 'নীল'। আকাশীয়ে হুকহুকাই কান্দিবলৈ ধৰিলে। মিঃ চৌধুৰীয়ে নীলৰ ভৰিত ধৰি কান্দিবলৈ ধৰিলে। নীলে তেওঁক উঠাই সাৱটি ধৰিলে। তেওঁলোকে সেইদিনা বুজিলে মানুহৰ জীৱনত টকাই যে সকলো নহয়। ভাগ্যই কাক ক'ত লৈ যায় কোনেও নাজানে।

দৰিদ্ৰতা মানুহৰ জীৱনত ব্যাধি হৈ আহিলে, এই ব্যাধিৰ সৈতে যুঁজি লক্ষ্যত উপনীত হোৱাৰ প্ৰচেষ্টাই মানুহক সফল কৰি তোলে।

❖❖❖

- ❑ ভাষাই সাহিত্যৰ দেহ। ভাষাক আওকাণ কৰি সাহিত্যৰ শ্ৰীবৃদ্ধি কৰা মানে দেহক আওকাণ কৰি মনক সুস্থ কৰা।
  —লক্ষ্মীনাথ বেজবৰুৱা
- ❑ ল'ৰা-ছোৱালীক প্ৰকৃত মানুহ হ'বলৈ শিক্ষা দিব লাগে। ভদ্ৰলোক বা ভদ্ৰমহিলা হ'বলৈ নহয়।
  — পদ্মনাথ গোহাঞিবৰুৱা
- ❑ কোনোবাই যদি ভাবিছে বন্দুক বেয়নেট বা শাৰীৰিক অত্যাচাৰৰ ভয়ত আমি কলম নমাই থ'ম, তেনেহ'লে তেওঁ মূৰ্খৰ স্বৰ্গত বাস কৰিছে।
  — পৰাগ কুমাৰ দাস





# দৰিদ্ৰতা—আশীৰ্বাদ নে অভিশাপ?

পৰী কলিতা
স্নাতক দ্বিতীয় ষাণ্মাসিক
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়



এখন খুব চিনাকি পৃথিৱীৰ দুখলগা ছবি। সুখৰ আচলে যোৱা আঠটা বছৰ লগ নিদিয়া প্ৰিয়াহঁতৰ ঘৰখনৰ বৰ্তমানৰ অৱস্থা তেনেই শোচনীয়। আঠ বছৰ আগতে দেউতাক ঢুকোৱা ঘৰখনত প্ৰিয়া আৰু তাইৰ ভাইটি পল। বেমাৰী মাকজনী থকাই নথকাই প্ৰায় সমান। দেউতাকৰ হাতদুখনেই ঘৰখনৰ একমাত্ৰ উপাৰ্জনৰ মাধ্যম আছিল।

"মা, আজি দেউতা ঢুকোৱা আঠ বছৰ পূৰ্ণ কৰিলে। গাঁৱৰে নামঘৰত শৰাই এখনি আগবঢ়ালো। প্ৰসাদ লোৱা এয়া" বিচনাত পৰি থকা বেমাৰী মাকজনীক প্ৰসাদখিনি দি উঠি তাই কামলৈ যাবলৈ সাজু হ'ল। ওঠৰ বছৰীয়া প্ৰিয়াই এতিয়া গাঁৱৰ মৌজাদাৰৰ ঘৰতে কাম কৰে। ভায়েকক ভালকৈ পঢ়াবলৈ তাই নিজৰ পঢ়া-পাতি প্ৰায় এৰি দিয়াৰ দৰেই হৈছে।

"বা, আমাৰ অনলাইন ক্লাছ হ'ব বোলে! মোক এটা ভাল স্মাৰ্টফোন লাগিছিল।" ভায়েকৰ কথা শুনি কিছুপৰ নিমাত হৈ ৰৈছিল তাই। বস্তুৰ দৰ-দামৰ লগত তাইৰ সেই সৰু-সুৰা কামে ফেৰ মাৰিব নোৱাৰা অৱস্থা এতিয়া। তাই মনতে সিদ্ধান্ত ল'লে তাই চহৰলৈ যাব সৰু-সুৰা কাম বিচাৰি হ'লেও। ভৱামতেই কাম হ'ল; মৌজাদাৰে দিয়া ঠিকনা এটাত প্ৰিয়া আহি জ্যোতিকুছিৰ এটা সৰু গলি পালেহি। আহোতেই ভায়েকক কথা দি আহিছে এই মাহতে ফোন এটা জোগাৰ কৰিব বুলি; ৰুগীয়া তাইৰ দায়িত্ব তাৰ হাততেই অৰ্পন কৰি আহিছে।

"আপুনি প্ৰিয়া বৰ্মন?" কোনোবা পুৰুষ স্বৰত তাইৰ নামটো শুনি তাই ঘূৰি চালে।

"হয়" উত্তৰটো শুনিয়েই বেগ এটা তাইৰ হাতত দি মানুহজনে ক'লে "এইটো লৈ গৈ পল্টনবজাৰৰ নেহেৰু মাৰ্কেটত দি আহিবা।"

"কিন্তু"

"কোনো কিন্তু নাই। আমাৰ গাড়ীৰে আপোনাক লৈ যোৱা হ'ব।" কাম কৰিম বুলি আহিছে যেতিয়া একো আগ গুৰি নাভাবি তাই কামত মনোনিৱেশ কৰিলে। দৰিদ্ৰতাই কোঙা কৰা মনটোৰে এতিয়া সকলো কৰিবলৈ ৰাজী। সৰুতে তাইও পঢ়িছিল "মানী ডাজ নট মেটাৰ" কিন্তু পঢ়া আৰু বাস্তৱৰ মাজত আকাশ-পাতাল পাৰ্থক্য, যিদৰে জ্ঞান আৰু অভিজ্ঞতাৰ পাৰ্থক্য বিশাল।

কোনো প্ৰশ্ন নকৰাকৈ তাই টোপোলাটো নিৰ্দিষ্ট স্থানত থৈ আহিল। মাজে সময়ে কাৰোবাৰ পৰা ফোন লৈ মৌজাদাৰৰ ঘৰলৈ ফোন কৰে তাই, ঘৰৰ খবৰ লয়; ৰুগীয়া মাকৰ উশাহ-নিশাহৰ খবৰ লয়, ভায়েকৰ পঢ়াৰ খবৰ ৰাখে। যোৱা দুদিনমানৰ পৰা অলপ আচহুৱা পাইছে সিহঁতৰ কাম কৰা বাংলোত। বহুত ল'ৰাৰ আহ-যাহ দেখিছে; দুটামানে তাইক উদ্দেশ্যি প্ৰায়ে কৈছে 'নতুনকৈ আহিছে মজা ল'ব লাগিব দেই।' মনত ভয় শংকাই যদিও হেঁচা মাৰি ধৰিছে আনফালে ভায়েকক মানুহ কৰাৰ সপোন, মাকৰ দৰবৰ চিন্তাই তাইক মৰি মৰি জীয়াই ৰাখিছে।

কাপোৰৰ মোনাখনত জমা কৰি ৰখা পইচাখিনি মাজে মাজে গণে তাই, কিবাকৈ তিনি হাজাৰ হৈছে আৰু দুহেজাৰ মান গোটাব পাৰিলে ভায়েকলৈ ফোন এটা কিনি কাজিৰঙা নামৰ বাছখনৰ মালিকৰ হাতেতে দি পঠাব; মালিকৰ ঘৰ সিহঁতৰ ঘৰৰ ওচৰতে, মাহে মাহে মাকৰ দৰৱখিনি তেখেতৰ হাততে পঠায়।

"অই ছোৱালী, আজি অলপ তোৰ কাম বেছি হ'ব। আহিবি মোৰ ৰুমলৈ বুজাই দিম ভালকৈ। আজি তোক দৰমহা ৪০০০ টকা দিয়া হ'ব।" শকত আৱত তিৰোতা এগৰাকীয়ে মাতি থৈ গ'ল তাইক। কিবা এটা ভয়ে টানি ধৰিছে যদিও ভায়েকক পঢ়াৰ সুবিধাকণ কৰিব দিব পাৰিব বুলি ভাবি তাই যোৱাৰ সিদ্ধান্ত ল'লে। ভাল কাপোৰ এযোৰ পিন্ধি সন্ধিয়া প্ৰায় সাতমান বজাত নিৰ্দিষ্ট স্থান পালে।

"বাইদেউ!"

"আহি পালি। আহ মানুহ বৈ আছেহি।"

"মানে?"

"তোক কি পূজা কৰিবলৈ মাতিছো বুলি ভাবিছ' নেকি? এই চাৰিওজন মানুহকে খুছ কৰাৰ দায়িত্ব তোৰ।"

"ইমান বেয়া কাম কৰিব নোৱাৰিম মই।"

"এনেয়ে কি ভাল কাম কৰি আছ'নো। বস্তুবোৰ যে এইফালৰ পৰা দাঙি সেইফাললৈ নিছ' সেইবোৰ কি কেতিয়াবা জানিব বিচাৰিছ' জানো?"

"নাই। কিন্তু কি সেইবোৰ?"

"ড্ৰাগছ"

"কি?" ঠাইতে মূক হৈ ৰ'ল তাই। বাকীখিনি কি হ'ল সেইয়া তাইৰ চিন্তাৰ বাহিৰত। এখন এখনকৈ খহি পৰিল গাৰ আঁৰকাপোৰ যেন তাইৰ জীৱনটোৰ সকলো খহি পৰিছিল মাটিত। পিছদিনা শুই উঠিয়ে বিচনাৰ ওচৰত চাৰি হাজাৰ টকা পৰি থকা দেখিলে। পইচাখিনি হাতত লৈ এবাৰ ডাঙৰকৈ হাঁহিলে আৰু ক'লে "তই মানুহ হ'বি ভাইটি, দৰিদ্ৰতা ফা[illegible] আগুৱাই যাবি। কিন্তু ভাইটি আনৰ আগত সৰু নহ'বি। আমা[illegible] গাঁওৰেই ভাল অ' ভাইটি। তোৰ ফোনটো সোনকালেই পাবি।" সেইদিনাই তাই ফোনটো কিনি ভায়েকলৈ পঠালে লগত[illegible] মাকৰ দৰৱখিনি।

এতিয়া আৰু তাই জীয়াই থকাৰ কোনো উদ্দেশ্য বিচা[illegible] পোৱা নাই। পুৰুষ কামনাই তাইক এক ৰাতিতে বহু দামী কৰি[illegible] পেলালে, তাইৰ দাম এক ৰাতিত চাৰি হাজাৰ এতিয়া। সেই[illegible] ৰাতিতেই এৰা খাই গ'ল তাইৰ গাৰ পৰা দৰিদ্ৰতাৰ অদৃশ্য[illegible] বান্ধোন।

লুইতখন তাইৰ খুব প্ৰিয়, লুইতৰ সমান বিশাল মনটো[illegible] হঠাতে কিয় ইমান ঠেক কলেবৰত সোমাই পৰিল সেয়া আজি[illegible] সকলোৰে বাবে ৰহস্য। ইমান ঠেক কলেবৰ হ'লেও আত্মহননৰ বাবে তাই বিশাল ব্ৰহ্মপুত্ৰতে জাহ গ'ল।

কাহিনী মাৰ নোযোৱা জীৱনৰ বেলি ভাটি দিয়া বয়স পালেহি; কথাবোৰ পুৰণি হ'ল সকলোৰে বাবে। একমাত্ৰ পলৰ চকুত ভাঁহি থাকিল বায়েকৰ জীৱনগাঁথাৰ বুৰঞ্জী। দৰিদ্ৰতাই তাইক গ্ৰাস কৰিলে; কিন্তু সেই একেই মাক-দেউতাকৰ সন্তান পল বৰ্মনে দৰিদ্ৰতাক গ্ৰাস কৰি যোৱাকালি সৰ্বভাৰতীয় পৰ্যায়ৰ পৰীক্ষাত সুনাম কৰি স্বৰ্গত থকা বায়েকৰ মনত এবাৰৰ বাবে হ'লেও শান্তিৰ ছবিখন আঁকিব বিচাৰিছে। দৰিদ্ৰতা দেখাতকৈ বহুত বেলেগ; দৰিদ্ৰতাৰ অভিজ্ঞতাৰে পুষ্ট ব্যক্তিয়েহে বুজে দৰিদ্ৰতা কি, দৰিদ্ৰতাৰ জ্ঞান বুলিবলৈ কিতাপবোৰতো আছেই। দৰিদ্ৰতা আত্মহনন নহয়, আত্মপ্ৰতিষ্ঠাৰ মাধ্যম হওঁক।

❖❖❖





# জোনাকীৰ সমাধি

**ড° ৰুলী বৰঠাকুৰ**
সহযোগী অধ্যাপিকা
প্ৰাণীবিজ্ঞান বিভাগ
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

মই মা পাপাৰ একমাত্ৰ সন্তান, নাম মোৰ বিজিতা, মৰমতে ঘৰত সকলোৱে বিজু বুলি মাতে। কেতিয়াৰ পৰা ৰত্না মাহী আমাৰ ঘৰলৈ আহিছিল মই নাজানো, কিন্তু মই যে মাহীৰ হাততেই ডাঙৰ হ'লো সেইটো জানো।

মোৰ মা, পাপা দুয়োজনেই অফিচাৰ। পাপা পুলিচ বিভাগৰ উচ্চ পদস্থ বিষয়া আৰু মা বেংকৰ কৰ্মচাৰী। তেওঁলোকে মোৰ সকলো দায়িত্ব ৰত্না মাহীৰ হাতত দিয়েই কামলৈ নিশ্চিন্ত মনে ওলাই গৈছিল।

বিজু,

তোমাক আজি মই কাগজৰ নাও বনাবলৈ শিকাম দেই।

ৰ'বা মই কাগজ আনো.... নিভা।

মোৰ ৰঙা নীলা মাৰ্বল কাগজবোৰ দেখি তাইৰ চকু তিৰবিৰাইছিল। এইবোৰ কাগজ ক'ত পায় বিজু? মোৰ এনেকুৱা কাগজ নাই আনকি মোৰ লগৰ কাৰোৰে নাই। তুমি মোক এটুকুৰা দিবা নেকি মই লগৰবিলাকক দেখুৱাম। তাই মই দিয়া কাগজ টুকুৰা জাপি কুছি ধুনীয়াকৈ মাকৰ বেগটোত থৈ দিছিল।

মই তাইতকৈ বয়সত দুই বছৰ ডাঙৰ বুলি ৰত্না মাহীয়ে মাক কৈ থকা মই শুনিছিলো। তাই ঘৰৰ ওচৰৰ প্ৰাথমিক বিদ্যালয়ৰ প্ৰথম শ্ৰেণীত পঢ়ে, কিন্তু তাই কাগজৰ নাও, এ'ৰোপ্লেন আনকি কাগজৰ ফুলো বনাব জানে। তাই আহিলে যে মোৰ ইমান ভাল লাগিছিল। ইমান মই নজনা কথা জানে আৰু টপটপাই থাকে। মোৰ বস্তুবোৰ নেদেখা বস্তু দেখাদি পিটিকি পিটিকি চায়। মায়ে মোক সাৱধান কৰি দিছিল চাবা দেই বিজু তাই তোমাৰ বস্তুবোৰ যাতে নিনিয়ে। এইবোৰ সৰু



মানুহবোৰৰ হাত লৰ হয়। কিন্তু কোনোদিনে তাই এটুকুৰা কাগজো মোক নোসোধাকৈ চোৰা নাছিল।

নিভা ৰত্না বাইদেউৰ ছোৱালী। গৰমৰ বন্ধ আৰু স্কুল বন্ধ দিনবোৰত বাইদেউৰ লগত আমাৰ ঘৰলৈ আহিছিল। কেতিয়াবা তাই আমলখি এটা, কেতিয়াবা শিলিখা এটা, কেতিয়াবা, পানী চিংৰা, কেতিয়াবা জেতুলী পকা, কেতিয়াবা হে'লচ কেইটামান, কেতিয়াবা পথাৰৰ চেঁচো কেইটামান, কেতিয়াবা আকৌ টেপৰ টেঙা এটা লৈ হাজিৰ হৈছিল আৰু মোৰ ইণ্টাৰভিউ আৰম্ভ কৰি দিছিল, কোৱাচোন এইটো কি? সেইটো কি? উসঃ মই একো চিনি নাপাইছিলো, তাই খুউব খিলখিলাই হাঁহিছিল। মই লাজ পাই তাইক আমাৰ ঘৰলৈ অনা ফল-মূল যেনে—আপেল, কমলা, ডালিম এইবোৰ দেখাইছিলো। তাই টপটপকৈ উত্তৰ দিছিল। তাই মোক জোনাকী পৰুৱাৰ দেশলৈও লৈ গৈছিল, কেতিয়াবা এটা জোনাকী পৰুৱা ধৰি মোৰ হাতত দিছিল, মোৰ হাতত জোনাকীয়ে জোনাক বিলাই হাতখন পোহৰ হৈ কৰিছিল, মই আনন্দত জপিয়াইছিলো।

তাই ভূতৰ কাহিনী, নামঘড়ীয়াৰ কাহিনী, দলুৱাৰ কাহিনী, এইবোৰ শুনাই শুনাই মোক ভয় খুৱাইছিল। খং উঠি তাইক মাৰিবলৈ খেদি গ'লে তাই মোক জিভা শিঁয়াৰি দিছিল আৰু পকাই পকাই দৌৰিছিল, যাতে মই তাইক ধৰিব নোৱাৰো।

মোক পঢ়োৱা ছাৰ আহিলে কাষতে বহি সকলো মনে মনে শুনি আছিল আৰু মোৰ পুৰণি বহীত ছবি আঁকিছিল।

ইমান সৰুতে তাই ইমান কথা বুজি পাইছিল, মোৰ লগত একেলগে খাবলৈ দিলেও তাই সদায় তলত কাঁহিখন নমাই লৈছিল। মোৰ পুৰণা ফ্ৰকবোৰ কিমান আগ্ৰহেৰে পিন্ধিছিল।

এবাৰ তাই মোৰ বাৰ্থদেত আহিছিল, নেদেখা বস্তু দেখাদি ভেলেঙা লাগি চাই আছিল, সেইবাৰ মায়ে তাইক নতুন ফ্ৰক এটা আৰু জোতা এজোৰ দিছিল। তাই মোক ৰং বিৰঙৰ কাগজৰ ফুল এথোপা বনাই দিছিল।

মোৰ অকলশৰীয়া জীৱনটোৰ তাইৰ সান্নিধ্যই অন্যতম লগৰী আছিল। তাই মোক সিহঁতৰ ঘৰলৈ লগ ধৰিছিল, মায়ে যাবলৈ দিয়া নাছিল যদিও কুটুৰি কুটুৰি এদিন মই মাৰ মত লৈ তাইৰ লগত সিহঁতৰ গাঁৱৰ ঘৰলৈ গৈছিলো।

তেনেকুৱা ঘৰ মই আগতে দেখা নাছিলো, মাটিৰে লেপা, তলখন কেঁচা আৰু বৰ চাফা। মাহীয়ে মোক মূৰত থ'বনে, মাটিত থ'ব কৰিছিল। নিভাই তাই মেকুৰীটো, কুকুৰ পোৱালিটো, হাঁহ, পাৰ, ছাগলী পোৱালিকেইটা দেখুৱাইছিল। আটাইতকৈ আচৰিত আৰু ভাল লগা বস্তুটো আছিল সিহঁতৰ মইনা চৰাইটো। সি নিভাক দেখিলেই মই মইনা, মই মইনা কৈ চিঞৰিছিল। তাই চৰাইটোক বিজু বুলি মাতিবলৈ শিকাইছিল আৰু কৈছিল আকৌ যেতিয়া আমাৰ ঘৰলৈ আহিবা চাবাচোন তোমাক কেনেকৈ বিজু বুলি মাতিব।

সেইদিনা সিহঁতৰ ঘৰতে ৰাতিপুৱাৰ জলপান আৰু ভাত খাইছিলো। সেই জলপান আৰু ভাত সাজ মোৰ বিৰাট ভাল লাগিছিল। থপথপীয়া দৈ, চিৰা আৰু কল, বাটিতো চেলেকি চেলেকি খাইছিলো। ইফালে ভাতৰ লগত পাৰ মাংসৰ জালুক দিয়া জোল। ভাত খাই উঠি আমি নৈ পাৰলৈ ফুৰিবলৈ গৈছিলো। নৈৰ কাষৰ পানী জমা হোৱা খালবোৰ থেপথেপাই কাপোৰ-কানিবোৰ লেতেৰা কৰিছিলো। গামোচা এখন পিন্ধাই মাহীয়ে মোৰ কাপোৰবোৰ চাফা কৰি দিছিল আৰু নিভাক খুউব গালি দিছিল।

তাই কন্দা মই প্ৰথম দেখিছিলো, মোৰ বহুত বেয়া লাগিছিল। গধূলি মই যেতিয়া ঘূৰি আহিলো, তাই মোক এখন কাগজৰ নাওঁ দিছিল আৰু কৈছিল, মই যোৱালৈকে ভালকৈ থবা। তাইক গাঁৱৰ ঘৰত থৈ মাহীও মোৰ লগত গুছি আহিছিল।

মই তাইক বেলেগৰ লগত এৰি মাহীক কিয় মোৰ লগত আহিছিল, বাৰে বাৰে সুধিছিলো। মাহীয়ে কৈছিল মা পাপা অফিচলৈ গ'লে তুমি কাৰ লগত থাকিবা বিজু? তাইতো দেউতাক আৰু বায়েক আছে।

আমি গাঁৱৰ পৰা অহাৰ অলপ দিনৰ পিছৰ পৰাই আৰম্ভ হ'ল অতিমাৰীৰ মৃত্যু কিৰিলি। ক'ভিডে সকলোফালে সংহাৰী ৰূপ লৈছে। এতিয়া চাৰিওফালে বন্ধ খালি বন্ধ, স্কুল বন্ধ, বজাৰ সমাৰ সকলো বন্ধ মানে তলা বন্ধ। ৰত্না মাহী আমাৰ ঘৰত বন্দী, ইফালে নিভা ঘৰত বন্দী।

মাহীয়ে ঘৰৰ চিন্তাত চট্‌ফটাই আছে আৰু মই নিভাৰ কথা ভাবি মন মাৰি আছো। মোৰ এনে লাগিল যেন মোৰ বাবেহে মাহী ইয়াত আৰু তাই তাত অকলে।

আমাৰ ঘৰৰ মোক আৰু মাক বাদ দি সকলোৰে ক'ভিডত আক্ৰান্ত হৈ হস্পিটেলত আছিল। মাহী যিহেতু আমাৰ ঘৰত থাকোতেই ক'ভিডত আক্ৰান্ত হৈছিল, মাহীক চোৱা-চিতা কৰাত অসুবিধা হেতু দেউতাই মাহীক বিশেষভাৱে অনুমতি লৈ ঘৰলৈ পঠোৱাৰ ব্যৱস্থা কৰিলে।

আজি বহুদিনৰ পিছত মাহী আমাৰ ঘৰলৈ আহিছে। মই বৈ আছো, নিভাৰ কথা সুধিবলৈ।।

মাহী নিভাই মোলৈ এৰোপ্লেন দিছে নেকি? তাই মোক দিম বুলি কৈছিল।। মাহীয়ে হুক্‌হুকাই কান্দি উঠিল।। মায়ে মোক টানি টানি ভিতৰলৈ লৈ গৈছে।।

মই বুজা নাই কি হৈছে, মই চিঞৰি চিঞৰি সুধিছো, কি হ'ল নোকোৱা কিয়?

মোৰ কান্দোন শুনি মাহীয়ে কাগজৰ নাওঁ এখন সাজি দি ক'লে, বিজু তোমাক নাওঁ সাজি দিবলৈ নিভা আৰু কোনোদিনে নাহে, ক'ভিডে তাইক বহু দূৰলৈ লৈ গ'ল।। মই কান্দিছো, কান্দিছো.... কেৱল কান্দিছো... মাহীয়েও কান্দিছে আৰু প্ৰাৰ্থনা কৰিছে, নিভাৰ লগত হোৱা এই বিচ্ছেদক সহ্য কৰিবলৈ বিজুক অপৰিসীম শক্তি আৰু ধৈৰ্য দিয়া প্ৰভু!!!

❖❖❖





# আলহী

**দীপজ্যোতি চহৰীয়া**
স্নাতক ষষ্ঠ ষাণ্মাসিক
বাণিজ্য বিভাগ
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

দুদিন পাছত বিহু। চাৰিওফালে এক উৎসৱমুখৰ পৰিৱেশ বিৰাজ কৰি আছে। পিছে এই ৰঙৰ উৎসৱে সকলোৰে বাবে ৰং কঢ়িয়াই নানে, কিছুমানৰ বাবে ই চৰম দুখৰ কাৰণো হে পৰে। অৰুণৰ ঘৰতো বৰ্তমান তেনেকুৱাই অৱস্থা। বিহু বুলি খাবলৈ ঘৰত হাঁহ, ছাগলী একোৱেই নাই, গৰু বিহুৰ দিনা ধুৱাবলৈও মাত্ৰ এজনীহে গাই গৰু আছে। বাকী বিহু বুলি নতুন কাপোৰৰ আশাও সি কৰা নাই কাৰণ ইতিমধ্যে তাৰ দেউতাক ধাৰত পোত খাই আছে। এই বিহুৰ বতৰত পাবলগীয়াসকলে য'তেই দেখিছে তাৰ দেউতাকক পইচা উভতাই দিবলৈ সকীয়াই দিছে।

পিছে এটা ফোনকলে অৰুণৰ কটা ঘাঁত যেন নিমখ সানি দিলে। যেতিয়া ফোনত গুৱাহাটীত থকা তাৰ মাহীয়েকে সপৰিয়ালে বিহু খাবলৈ আহিব বুলি জনালে। কথাটো কোৱাত মাকৰো চকু দুটা সেমেকি উঠিল কাৰণ ঘৰৰ অৱস্থা তেনেই বেয়া, আলহী আহিলে থাকিবলৈ দিবলৈ একেবাৰে উপযোগী নহয়। ঘৰত যি দুখন বিচনা আছে তাত লেপ আৰু কম্বল কেইখন কেইবাবছৰো পুৰণি, বিচনা চাদৰ কেইখনো লেতেৰা ক'লা পৰি যোৱা। ইয়াতকৈ ডাঙৰ সমস্যাটো হ'ল আলহীক খুৱাব কি? ইমান বছৰৰ মূৰত সিহঁতৰ ঘৰলৈ আহিছে, ভালদৰে খুৱাব নোৱাৰিলে মান-সন্মান সকলো নাইকীয়া হৈ পৰিব।

আলহী ৰাতিলৈকে আহি পাব। অন্য কোনো বাট নেদেখি দেউতাকে ঘৰৰ একমাত্ৰ গাইজনীকে বেচি দিলে। কিন্তু গাইজনীৰ উপযুক্ত মূল্যতকৈ আধা দামহে পালে কাৰণ খৰখেদাকৈ বেচিব খোজা দেখি বেপাৰীজনে সুবিধা ল'লে। যিখিনি পইচা পালে দেউতাকে ৰাতি আলহীক খুৱাবলৈ বুলি অলপ পঠা মাংস, ৰৌ মাছ আৰু শাক-পাচলি আদি বজাৰৰ পৰা লৈ আহিল। মাকেও বিপদত লাগিব বুলি যি সামান্য দুপইচা জমা কৰিছিল অৰুণৰ হাতত গুজি দি আলহীক চাহৰ লগত দিবলৈ মিঠাই বিস্কুট ইত্যাদি আনিবলৈ দিলে। অৰুণে ঘৰৰ এনে অৱস্থা দেখি হতাশ হৈছিল যদিও কিছু উৎসুকো আছিল কাৰণ বহু বছৰৰ মূৰত তাৰ মহায়েক আৰু মাহীয়েক আহিব। মাহীয়েকৰ পৰিয়ালটো ধনী ঘৰৰ যিহেতু তাৰ বাবে কিবা ভাল উপহাৰ নিশ্চয় আনিব গুৱাহাটীৰ পৰা।

সন্ধিয়ালৈকে খোৱা-বোৱাৰ সম্পূৰ্ণ প্ৰস্তুতি হৈ গ'ল। এতিয়া অপেক্ষা মাথোঁ আলহী ঘৰ পোৱালৈ। অৰুণে দুপৰীয়া এবাৰ ফোন কৰোতে মাহীয়েকে আধা ৰাস্তাতে আছে বুলি কৈছিল। কিন্তু সন্ধিয়া ৭ বাজি পাৰ হোৱাৰ পিছতো আলহী আহি নোপোৱা দেখি কিবা বিপদ হৈছে বুলি অৰুণৰ অলপ চিন্তা হ'ল। এনেতে অৰুণৰ মাহীয়েকৰ ফোন আহিল, ফোনটো ৰিছিভ কৰাৰ পিছত সিফালৰ পৰা মাহীয়েকে ক'লে যে আজি আৰু কালি সিহঁতে মহাকৰ কোনোবা বন্ধুৰ ঘৰত থাকিব কাৰণ তাতে হেনো বিহুৰ ফাংচন আছে ডাঙৰ কোনোবা গায়ক আহিব, অৰুণৰ ঘৰলৈ পৰহিলেহে আহিব। কথাটো শুনি অৰুণৰ হাত দুখন কঁপিবলৈ ধৰিলে কাৰণ পৰহিলৈ বুলি বেচিবলৈ সিহঁতৰ ঘৰত আৰু একো বস্তু নাই।

❖❖❖

অনুভৱৰ একাষাৰে শিতানে

# আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ ছাত্ৰী নিবাস ঃ এখন ঘৰ, সুকীয়া অনুভৱ

প্ৰদক্ষিণা কলিতা
স্নাতক চতুৰ্থ ষাণ্মাসিক
গণিত বিভাগ
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

কথা-কাহিনীৰে জুখি চালে লাগে যেন এটা বছৰ নহৈ এটা যুগহে; সময়ৰ হিচাপেৰে চালে এটা বছৰ নহৈ যেন এটা পল। এয়াই বৰ্তমানলৈ এবছৰ গৰকা মোৰ হোষ্টেল জীৱন। আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয় ছাত্ৰী নিবাস; আজীৱন মানসপটত ৰৈ যাব এখন ছবি।

১ ডিচেম্বৰ, ২০২১ চন; দুপৰীয়া ঠিক ১২.৩০ বজাত খোজ পেলাইছিলো নতুন এক হোষ্টেল জীৱনত। যদিও আগতে হোষ্টেলত থাকি আহিছিলো; এইবাৰৰ অভিজ্ঞতা যেন কিছু সুকীয়া হ'ব তেনে অনুভৱ। বুকুত ভয় ভয় ভাৱ, মনত ছিনিয়ৰ শব্দৰ সাংঘাতিক সাঁচ। কিন্তু ভবা আৰু চিন্তাতকৈ বহুগুণে পৃথক আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয় ছাত্ৰীনিৱাস। প্ৰথম দিনৰ পৰাই ঘৰখনৰ দৰে হৈ পৰা আপোন মানুহ আৰু ৱাৰ্ডেন মেমৰ মাতৃসুলভ আচৰণে মোৰ দৃষ্টি আকৰ্ষণ কৰিছিল।

হোষ্টেলখনত অনুষ্ঠিত হোৱা বিভিন্ন অনুষ্ঠানৰ পৰাই অনুপ্ৰাণিত হৈ কলেজ বা অন্য মঞ্চত দুআষাৰ ক'বলৈ সাহস গোটাইছিলো। মাত্ৰ এটা বছৰতে ভিন্ন অভিজ্ঞতাৰে পুষ্ট হৈ পৰিলোঁ। জীৱনে যিখিনি শিকায় তাৰে আধাতকৈ বেছি হয়তো হোষ্টেল জীৱনে শিকায়। জানি নাজানি কৰা ভুল, তাৰ পৰা পোৱা শিক্ষা; পৰীক্ষাৰ আগদিনা ৰাতি দুপৰলৈকে পঢ়া; একেলগে এজাক ছোৱালী বজাৰ সমাৰলৈ যোৱা; হোষ্টেলৰ কামত সহায় কৰা ইত্যাদি ইত্যাদি ভিন্ন কামে এক কৰি ৰাখে এই হোষ্টেলৰ আৱেগ। সৰস্বতী পূজাৰ মাদকতাই সুকীয়া। আগদিনা একেলগে বজাৰ সমাৰ কৰি পিছদিনা নিজক সজাই-পৰাই কাম কৰাৰ পৰা সকলো কথাৰ মজাটো অকল হোষ্টেলত থকা খিনিয়েহে জানে। যি সময়ত ৰেগিং নামৰ ব্যাধিয়ে বহু কলেজ, ইউনিভাৰ্ছিটি আৱৰি ধৰিছে, তেনে স্থলত আজি এটা বছৰে কোনো তেনে ধৰণৰ কৰ্মকাণ্ড দেখি পোৱা নাই বুলি গৌৰৱেৰে ক'ব পাৰোঁ। হয়টো হোষ্টেলত কৰ্মৰত খুৰা হওঁক বা পেহী হওঁক তেওঁলোকৰ কথা নিলিখিলে এই লিখনিটো আধৰুৱা হৈ ৰ'ব। এখেতসকলে আমাক নিজৰ ল'ৰা-ছোৱালীৰ দৰে আৱৰি ৰাখে; এক নিঃস্বাৰ্থ মৰম, ঘৰৰ মৰম।

ভিন্ন ঠাইৰ পৰা আহি ইমান কেইজনী ছোৱালী একেলগে থাকি এখন বেলেগ সমাজ গঢ়ি উঠে হোষ্টেলৰ ভিতৰত। সকলোৰে ভিন ভিন মত তথাপিও হোষ্টেলৰ স্বাৰ্থত একেটা বিন্দুতে মিলিত হয় সকলো। এদিনো থাকিবলৈ মন নোযোৱা এই হোষ্টেলখনকে এৰি যাবলৈ মন নোযোৱা হয় এদিন।

একেখন আকাশৰ তলতে মোৰ দ্বিতীয়খন ঘৰ; হোষ্টেলৰ আৱেগ এক এনে আৱেগ যাৰ বিষয়ে কেতিয়াও সামৰণি নহয়। আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয় ছাত্ৰীনিৱাসে জীয়াই ৰাখিছে সেই সত্তা; এনেকৈয়ে আজীৱন জীয়াই থাকক সগৌৰৱে, আমৰণ মৰমেৰে আৱৰি ৰাখক এজাক পৰিভ্ৰমী পখীক।

❖❖❖





ভ্ৰমণ কাহিনী

# গুজৰাটলৈ গৈছিলো

ড° গণেশ চৌধুৰী
প্ৰাক্তন ভাৰপ্ৰাপ্ত উপাধ্যক্ষ তথা
প্ৰাক্তন মুৰব্বী অধ্যাপক
ৰসায়ন বিভাগ
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

নতুন দিল্লীত পুহমহীয়া শীতৰ লগতে জাক জাক বৰষুণে হিম চেঁচা কৰি ৰখা শেঁতেলীৰ পৰা উঠিবলৈ মন যোৱা বৰ কঠিন বাবে ৰাতিপুৱা শুই উঠোতে আঠেই বাজিল। তথাপি শুই থাকি সময় কটাবলৈ অহা নাই যেতিয়া, টিকট কৰি থোৱা মতে আহমদাবাদলৈ যাবলৈ সাজু হ'বলৈ ল'লোঁ। ন দিনৰ বিতং কাৰ্যসূচী লৈ আমি চাৰিজন ফুৰিবলৈ আহিছো। আমি মানে মই, অঞ্জলি, অঞ্জলিৰ ডাঙৰ বায়েক আৰু খুড়াকৰ ছোৱালী চুমিৰ সৈতে মুঠ চাৰিজন। বৰ্ণম আৰু বৰ্ণমৰ বন্ধু এজনো লগত আহিছিল। সিহঁত দুজন এয়াৰপোৰ্টৰ পৰা পোনে পোনে হোষ্টেললৈ গ'ল। দ্বাৰকা চেক্টৰ দহৰ সাত নম্বৰ প্লটত থকা প্ৰাগজ্যোতিষপুৰ হাউচিং কমপ্লেক্সৰ ফ্লেট এটাত নিশা এঘাৰ বাজি যোৱাৰ পিচত উঠিলোগৈ। তাত অঞ্জলীৰ দুই নম্বৰ বায়েকৰ জী জোঁৱায়েক থাকে। আমি আহিম বুলি গভীৰ নিশালৈকে অপেক্ষা কৰি আছিল। ইয়াৰ পৰা সোনকালে গৈ গুজৰাটৰ চাব পৰা ঠাইবোৰ ঘূৰিব লাগিব। চিপ চিপ বৰষুণে গোটেই পৰিৱেশকে গহীন কৰি ৰাখিছিল। তথাপি বন্ধৰ দিন কেইটা দৈনন্দিন চিন্তা-ভাৱনা পৰা মুক্ত হৈ অচিনাকি ঠাইৰ সুবাস আৰু সোৱাদ ল'বলৈ ওলাই আহিছো বাবে বৰষুণে আৰু অধিক ডাঠ কৰি দিয়া ঠাণ্ডাই আমাৰ উৎসাহক বাধা দিব পৰা নাই। গুজৰাটৰ বিভিন্ন ঠাইত ফুৰিম, আমাৰ বাবে নতুন ঠাইবোৰ উপভোগৰ আনন্দেৰে ভৰাই ল'বলৈ কৰি থকা ন ন পৰিকল্পনাৰ আলোচনাবোৰ চলি আছে। এইবোৰৰ বাবে অঞ্জলী আৰু চুমি আগভাগ লৈ আছে। গা পা ধুই সোনকালে চাহ ভাত খাই এয়াৰপোৰ্টলৈ ওলালো। জোঁৱায়ে মাতি দিয়া গাড়ীখনত উঠি এয়াৰপোৰ্টলৈ সোনকালে ওলালো। কেতিয়া গাড়ী মটৰৰ ভীৰে যাতায়াতৰ সমস্যা কৰে একো ঠিক নাই। এয়াৰপোৰ্টৰ ভিতৰত সোমাই প্ৰয়োজনীয় কামখিনি কৰি থাকিলো। অঞ্জলীয়ে সৰু চুৰি এখন বেগত ভৰাই আনিছিল। গুৱাহাটী এয়াৰপোৰ্টত ধৰা নাছিল, কিন্তু ইয়াত ৰাখি থলে। বাহিৰত ডাঠ কুঁৱলী আৰু অলপ অলপ বৰষুণ দি আছে। বতৰৰ বাবে ফ্লাইটবোৰৰ সময় ইফাল সিফাল হৈ আছে। আমাৰ উৰণৰ সময় আধা ঘণ্টা পিছ পৰিছে। যথা সময়ত কুঁৱলী আৰু মেঘৰ মাজে মাজে আমাৰ যাত্ৰা আৰম্ভ হ'ল। কিন্তু অলপ উৰাৰ পাছতে নীলা আকাশ আৰু সম্পূৰ্ণ ৰ'দৰ পোহৰত আমাৰ মনবোৰো জিলিকি হৈ উঠিল। তলত বৰফৰ দৰে ধবল বগা চপৰা চপৰি মেঘৰ অপৰূপ সৌন্দৰ্যই মনলৈ অপাৰ আনন্দ আনি দিলে। আন কোনো চিন্তা-ভাৱনা আহিব দিয়া নাই। মোবাইলটো ফ্লাইট মোডত ৰাখি মেঘৰ ফটো কিছুমান ল'লো। আচলতে দিল্লীৰ মেঘাছন্ন আকাশ আৰু ডাঠ কুঁৱলীৰে হিম শীতল পৰিৱেশৰ পৰা আহি এইখিনি পৰিৱেশ ইমান ভাল লাগিছিল যে পাৰিলে আমাৰ ফ্লাইট ৰখাই অলপ নামি গৈ ফটো ল'বলৈ মোৰ মন গৈছিল। তেতিয়া কিন্তু প্ৰায়বোৰ যাত্ৰী চিন্তাক্লিষ্ট মনেৰে এক নীৰৱ পৰিৱেশত ডুব গৈ থকা যেন লাগিছিল। ৰ'দালিৰ অসমীয়া লিপি উলিয়াই লৈ মোবাইলৰ স্ক্ৰীনত, বহা আসনখন হাওলাই শৰীৰটো অলসভাৱে এৰি দি, একান্ত মনেৰে আঙুলি বুলাবলৈ ধৰিলো। "we start descending now to Ahmedabad" ঘোষণাটো শুনি থতমত খাই উঠি মোবাইলৰ পৰা আঙুলিটো আঁতৰাই দিলো।

"ইমান সোনকালে পালোহি নে?" মনটো ভাল লাগি গ'ল। খিৰিকিৰে চাই দেখিলো ধৰাৰ ছবিবোৰ লাহে লাহে স্পষ্ট হৈ আহিছে। খুব সোনকালে আমাৰ ফ্লাইটে আহমদাবাদৰ মাটি স্পৰ্শ কৰিলে। এয়াৰপোৰ্টৰ পৰা প্ৰায় বাৰ কিলোমিটাৰ পথ গাড়ী এখনেৰে গৈ হোটেল এখনত উঠিলোগৈ। 'কাইট ফেষ্টিভেল' চলি থকা বাবে আমি বিচৰা হোটেলখনত কোঠা নাপালো। তেতিয়ালৈ বেলি ডুব যোৱা নাছিল। হোটেলৰ কোঠাত বস্তু-বাহানি থৈ বাহিৰলৈ ওলাই গ'লো। ওচৰৰ ৰেষ্টুৰেণ্ট এখনত কিবা কিবি খাই অলপ আগবাঢ়ি সবৰমটি নদীৰ পাৰত হৈ থকা ফ্লাৱাৰ ফেষ্টিভেল চাবলৈ গ'লো। বহুত মানুহ তাত ভীৰ কৰিছেহি। সবৰমতী নদীৰ পাৰত বৰ আকৰ্ষণীয় হৈছে গোটেই ফুলৰ বাগিছাখনৰ পৰিৱেশটো। তাত ভালেখিনি সময় ঘূৰি পকি তাৰপৰা আহি হোটেলৰ মেনেজাৰৰ লগত দৰকাৰী কথা পাতি সোনকালে শুবলৈ ল'লো, কাৰণ আগবাতি টোপনি কম হৈছিল।

ৰাতিপুৱা সাত বাজিবলৈ হ'ল, ৰ'দৰ পোহৰ ওলোৱাই নাই। সেইবাবে অলপ আচহুৱা যেন লাগি আছে। সোনকালে ওলাই আহমদাবাদৰ চাবলগীয়া ঠাইবোৰলৈ যাব লাগে। আমি বন্দৱস্ত কৰা গাড়ীখন কিন্তু ঠিক সময়তে আহি ওলাল। ইয়াত হেনো ছয় সাতটা মান চাবলগীয়া স্থান আছে। আহমদাবাদলৈ আগতে অহা নাছিলো বাবে মোৰ কিন্তু গোটেইবোৰেই চাবলগীয়া ঠাই। আচলতে পৰিব্ৰাজকবোৰক তেনেদৰে কৈ আকৰ্ষণ বঢ়োৱাৰ এইটো এটা কিটিপ যেন হে পাওঁ। মোৰ নিজৰ কিন্তু গাড়ী এখন বন্দৱস্ত কৰি দিনটোৰ বাবে ঘূৰি ফুৰিবলৈ হে মজা লাগে। যা হওঁক ৰাতিপুৱাৰ আহাৰ ঘূৰি ফুৰোতে বাটৰ কৰবাত খাম বুলি আমি হোটেলৰ পৰা ওলাই আহিলো। গাড়ীচালকজনে ইস্কন মন্দিৰৰ ভিতৰতে ভালকৈ পুৱাৰ আহাৰ খাব পাৰিম বুলি তালৈ লৈ গ'ল। কিন্তু তাত থকা খোৱা-লোৱাৰ দোকানখনত কোনো জনপ্ৰাণী দেখা নাপালো। ড্ৰাইভাৰে তাৰ পৰা আমাক বালাজী মন্দিৰলৈ লৈ গ'ল। তাত দক্ষিণ ভাৰতীয় খাদ্যৰ দোকান এখন পালো আৰু তাত মচলা দোচা আৰু ইদলীৰ অৰ্ডাৰ দিলো। গুজৰাটী খাদ্যৰ সোৱাদ মোৰ জিভা আৰু পেট উভয়ে বৰ এটা গ্ৰহণ কৰিবলৈ ভাল পোৱা নাই। এই দুয়োটা মন্দিৰ চাবলৈ বিশেষ আগ্ৰহ কোনেও নেদেখুৱালে। হিন্দু সংস্কৃতি, পৰম্পৰা আৰু ঐতিহ্যৰ প্ৰতি মোৰ গভীৰ শ্ৰদ্ধা আৰু আকৰ্ষণ আছে আৰু নিজকে হিন্দু বুলি গৌৰৱ কৰো যদিও মন্দিৰে মন্দিৰে ভগৱানক প্ৰাৰ্থনা কৰি ফুৰিবলৈ মোৰ নিজৰ মন নাযায় দেখোন। সেইবাবে তাত বাকী কেইজনক সোমাবলৈ দি মই বাহিৰতে ঘূৰা-পকা কৰি থাকো। অৱশ্যে মন্দিৰবোৰ সজাওতে তাত ব্যৱহাৰ কৰা অতীজৰ কাৰু-কাৰ্যবোৰ চাবলৈ ভাল পাওঁ আৰু গৌৰৱবোধ কৰো। আমি নাম নুশুনা কেইটামান মন্দিৰ বাদ দি গান্ধীনগৰৰ ওচৰত থকা step well বুলি ঠাই এটুকুৰালৈ ওলালো। অঞ্জলী বুৰঞ্জীৰ অধ্যাপক হোৱা বাবে পৌৰাণিক বহুত ঘটনা কাহিনীৰ কথা জানে আৰু অধ্যয়নো কৰে। এই ঠাইখিনিৰ বিষয়ে মোৰ কিন্তু অলপো জ্ঞান নাছিল। বাটে বাটে গৈ থাকোতে কৈ যোৱা কথাবোৰ সেইকাৰণে শুনিবলৈ অলপ মনোযোগ দিবলগা হ'ল। বিধৱা ৰাণী এগৰাকীৰ কাহিনী। কোনো মুছলমান সম্ৰাটে যুদ্ধ কৰি ৰজাজনক মাৰি পেলাই ৰাণী গৰাকীক নিজৰ কৰি ল'বলৈ বিচাৰিছিল। তেতিয়া ৰাণীয়ে সেইজন সম্ৰাটক প্ৰস্তাৱ দিছিল সেই ঠাইখনত এটা কুৱামহল সজাই দিবলৈ। কুৱামহল সজোৱাৰ পিছত বিয়াৰ প্ৰস্তাৱ মানি ল'ব বুলি কথা দিছিল। মহলটো তৰপ তৰপকৈ বৰ্গাকৃতিৰ শিলেৰে বেচ মজবুতকৈ ক্ৰমান্বয়ে মাটিৰ তললৈ সজোৱা। একেবাৰে তলত এটা কুৱা খন্দা আছে। সজোৱা হোৱাৰ পাছত সেই কুৱাটোত জপিয়াই ৰাণী আত্মহত্যা কৰিছিল। সেইবাবে এই মহলটো বিখ্যাত। বহু দৰ্শনাৰ্থীয়ে ইতিমধ্যে তাত ভীৰ কৰিছেহি। এতিয়াৰ এশটকীয়া নোটত এই মহলটোৰ ফটো থকা বুলি শুনিলো। মই এশটকীয়া নোটৰ ১০০টোহে চাও, বাকীবোৰ কথা কেতিয়াও লক্ষ্য কৰি পোৱা নাই। যি নহওঁক তাত গৈ আমাৰ সকলোৰে ভাল লাগিল। বাটত নতুন খোৱা বস্তু দেখিবলৈ পালে জুতি ল'বলৈ কিন্তু পাহৰা নাই। বিশেষকৈ চুমীয়ে।

তাৰ পৰা আমি গান্ধীনগৰৰ অক্ষৰধাম মন্দিৰলৈ ওলালো। এই অক্ষৰধাম মন্দিৰ কিছুবছৰ আগতে বিশেষ চৰ্চালৈ আহিছিল। সেইবাবে সেইখনলৈ মোৰ আগ্ৰহ আছে। অতি কটকটীয়া নিৰাপত্তা বেষ্টনি পাৰ হৈ মন্দিৰৰ ভিতৰত সোমালো। ভিতৰলৈ মোবাইল, কেমেৰা নিবলৈ অনুমতি নাই। অতি নিয়াৰিকৈ ৰখা প্ৰকাণ্ড চৌহদেৰে সৈতে মন্দিৰটো। ইয়াতো মানুহৰ যথেষ্ট ভীৰ। জাক জাক স্কুলীয়া ল'ৰা-ছোৱালী সিহঁতৰ শিক্ষকৰ সৈতে আহিছে। বাকী কেইজনক মূল মন্দিৰলৈ সোমাবলৈ দি জোতা চেন্দেল থ'বলৈ সজা বেচ আহল-বহল ঠাইখিনিত মই ৰৈ থাকিলো তেওঁলোক ঘূৰি অহালৈকে। মন্দিৰটোৰ বুৰঞ্জীৰ বিষয়ে জানিবলৈ মন গ'ল বাবে অলপ অনুসন্ধান কৰিলো।

অক্ষয়ধাম শব্দৰ অৰ্থ হ'ল কেতিয়াও ক্ষতি নোহোৱা বা যুগমীয়া চিৰপ্ৰবাহ মান তীৰ্থস্থান বা মন্দিৰ। ২৪০ বছৰ আগৰ স্বামী নাৰায়ন নামৰ প্ৰবাদী পুৰুষ এজনৰ নামেৰে এই মন্দিৰ হৈছে। তেওঁক গুণাতীত গুৰুসকলৰ পঞ্চম অৱতাৰ বুলি মানুহে বিশ্বাস কৰে। গোটেই পৃথিৱীৰ প্ৰায় ১২০০ বিভিন্ন স্থানত এই অক্ষয়ধাম মন্দিৰ আছে। অসংখ্য ঠাইত বিচৰণ কৰি লিখা মেলা কৰাৰ উপৰিও কেইবাকোটি লোকৰ চৰিত্ৰত জ্ঞানৰ বতৰা দিবলৈ স্বামীনাৰায়ণ গুৰুজনা সমৰ্থ হৈছিল। বিভিন্ন ৰোগৰ উপশমো কৰিছিল। সেইবাবে তেওঁৰ জনপ্ৰিয়তা আৰু অনুগামীৰ সংখ্যাই শিখৰ স্পৰ্শ কৰিছিল। বৰ্তমান তেওঁৰ অনুগামী স্বামী মহাৰাজে স্বামী নাৰায়ণৰ আদৰ্শক প্ৰচাৰ কৰি আছে। পৰিস্কাৰ পৰিচন্নতা আৰু শৃঙ্খলাবদ্ধতাৰ বাবে মোৰ ঠাইখিনি বৰ ভাল লাগিল। আহমদাবাদ মহানগৰ ভাল লাগিছে, তাতোকৈ ভাল লাগিছে গান্ধীনগৰ। এখন হোটেলত দুপৰীয়াৰ নিৰামিষ আহাৰ খাই আমি সবৰমতী আশ্ৰমলৈ গ'লো। আশ্ৰমৰ পৰিৱেশত আধুনিকতাৰ অলপো প্ৰভাৱ নপৰাকৈ সুন্দৰভাৱে ৰাখিছে। আশ্ৰমখন অসংখ্য কেৰ্কেটুৱাৰ বাসস্থান হৈ উঠিছে। মানুহৰ উপস্থিতিলৈ সিহঁতৰ অলপো ভ্ৰূক্ষেপ নাই। ইয়াত বিভিন্ন যতঁৰবোৰ সজাই থোৱাৰ লগতে মহাত্মা গান্ধীৰ বিশিষ্ট বন্ধু আৰু আনুগামীবোৰৰ বৰ্ণনা আছে। সবৰমতী নদীৰ পাৰত গছ-গছনিৰে ভৰি থকা আশ্ৰমখনত কিছু সময় কটাই বৰ ভাল লাগিল।

সন্ধিয়া হোৱাৰ লগে লগে আমি হোটেললৈ উভতিলো। কাৰণ সাত বজাত চেক আউট আছে। নিশা দহবজাত সোমনাথ এক্সপ্ৰেছত আমাৰ ৰিজাৰ্ভেচন আছে বিখ্যাত সোমনাথ মন্দিৰ দৰ্শন কৰিবলৈ। ওচৰৰ ৰেষ্টুৰেণ্ট এখনৰ পৰা ৰেলতে নিশাৰ আহাৰ খাবলৈ ৰুটি তৰকাৰী টোপোলা বান্ধি ৰেল ষ্টেচনলৈ গৈ যথাসময়ত ৰেল যাত্ৰা কৰিলোগৈ। ৰেলৰ খিৰিকিৰ ফাঁকেৰে সোমাই অহা চেঁচা বতাহে আমাৰ নিশাৰ টোপনিক বৰ আমনি কৰিলে। প্ৰায় সাত বাজো বাজো হোৱাত সেই ঠাইৰ হিচাপত কাহিলী পুৱাতে ষ্টেচনত নামি এখন অটোভানেৰে মন্দিৰৰ একেবাৰে ওচৰৰ হোটেল এখনতে উঠিলো।

সোমনাথ ঠাইখন সোমনাথ মন্দিৰৰ বাবে বিখ্যাত। বুৰঞ্জীত পঢ়িছিলো তুৰ্কী আৰু মোগল সম্ৰাটসকলে এই মন্দিৰৰ ধন ঐশ্বৰ্য্যৰ বাবে বাৰে বাৰে আক্ৰমণ কৰি লুটপাত কৰা আৰু ধ্বংস কৰাৰ কথা। কেতিয়াবা ইয়ালৈ আহিম বুলি মনত ৰখা কথাখিনি সোনকালে সফলকাম হ'ল। মন্দিৰটো বৰ ডাঙৰ নহয় যদিও বাহিৰৰ পৰাই বেছ আকৰ্ষণীয় যেন লাগিল। ইয়াত দিনটোত তিনিবাৰ আৰতি হয় আৰু নিশা কেবাবাৰো লাইট আৰু চাউণ্ডৰ প্ৰগ্ৰেম হয়।

ওচৰতে থাকিলো যেতিয়া নিশা সেইবোৰ চাম বুলি সোনকালে গা পা ধুই গাড়ী এখন ভাড়া কৰি প্ৰথমে গীৰ অভয়াৰণ্যলৈ যাত্ৰা আৰম্ভ কৰিলো। পথৰ দুয়োকাষে দেখা নাৰিকল গছৰ বাগানবোৰে সোঁৱৰাই দি থাকিল আনি সাগৰ তীৰৰ ওচৰেৰে যাত্ৰা কৰা বুলি। চুমীয়ে মাজে মাজে কৈ গৈছে নাৰিকল গছে হেনো ছড়িয়ামৰ মাত্ৰা নিয়ন্ত্ৰণ কৰিব পাৰে। সেইবাবে সাগৰৰ পাৰে পাৰে বিস্তৃত অঞ্চল জুৰি নাৰিকল গছ হয়। এই নাৰিকলবোৰে সাগৰ তীৰৰ বাসিন্দাৰ অৰ্থনৈতিক মূল ভেঁটিত বিশাল বৰঙণি যোগাই আহিছে। মোৰ এই বিষয়ে কোনো জ্ঞান নাছিল আৰু পঢ়াও নাই। ৰসায়ন বিজ্ঞানৰ ছাত্ৰ হিচাপে ছড়িয়ামৰ দুই চাৰিটা কথা জানিলেও বেছিভাগ জ্ঞানে মোৰ নাই। সেইবাবে চুমীৰ কথাত হয়ভৰ নিদিয়াৰ কাৰণ নেদেখিলো।

বাটত ৰাতিপুৱাৰ আহাৰ খাই ভাল সময়তে গীৰ পালোগৈ। বেচি নভবাকৈ অভয়াৰণ্যৰ ভিতৰত বাছ যাত্ৰাৰ বাবে টিকট কৰি সিংহ চাবলৈ ওলালো। সিংহৰ জাক এটা ওচৰৰ পৰা চাবলৈ বৰ মন আছিল। অলপ গৈ পহু আৰু ম'ৰা চৰাই দেখিলো, পিচে এইবোৰৰ প্ৰতি আগ্ৰহ নাই, আগতে বহুত দেখিছো। অকণমান আগবাঢ়ি গৈ দেখিলো লয়লাস ভঙ্গীৰে খোজকঢ়া এটা সিংহ। কি যে গহীন গম্ভীৰ আকৰ্ষণীয় প্ৰত্যাশা ভৰা খোজ! ওচৰতে আৰু এটা শুই আছে। বহুত দূৰলৈ দৃষ্টি দি বিচাৰিলো আৰু ক'ৰবাত দেখা পাওঁ নেকি? পিচে সফল নহ'লো। যিমান ভাল লাগিব বুলি ভাবিছিলো তেনেকুৱা যেন নালাগিল। কম প্ৰাকৃতিক, অধিক কৃত্ৰিম যেন লাগিল। আমাৰ গাড়ীখন আগবাঢ়ি গৈ থাকিল। পহুৰ জাক

এটা দেখিলো। শিয়ালৰ জাক এটাও দেখিলো। হাঁহি উঠি গৈছিল। ইয়ালৈ শিয়াল চাবলৈহে আহিলোনে! এঠাইত কৃত্ৰিমভাৱে সজা প্ৰকাণ্ড গড়াল এটা দেখিলো। তাত কেইটামান নাহৰ ফুটুকী বাঘ আছে। মনটোত বৰ এটা সুখ নাপালো। অভয়াৰণ্যখন অলপো জীপাল নহয়, একেবাৰে শুকান শুকান। কাজিৰঙাত সোমালে জন্তু জানোৱাৰ দেখা পোৱা নোপোৱা বেলেগ কথা, জংঘলৰ ভিতৰৰ বিভিন্ন জীয়া চিঞঁৰ, আটাহ, শব্দই বুকুখন দুৰু দুৰু কঁপাই এক অজান ভয়, অনিশ্চয়তাত বান্ধি ৰাখে। সেই অনুভৱৰ স্মৃতিয়ে পিচত বৰ সুখ আৰু আনন্দ দিয়ে। ইয়াত সেইবোৰ অকণো নাপালো। একেবাৰে কৃত্ৰিম এখন চিৰিয়াখানাৰ দৰে লাগিল। আমাৰ চফৰ বৰ সোনকালে শেষ হ'ল। অলপ ভুল কৰিলো। জীপ চাফাৰী কৰা হ'লে বেচি সময় ঘুৰিব পাৰিলোহেঁতেন আৰু অধিক সিংহ হয়তো দেখিলোহেঁতেন। মোৰ কল্পনাৰ গীৰ অভয়াৰণ্যখন সপোন হৈ থাকি গ'ল। আমাৰ গাড়ীৰে ড্ৰাইভাৰে ক'লে কিছুমান সিংহ হেনো ইয়াৰ পৰা ওলাই গৈ ওচৰৰ গাঁওবোৰৰ জংঘলত আছেগৈ। আমাক ইচ্ছা কৰিলে তেনেকুৱা বিচৰণ কৰি থকা সিংহ দেখুৱাব পাৰিম বুলি ক'লে। কথাটো বৰ বিপজ্জনক যদিও মোৰ চিন্তা কৰিবলগা বিষয় নহয় বুলি মুৰত সোমাই লৈ মন্তব্য দিয়াৰ পৰা বিৰত থাকিলো।

ইফালে সিফালে কেইখনমান ফটো লৈ গীৰ অভয়াৰণ্য এৰি আমি ডিউ চহৰলৈ যাত্ৰা আৰম্ভ কৰিলো। পৰ্তুগীজসকলে স্থাপন কৰা উপনিৱেশবোৰৰ ভিতৰত এইখনো এখন। আৰম্ভণিতে আমি ইয়াত দুনিশা থাকিম বুলি ভাবিছিলো যদিও পিচত তাক সলনি কৰিবলগা হ'ল। যাত্ৰাপথত ড্ৰাইভাৰে বাটৰ এঠাইত দুপৰীয়াৰ আহাৰৰ বাবে ৰখালে। তাত আমি গুজৰাটী থালি পচন্দ কৰিলো। মিঠাৰ ব্যৱহাৰ অলপ বেচি বাবে বৰ মুকলি মন লৈ খাব নোৱাৰিলো। ডাইবেটিচৰ চিন্তাটো সদায় মনত ৰাখিব লাগে যে!

আকাশত এচিকটাও মেঘ দেখা নাপালো। ৰ'দৰ চোক ক্ৰমে বাঢ়ি আহিছে। আমাৰ শৰীৰত শীতৰ গৰম কাপোৰে ভৰি আছে। এ চি চলাই যাবলগা অৱস্থা হ'ল। বাহিৰত গছ-গছনি বহুত কম। জন বসতি পাতল। বাহিৰৰ শুকান পৰিৱেশে পানীৰ পিয়াহ বঢ়াই দিলে। তথাপি নতুন ঠাই দেখাৰ আনন্দই আমাৰ উৎসাহ কমাব পৰা নাই। বিশেষকৈ অঞ্জলী আৰু চুমীৰ। অঞ্জলীয়ে বহুত দিনৰ পৰা ইণ্টাৰনেট আৰু নিজৰ বুৰঞ্জীৰ জ্ঞানেৰে গৱেষণা কৰি এই ভ্ৰমণৰ সমস্ত পৰিকল্পনাটো কৰিছিল। মাজে মাজে চুমীৰ লগত আলোচনা কৰা গম পাওঁ, মোৰ ইয়াত অলপো অৰিহণা নাই। সেইবাবে সিহঁতৰ উৎসাহ আৰু কৃতকাৰ্যতাৰ আনন্দ দেখি ভাল লাগিছে। আমাৰ গাড়ীখন বেচ গতিবেগেৰে গৈ আছে। লাহে লাহে গছ-গছনিৰে ভৰা অঞ্চল এটাৰ ভিতৰলৈ আমি সোমাই পৰিলো। মনৰ শুকান ভাগৰবোৰো কমি আহিল। ঠাইখিনিৰ পৰিৱেশে বেলেগ এখন দেশলৈ লৈ অহা যেন লাগিল। পথৰ দুয়োকাষে ঘনকৈ থকা গছবোৰে ঠাইখিনিৰ সৌষ্ঠৱ বহুত বঢ়াই দিছে। কেইবাদিনো এনেকুৱাকৈ ঘন ওখ ডাঙৰ গছ-গছনি দেখা নাছিলো। আগবাঢ়ি গৈ থাকোতে মূল পথৰ ডিভাইদাৰৰ মাজত ফুলি থকা জোপোহা ফুলবোৰৰ লগতে দুকাষৰ ধুনীয়া ধুনীয়া পৰিপাটীকৈ সজা ঘৰবোৰে ঠাইখিনিৰ প্ৰতি আকৰ্ষণ বহুত বঢ়াই দিলে। এইখনে ডিউ চহৰ। বৰ ডাঙৰ চহৰ নহয়। গাড়ীখনেৰে গৈ থাকোতে কিবা এটা ভাল লাগি গৈছে। বুজাব পৰা নাই। কিজানি অসমৰ পৰিৱেশ অলপ পাইছো। এইখন সাগৰৰ পাৰৰ চহৰ। অসমতো সাগৰ নাই। তথাপি বাহিৰৰ য'লৈকে নাযাওঁ কিয় অসমৰ দৰে পৰিৱেশ পালে অলপ আৱেগিক, অলপ আনমনা হৈ পৰো। ডিউত থাকিবলৈ পোৱা হ'লে বেচ উপভোগ কৰিলোহেঁতেন। কিন্তু সময় কম। গতিকে পোনে পোনে আমি সাগৰ তীৰ অৰ্থাৎ বীচচলৈ গ'লো। তাত আৰৱ সাগৰৰ মোহনীয়, কম উচ্ছাসেৰে নাচি থকা মৃদু ঢৌৰ লীলা খেলা কিছু সময়ৰ বাবে উপভোগ কৰি সোমনাথলৈ ওভটনি যাত্ৰাৰে পুনৰ আগবাঢ়িলো।

ভবাতকৈ বাটত যান-বাহন ভীৰৰ বাবে আমাৰ হোটেল পাবলৈ অধিক সময় লাগিল। তেতিয়ালৈ মন্দিৰৰ চৌহদ লোকে লোকাৰণ্য। আমি খৰখেদাকৈ হোটেলৰ কোঠাৰ পৰা সোমাই মন্দিৰলৈ আহিলো। ঠিক সাত বজাৰ লগে লগে আৰতি আৰম্ভ হৈছে। ভক্তসকল দৌৰি দৌৰি আৰতি চাবলৈ ভীৰ কৰিছে। ১৫ মিনিট আৰতি চলিল। কাষত সাত বাজি পোন্ধৰ মিনিট যোৱাৰ লগে লগে লাইট আৰু চাউণ্ডৰ কাৰ্যসূচী আৰম্ভ হ'ল। তাতো লানি নিচিগা ভীৰ। টিকট কাটি চাব লাগে। অমিতাভ বচ্চনৰ গলগলীয়া কণ্ঠস্বৰেৰে সোমনাথ মন্দিৰৰ সম্পদ ঐতিহ্যৰ গৌৰৱময় ইতিহাসৰ লগতে শত্ৰুৰ আক্ৰমণ,





অত্যাচাৰৰ নৃশংস বৰ্ণনাই পৰিৱেশ একেবাৰে নীৰৱ আৰু মাতবোল নোহোৱা কৰি ৰাখিছে।

শত্ৰুপক্ষই স্বৰ্ণ মন্দিৰৰ ধন সোণবোৰ লুটিপুটি ভাঙি চিঙি লৈ গৈছিল। এতিয়া আগৰ ৰূপতে মেৰামতি কৰি সাজিছে। কিন্তু আগৰ সম্পদবোৰ আৰু নাই। আমি মন্দিৰৰ চৌহদত বেচ কিছু সময় কটাই হোটেললৈ উভতিলো। ওচৰৰ ৰেষ্টুৰেণ্ট এখনৰ পৰা চুমিয়ে নিৰামিষ বিৰিয়ানি আনিলে। বৰ তৃপ্তিৰে সেইখিনি খালো। আচলতে আমি ভতুৱা মানুহ। ভাত খাবলৈ পোৱা নাই বাবে বিৰিয়ানিখিনিতে ভাতৰ সোৱাদ পালো আৰু সঁচাকৈয়ে বৰ সোৱাদ আছিল। পিচদিনা আৰু এক দীঘলীয়া যাত্ৰাৰ বাবে যাব লাগিব। সেইবোৰ ঠিকঠাক কৰি শুই পৰিলো।

আগদিনাখন বন্দৱস্ত কৰি থোৱা মতে ৰাতিপুৱা সোনকালে চুইফ্‌ট ডিজায়াৰ গাড়ীখন আহি পালে। পিচে সমস্যা এটা হ'ল। আমি চাৰিজন পুৰ্ণ বয়স্ক যাত্ৰীৰ লগত তিনিটা প্ৰকাণ্ড চুটকেচ আৰু লগত সাঙ্গ-পাঙ্গ সৰু সৰু বেগবোৰ আছে। ফুৰিবলৈ গ'লে টোপোলা সৰু আৰু কম হ'লে বৰ সুবিধা হয়। পিচে এই তত্ত্ব সকলো ক্ষেত্ৰতে সম্ভৱ নহয়। নতুন মডেলৰ চুইফ্‌ট ডিজায়াৰ গাড়ীখনত আমাৰ বস্তুবোৰ কোনোপধ্যে নধৰে। গতিকে ড্ৰাইভাৰে গাড়ীখনত কেৰিয়াৰ লগাই আনিবলৈ গ'ল। পোৰবন্দৰৰ মহাত্মা গান্ধীৰ জন্মস্থানৰ লগতে আৰু কেইটামান ঠাই চাব লাগিব। তাৰ পৰা দ্বাৰকালৈ যাম। দ্বাৰকাত চাবলগীয়া ঠাই কেবাটাও আছে বুলি শুনি আছো। পাঁচ ছয় ঘণ্টাতকৈ অধিক সময় অকল যাত্ৰা কৰোতে লাগিব। আমাৰ ইতিমধ্যে বহুত পলমেই হ'ল। সেইবাবে সময় বচাবলৈ ড্ৰাইভাৰে গাড়ী থিক কৰি অনালৈকে সোমনাথৰ বজাৰতে আমি পুৱাৰ আহাৰ খোৱাৰ লগতে দুপৰীয়াৰ বাবে খাদ্য লৈ ল'লো। সেইসময়তে অঞ্জলী আৰু বাইদেৱে শেষবাৰৰ বাবে ইতিমধ্যে মন্দিৰৰ পৰা পাক এটা মাৰি আহিল। আমাৰ সময়ৰ ক্ষতি হ'ল যদিও ড্ৰাইভাৰজনে বিভিন্ন কথাৰে উৎসাহ দি আমাক লৈ গাড়ী চলাই দিলে। ৰাতিপুৱা বতৰ আৰামদায়ক আছিল। কিন্তু লাহে লাহে ৰ'দ তীব্ৰ হৈ আহিল। গুজৰাটৰ আলিবাটবোৰ বেচ আহল-বহল আৰু উন্নত। পথ উন্নীতকৰণৰ কাম এতিয়াও পূৰ্ণ গতিত বহু ঠাইত চলি আছে। পথৰ দুয়োকাষৰ খেতি পথাৰৰ সৌন্দৰ্য্য উপভোগ কৰি ভাল লাগিছে। চাৰিওফালে শুকান যেন লাগিলেও পথাৰবোৰ সেউজীয়া। খেতিৰ সুবিধা থকা ঠাইবোৰত বিভিন্ন খেতি কৰিছে। ইয়াত জলসিঞ্চনৰ সুব্যৱস্থা কৰা আছে। নৰ্মদা খালেৰে পানী যোগানৰ ব্যৱস্থা নিজ চকুৰে দেখা পাইছো। পিচে পথৰ কাষত অসমৰ দৰে গাঁৱৰ অৱস্থিতি বিচাৰি চকু বিষাই গৈছে। ক'ৰবাত এটা দুটা অতি সাধাৰণ ঘৰ দেখা পাইছো, কিন্তু অসমৰ দৰে নহয়। দুই এখন ঠাইক ড্ৰাইভাৰে গাওঁ বুলি কৈছে, কিন্তু মোৰ মৰমৰ, কল্পনাৰ আৰু সপোনৰ গাঁৱৰ ছবি তাত বিচাৰি পোৱা নাই। বৰ মন গৈ আছে এখন গাঁৱলৈ গৈ তিনি আলিৰ চোকৰ গছৰ তলত থকা জুপুৰীৰ দৰে চাহ দোকান এখনত থকা বেঞ্চিত বহি কাঁচৰ গিলাচত এটা খুৰ্মাৰে একাপ চাহ খাবলৈ। ফুৰিবলৈ আহিলে এই ধৰণৰ কাম কিয় যে কৰা নহয়। সেইবাবে বৰ অসম্পূৰ্ণ যেন লাগে গোটেই ভ্ৰমণৰ আনন্দখিনি, কিবা যেন আৰু এৰি থৈ আহিলো। গাঁৱলৈ অৱহেলা আমাৰ সহজাত প্ৰবৃত্তি নেকি! কেতিয়াবা অকলে আহি এই সকলোবোৰ ঘূৰিপকি চাবলৈ পৰিকল্পনা কৰিবলৈ মন যায়।

আমি গৈ গৈ চৰোৱাৰ (Chorwad) নামৰ গাওঁ এখন পালো। দেখাত একেবাৰে সাধাৰণ, কিন্তু বৰ্তমান এখন গুৰুত্বপূৰ্ণ ঠাই। কাৰণ এই গাঁৱত আদিতে ভাৰতৰ বৰ্তমান আটাইতকৈ ধনী ধীৰুভাই আম্বানিৰ পৰিয়ালৰ বাসস্থান আছিল। পথৰ কাষত আম্বানি পৰিয়ালৰ ঘৰৰ ওচৰতে ড্ৰাইভাৰে আমাৰ গাড়ীখন ৰখাই দিলে। আঢ্যৱন্ত পৰিয়ালৰ দৰে ডাঙৰ চৌহদেৰে ঘৰটো দেখিলো। ঘৰটোত বৰ্তমান কোনো নাথাকে। বছৰত এবাৰ হ'লেও তেওঁলোক ইয়াত থাকিবলৈ আহে হেনো! ইয়াৰ আগতে ওচৰৰ কাকাচৰাৱো নামৰ গাওঁখনত খেতি মাটিসহ তেওঁলোকৰ ঘৰ আছিল। সেইবোৰ বিক্ৰী কৰি চৰোৱাৰলৈ উঠি আহিছিল। ইয়াৰ পিছত ব্যৱসায় আৰম্ভ কৰি পিচলৈ জামনগৰত ফ্লেট ভাড়া কৰি থাকি বৰ্তমান গোটেই পৰিয়াল মুম্বাইৰ এনটিলা নামৰ বিখ্যাত বৃহৎ প্ৰাসাদত আছে।

যাত্ৰাপথত ড্ৰাইভাৰজনে বৰ আমোদজনক কথা এটা ক'লে। এই গাওঁখনত থাকোতে এটা সময়ত আম্বানি পৰিয়ালৰ আৰ্থিক অৱস্থা বৰ শোচনীয় হৈছিল। তেতিয়া ধীৰুভাই আম্বানিয়ে ইয়াৰ মুচী এজনৰ পৰা আঢ়ৈশ টকা ধাৰ কৰি জোতা চিলাই কৰি নি নিজৰ ব্যৱসায় চলাবলৈ গৈছিল।

তাৰ পিচতে লাহে লাহে আম্বানি পৰিয়ালত লক্ষ্মী দেৱীয়ে ভৰ দিছিল আৰু তেওঁলোকে ধন সম্পত্তিৰ পাহাৰ গঢ়িবলৈ আৰম্ভ কৰে। এই অঞ্চলৰ মানুহে ধীৰুভাই আম্বানিয়ে টকা ধাৰ কৰি জোতা কিনি নিয়া কথাটো ভালকৈ জানে। এই বদনামৰ পৰা হাত সাৰিবলৈ আম্বানি পৰিয়ালে পিচত মুচীজনক কেবা কোটি টকা যাচিছিল। বৰ্তমানো জীৱিত মুচীজনে, সেই ধাৰ, আম্বানি পৰিয়ালক শুজিবলৈ সুবিধা দিয়া নাই। অৱশ্যে এই অঞ্চলত তেওঁলোকে সামাজিক উন্নয়নৰ কাম কৰা বুলি ড্ৰাইভাৰ জনে ক'লে।

সেইখিনি ঠাই পাৰ হোৱাৰ পিছত কিছু দুৰ গৈ আমি মাধেপুৰ নামৰ গাঁও এখন পালো। থিক গাঁও বুলি ক'লে ভুল হ'ব। চহৰৰ ছাঁ পৰা যেন লাগে। সাগৰৰ একেবাৰে পাৰত এই গাওঁখন। সাগৰৰ পাৰখিনিক মাধেপুৰ বিচ বুলি জনাজাত। হিংসা লাগি যায় সাগৰৰ পাৰত গাঁওখনৰ অৱস্থান দেখি। আমাৰ অসমখনৰ ওচৰে-পাজৰে সাগৰ নাই বাবে সৰুৰ পৰা সাগৰৰ বিষয়ে মোৰ দুৰ্বলতা এটা আছে। সাগৰৰ পাৰে পাৰে আমাৰ গাড়ীখন আহল-বহল মসৃণ আলিবাটেৰে তীব্ৰ গতিত গৈ থাকিল। সাগৰৰ ঢৌৰ ওপৰেৰে বহু দূৰলৈ দৃষ্টি দিলে মনত যে কি ভাববোৰ আহে! অহংকাৰ বহু ক্ষেত্ৰত এটা ভাল গুণ। অহংকাৰে কিছু ক্ষেত্ৰত সৌন্দৰ্যও হেনো বহুগুণে বঢ়াই দিয়ে। মতা মানুহৰ ক্ষেত্ৰত কি হয় নাজানো, কিন্তু ৰাৱণৰ লগতে ৰাক্ষস কুলৰ ধ্বংসৰ মূল কাৰণ হ'ল অহংকাৰ। মোৰো অহং ভাৱ আছে নিশ্চয়। পিচে হিমালয়ৰ ওপৰৰ পৰ্বতৰ গল বিযাই যোৱা সুউচ্চ শিলাময় শৃঙ্গবোৰ আৰু প্ৰচণ্ড ঢৌ খেলি থকা সাগৰৰ বিশালতা দেখিলে নিজকে বৰ অসহায় যেন লাগে। মাতবোল হেৰাই যায়। তাৰ ওচৰত থাকিলে বুকুখন কঁপি থাকে, সন্মোহিত হৈ চাই থাকো, আঁতৰি আহিবও নোৱাৰা হৈ যাওঁ। মুৰত খেলি থকা বিভিন্ন চিন্তা-ভাৱনাবোৰৰ লগত যুঁজি যুঁজি মাজে মাজে দুই এটা কথাৰে আমাৰ যাত্ৰা চলি থাকিল। তেতিয়া আমাৰ লক্ষ্য পোৰবন্দৰ চহৰ।

পোৰবন্দৰ চহৰখন সাগৰৰ পাৰতে অৱস্থিত। সাগৰীয় মাছৰ ব্যৱসায়ৰ কেন্দ্ৰ। পিচে পোৰবন্দৰৰ নাম ল'লে মহাত্মা গান্ধীলৈহে মনত পৰে। কাৰণ ইয়াতে মহাত্মা গান্ধীৰ জন্ম হৈছিল। আমাৰ ভ্ৰমণকালত পোৰবন্দৰলৈ আহি মহাত্মা গান্ধীৰ জন্মস্থান চাম বুলি ঠিক কৰি থোৱা আছিল। পোৰবন্দৰৰ বাপুৰ জন্মস্থানক কীৰ্তি মন্দিৰ বুলি জনাজাত। এই কথাটো আ[illegible] আগতে জনা নাছিলো। আমি ড্ৰাইভাৰক পোৰবন্দৰত মহা[illegible] গান্ধীৰ জন্মস্থানলৈ যাম বুলি কৈ থৈছিলো। পোৰবন্দৰ চহ[illegible] পোৱাৰ আগে আগে ড্ৰাইভাৰে ক'লে যে তাত দুটা চাবলগী[illegible] ঠাই আছে। আমি অকল পোৰবন্দৰৰ মহাত্মা গান্ধীৰ জ[illegible] ঠাইলৈহে যাবলৈ ইচ্ছা থকাৰ কথা জনালো। পোৰবন্দৰ চহৰ[illegible] সোমাই কিছু ঠাই যোৱাৰ পাচত ড্ৰাইভাৰে এটা পথ দেখুৱা[illegible] ক'লে যে সেই পথেৰে গ'লে কীৰ্তি মন্দিৰ পাম। সকলোৱে[illegible] মন্দিৰ চাবলৈ হ'লে বহুত সময় লাগিব বাবে বিশেষ নভবা[illegible] তালৈ নাযাওঁ বুলি ক'লো। ড্ৰাইভাৰে গাড়ী চলাই গৈ থাকি[illegible] আৰু পোৰবন্দৰ চহৰ এৰি আঁতৰি আহিবলৈ ধৰিলে[illegible] তেতিয়াহে আমাৰ চিন্তা আহিল, "হাৰে! মহাত্মা গান্ধী[illegible] জন্মস্থান ক'ত গ'ল।" ড্ৰাইভাৰক সোধাত হিন্দীতে ক'লে- "আপুনি কীৰ্তি মন্দিৰলৈ নাযাওঁ বুলি ক'লে কাৰণে মই তা[illegible] গাড়ী নিনিলো।" ড্ৰাইভাৰক আমাৰ অজ্ঞতাৰ কথা কৈ বুজা[illegible] বঢ়াই আকৌ কীৰ্তি মন্দিৰলৈ আমি উভতি গ'লো। ভাৰত[illegible] নহয় গোটেই পৃথিৱীত যিজন মহাত্মা গান্ধীৰ নীতি আদৰ্শ[illegible] বাবে মানুহ আকৰ্ষিত হৈ আহিছে, তেখেতৰ জন্মস্থানৰ চহৰখন[illegible] মাজেৰে এনেয়ে পাৰ হৈ আহিলে কিমান যে বেয়[illegible] লাগিলহেঁতেন। তদুপৰি মহাত্মা গান্ধীৰ জন্মস্থানলৈ যাব[illegible] ইচ্ছা থকা কাৰণে পোৰবন্দৰ আমাৰ ভ্ৰমণৰ তালিকাত আছিল[illegible] তালৈ গৈ পাইহে মনটো মুকলি হ'ল। গান্ধী পৰিয়ালৰ পুৰ[illegible] ঘৰটোৰ লগতে যাদুঘৰৰ দৰে ঘৰ এটা সজোৱা হৈছে। নিশ্চ[illegible] চৰকাৰে সজাইছে। চৰকাৰী চন্তৰী আছে যদিও চৌহদ[illegible] ভিতৰলৈ সোমাবলৈ কোনো বাধা নাই। আমাৰ দৰে আৰ[illegible] কিছু সংখ্যক দৰ্শনাৰ্থী পালো। আচল ঘৰটো সেই সময়[illegible] তিনিমহলীয়াকৈ সজোৱা। মহাত্মা গান্ধীৰ জন্মৰো আগ[illegible] সময়ৰ ঘৰটো দেখিলে এনেকুৱা লাগে যেন গান্ধী পৰিয়াল[illegible] বেচ আঢ্যৱন্ত আছিল। সম্পদশালী আৰু আভিজাত্যৰ আভা[illegible] আছে। সেইবাবে বোধকৰো মহাত্মা গান্ধী বিদেশলৈ অধ্যয়ন[illegible] বাবে যাব পাৰিছিল। ঘৰটোৰ ভিতৰত সোমাই ঘূৰি পকি চালে[illegible] আৰু ফটো কিছুমান লৈ উভতিলো। পোৰবন্দৰত বাদাম ব[illegible] সস্তা যেন লাগিল। বাটত আধা কিলোৰ পেকেট কেইটামা[illegible] পঞ্চাশ টকাকৈ কিনিলো। ফলমূলৰ দাম গুৱাহাটীৰ তুলনা[illegible] কম পালো।





পোৰবন্দৰত বেচি পলম নকৰি দ্বাৰকালৈ যাত্ৰা আৰম্ভ কৰিলো। ৰ'দৰ প্ৰকোপ ক্ৰমে বাঢ়ি আহিছিল। ভোক আৰু পিয়াহে আমনি কৰিবলৈ ধৰিছিল। বাটৰ কাষৰ ধাবা এখনত ৰৈ সোমনাথৰ পৰা কিনি অনা বিৰিয়ানীৰ লগত আৰু অলপ খোৱা বস্তু লৈ দুপৰীয়াৰ আহাৰ কৰি আমাৰ যাত্ৰা পুনৰ আৰম্ভ কৰিলো। আমাৰ যাত্ৰাত থাকিবৰ বাবে আগতীয়াকৈ কোনো হোটেল বন্দৱস্ত কৰি ৰখা নাছিলো যদিও থাকিবলৈ ক'তো অসুবিধা পোৱা নাছিলো। বৰঞ্চ ভবাতকৈ বহুত কম দামত হোটেলৰ ভাল কোঠাত থাকিবলৈ পাইছিলো আৰু প্ৰায় ক্ষেত্ৰত মন্দিৰৰ নিচেই কাষতে হোটেলত উঠিছিলো। দ্বাৰকাতো একেধৰণে হোটেল ল'ম বুলি গৈ থাকিলো। আলিবাটৰ অৱস্থা ভাল বাবে দীৰ্ঘ সময়ৰ বাবে যাত্ৰা কৰি বৰ আমনি লগা নাছিল।

দুৰৰ পৰা ড্ৰাইভাৰে দ্বাৰকাৰ মুল মন্দিৰটোৰ দেখিবলৈ পোৱা শীৰ্ষৰ অংশটো আঙুলিয়াই দিয়াত অঞ্জলী আৰু চুমী আনন্দতে চিৎকাৰ কৰি উঠিল—"গোমতী নদীৰ পাৰৰ দ্বাৰকা নগৰ। ভগৱান শ্ৰীকৃষ্ণৰ লীলাভূমি।" বাইদেউৰো ভাল লাগিছিল নিশ্চয়। খিৰিকিৰে বাহিৰলৈ চাবলৈ যত্ন কৰিছিল। সকলোৱে উৎসাহে মোৰো আনন্দ বঢ়াই দিছিল। আমাৰ যাত্ৰাৰ সফলতাই শৰীৰ আৰু মনৰ শক্তি বঢ়াই দিছিল। সৰুৰ পৰা কিমান যে কল্প কাহিনীৰ মাজেৰে শ্ৰীকৃষ্ণৰ কথাবোৰ শুনি আহিছো। বিভিন্ন ঠাইত দেখা শ্ৰীকৃষ্ণৰ ছবিখন সঁচা হৈ যেন চকুৰ আগত ভাঁহি উঠিছিল। বিশেষকৈ মহাভাৰত আৰু কীৰ্তন ঘোষাত শ্ৰীকৃষ্ণ মহিমাৰ কথা কিমান যে পঢ়িবলৈ পাইছো। সঁচা মিছা পিচৰ কথা, শ্ৰীকৃষ্ণ কথাই অন্তৰত বহুত পৰিমাণে স্থান লৈ আহিছে। কেতিয়াবা তৰ্ক আলোচনাতো ভাগ লৈছো। দ্বাপৰ যুগৰ প্ৰকৃত দ্বাৰকা নগৰ হেনো সাগৰ তলিত বিলীন হৈছে কেতিয়াবাতে। সেই দ্বাৰকা নগৰৰ ওচৰতে বৰ্তমানৰ দ্বাৰকা নগৰ। ৰূপ কথাৰ দৰে শ্ৰীকৃষ্ণৰ কাহিনীবোৰ ভিন্ন প্ৰজন্মৰ মাজেৰে প্ৰচলিত হৈ আহিছে। তাৰেই আনন্দ ল'বলৈ দলে দলে ইয়ালৈ মানুহৰ ঢল বৈছে। আমি সেই দল বিলাকৰে অংশীদাৰ হ'বলৈ ইয়ালৈ আহিছো।

আমাৰ যাত্ৰাৰ বাবে বন্দৱস্ত কৰা মতে দ্বাৰকাত হোটেল বিচৰাৰ আগতে আমি পোনে পোনে প্ৰথমে দ্বাদশ জ্যোতিৰলিঙ্গৰ স্থান নাগেশ্বৰ মন্দিৰলৈ গ'লো। তাত ভক্তৰ যথেষ্ট ভিৰ দেখি বেছি সময় নষ্ট নকৰি আৰু আগবাঢ়ি বেইট দ্বাৰকা নামৰ ঠাইলৈ যাত্ৰা কৰিলো। বেইট শব্দটোৰ অৰ্থ উলিয়াবলৈ সফল নহ'লো। এই ঠাইখিনি বৰ্তমান দৰাচলতে এটা দ্বীপ। তালৈ জাহাজেৰে প্ৰায় পোন্ধৰ মিনিটৰ পথ। তাত হেনো শ্ৰীকৃষ্ণই বন্ধু সুদামাৰ লগত গা ধুবলৈ গৈছিল। বিশ্বাস অবিশ্বাস বুলি নহয়, কিন্তু দ্বাৰকাত থকা সময়ত শ্ৰীকৃষ্ণৰ মহাভাৰতত পঢ়া কথাবোৰ মনত খেলি আছিল। নাৱেৰে তালৈ কৰা যাত্ৰাটো বৰ ভাল লাগিল। বিশেষকৈ আমাৰ পিচে পিচে মুৰৰ ওপৰলৈ উৰি অহা পাৰ চৰাইৰ আকাৰৰ সাগৰীয় চিলনিৰ বৃহৎ জাকটোৱে এই যাত্ৰাটো বৰ উপভোগ্য কৰি তুলিলে।

দ্বাৰকা নগৰত ৰুক্মিণী দেৱীৰ নামতো এটা মন্দিৰ আছে। আমাৰ ইয়াৰ কুণ্ডিল নগৰীৰ জীয়ৰী ৰুক্মিণীৰ নামত সুদূৰ দ্বাৰকাত মন্দিৰ! শুনিলেই গৰ্বত ফুলি যোৱাৰ কথা। ইমান দীঘলীয়া যাত্ৰাৰ ভাগৰুৱা দেহা, সন্ধিয়া হৈ আহিছে, তথাপি আমাৰ বাবে গৰ্বৰ এই ঠাইখিনিলৈ যাত্ৰা কৰিলো। আমি গৈ পাওঁতে সেই মন্দিৰৰ পূজাৰী এজনে শ্ৰীকৃষ্ণই ৰুক্মিণীক হৰণ কৰি লৈ যোৱা আৰু তাৰ পাচৰ কাহিনীৰ সৰস বৰ্ণনা কৰি আছিল। এটা দীঘলীয়া ৰহস্যময় ঘটনাৰ দৰে বৰ্ণনা কৰা কাহিনীটো শুনি বৰ ভাল লাগিল আৰু গৰ্ব অনুভৱো কৰিলো। আমাৰ দৰে আৰু কিছু দৰ্শনাৰ্থী তাত তেতিয়া উপস্থিত আছিল।

নিশা ক্ৰমে গভীৰ হৈ আহিবলৈ ধৰাৰ লগে লগে আমাৰ শৰীৰবোৰে জিৰণিৰ বাবে আকুল হৈ আহিছিল। ড্ৰাইভাৰজনে গোমতী নদীৰ পাৰৰ শ্ৰীকৃষ্ণৰ দ্বাৰকা মন্দিৰৰ ওচৰৰ হোটেল এখনলৈ লৈ গ'ল। বৰ ধুনীয়া ঠাইখিনি। ভবাতকৈ কম ভাৰাতে ভাল কোঠা পাই পচন্দ কৰি তাত নিশাটোৰ বাবে জিৰণি ল'বলৈ সোমালো। একোকাপ গৰম চাহেৰে সৈতে অলপ জিৰণি লৈ কাষতে থকা মন্দিৰৰ ওচৰলৈ মোৰ তিনিও জনী সহযাত্ৰী নিশাতেই এপাক মাৰি আহিল। পিচদিনাখন দ্বাৰকাৰ পৰা আমাৰ ওভতনি যাত্ৰা আৰম্ভ কৰিব লাগিব।

❖❖❖

নীলা খামৰ চিঠি

# লিখনি ১

হিৰকজ্যোতি কলি
স্নাতক চতুৰ্থ ষাণ্মাসি
ইতিহাস বি
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যা

মৰমৰ সোণমইনা,

মোৰ অন্তৰৰ নিভৃত কোণৰ পৰা তোমালৈ মৰম যাচিলোঁ। স্মৃতিৰ কাঁচিয়লী ৰ'দালী ফালি ওলাই অহা আমাৰ ভালপোৱাই প্ৰায় তিনিটা বসন্তই পাৰ কৰিলে। যদিওবা দুয়োটা আঁতৰত তথাপিও মৰমবোৰ আমাৰেই লগত। তোমাৰ জানো মনত নাই, কৃষ্ণচূড়াৰ তলত আৰম্ভ হোৱা আমাৰ প্ৰেমকাহিনী। দুডলীয়া বেণীৰে লেডিছ চাইকেল লৈ আহোতে মোৰ ফালে চাই দিয়া মিচিকীয়া হাঁহিটোৰ দুটা দিনলৈ কঁপি থকা মোৰ বুকুখনি। তুমি বিশ্বাস নকৰি চুই চাইছিলা বুকুৰ কম্পন। তোমাৰ সেই হাঁহিটোত যেন আজিও ফুলি উঠে ইন্দ্ৰৰ ৰাজসভাৰ পাৰিজাত ফুল।

কলেজৰ দেৱদাৰু তলেৰে যাওঁতে কেণ্টিনৰ চৰাইহালে সদায় যে আমাৰ ফালে চাইছিল। ফুটপাথৰ ষ্ট্ৰীটলাইট, হৰ্ডিংবোৰতো আমাৰ প্ৰেমৰ বিশ্বাস জন্মিছিল। জোনাক নিশা জোনাকীৰ আঁৰেৰে নৈৰ পাৰত বহি তুমি মোৰ কান্ধত মূৰ থৈ গাই গৈছিলা আমাৰ প্ৰিয় গানবোৰ। "কেতিয়াবা বেজাৰতে টোপনি নাহিলে মোৰ, কপালতে যেন হাত বোলাই দিবা"ৰ পৰা "Lag ja gale phir kabhi ye hasin raat ho na" লৈ প্ৰতিটো গানেই তোমাৰ মাতত আজিও মোৰ কাণত বাজি থাকে।

"দূৰত্বই সম্পৰ্ক ধ্বংস নকৰে" বুলি কোৱা তোমাৰ বুজনিতেই আজি তিনিটা বছৰে তোমাৰ পৰা আঁতৰত আৰু আমাৰ সুন্দৰ ভৱিষ্যতৰ পৰিকল্পনাত কটালোঁ। মোৰ বেচিজিল জীৱনটোত তোমাৰ নামৰ বৰষুণজাকেই চিজিল লগালে। ইয়াত এতিয়া তোমাতকৈও কঠোৰ নিয়মেৰে বান্ধ খাই পৰিছো। লিখো বুলি তোমালৈ লিখিবও সময় নাপা কৰ্মব্যস্ততাই পংগু কৰা মোৰ জীৱনৰ তুমিয়েইটো প্ৰ কবিতা। যোৱা মাহত দিয়া ফটোকেইখনত তোমাক বেছ ধুনী লাগিছিল। বহুত ব্যস্ততাৰ অন্ততঃ আজি তোমালৈ এই লিখিব লৈছো।

চিন্তা নকৰিবা। শৰতক শাৰদীয় কৰিবলৈ এইবাৰ তোম ওচৰলৈ গৈ আছোঁ। এইবাৰ শৰতত কৃষ্ণচূড়াৰ তলতে তোম লগত আকৌ দেখা হ'ম। তুমি নীলা কুৰ্তিটো আৰু হালধীয়া ফোটটোৰে মোৰ ৰাণীজনী হৈ আহিবা। কলে ফুটপাথবোৰ আমাৰ হ'ব, পাণবজাৰৰ গলিবোৰ আমাৰ হ' পৰিৱেশবোৰ আমাৰ হ'ব; তুমি মোৰ হ'বা আৰু মই তোম হ'ম।

আজিলৈ আহিছোঁ। ওপৰৱালাৰ পৰা আদেশ আহি যুদ্ধলৈ যাব লাগিব। মোক বুজি পোৱা, আমাৰ ভালপোৱা ধৰি ৰখা বাবে তোমালৈ বহুত বেছি মৰম। বিশ্বাস ৰাখা, তোম সেওঁতা মোৰ নামেৰেই ৰঙীণ কৰিম।

"তুমি আহি দেখা দিলা, পলকতে আপোন হ'লা।
মোৰ মন দুৱাৰত
নিগাজিকৈ থাকি গ'লা।
প্ৰতিদিনে দি যাম হেঁপাহৰ ৰঙবোৰ।
হেঁপাহেও বুজি পায় আমাৰ মনৰ সপোনবোৰ।

তোমাৰ মৰমৰ
লেফটেনেণ্ট কৰ্ণেল চাহাব

(মহাবিদ্যালয় সপ্তাহ প্ৰতিযোগীতাত পুৰস্কাৰপ্ৰাপ্ত)





নীলা খামৰ চিঠি

# লিখনি ২

শ্ৰুতিধাৰা চেতিয়া
স্নাতক চতুৰ্থ ষাণ্মাসিক
উদ্ভিদ বিজ্ঞান বিভাগ
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

মৰমৰ

অভিনৱ,

সৰ্বপ্ৰথম মোৰ হিয়াভৰা মৰমৰ টোপোলাটো গ্ৰহণ কৰিবা। তোমালৈ মোৰ এনেয়ে বহুত মৰম। কেতিয়াবা শব্দ বিচাৰি স্থবিৰ হৈ ৰওঁ, ভাষাৰ অভাৱত, কেনেদৰে বুজাও তোমাক কিমান স্পৃহা মোৰ তোমালৈ, কি কৰিবা মনটোৱেই যে অবুজন।

বাৰু! বাদ দিয়া এইবোৰ। আশাকৰো তুমি কুশলেই আছা। তোমাৰ কুশলতাই যেন মোৰ একমাত্ৰ কামনা। মোক কিন্তু নুসুধিবা; তুমি কেনে আছা বুলি? ভালে আছো মাথো সুখত নাই। নিস্তব্ধতাবোৰত বিয়পি পৰা পাৰাপাৰহীন চিন্তাবোৰে অধিকাৰ কৰিছে মোৰ সমগ্ৰ সত্তা, কঁপি উঠিছে মোৰ গাৰ নোম। চপৰা-চপৰে খহিছে মোৰ সপোনৰ পাহাৰ, আনন্দবোৰেও উশাহ নাপাই দৌৰি গতি কৰিছে, আলেঙে-আলেঙে বিষাদবোৰ নামি অহা দেখি। এটা অজুহাত পালেই যেনি তেনি যাব খোজা বৰচেৰেকীৰ সূতাৰ দৰে তুমিও সঁচাকৈ এটা অজুহাততেই আঁতৰি গ'লা। জীৱনটো তাতেই শেষ হৈ গৈছিল জানানে, হুমুনিয়াহবোৰো তেতিয়াই আৰম্ভ হৈছিল, জীৱনটো এতিয়া মাথো এখন পাৰবিহীন নৈ, যি বৈ আছে কেৱল সোঁতৰ স্বাৰ্থত আৰু তুমি ভাবিছা মই সুখত আছো। এৰা, ময়ো যে কিমান বুৰ্বক মোৰ কথা ভাবিবলৈ তোমাৰ বা আহৰিয়েই ক'ত? তোমাৰ ব্যস্ততাময় জীৱনৰ অলপ সময় নষ্ট কৰিলো, বেয়া নাপাবা। এহ.... ময়ো যে আৰু বেয়া পাবলৈ তুমি মোক ভাল পাইছিলা জানো? ভাল লগাখিনিক ভালপোৱাৰ নাম দি মোৰ হৃদয়ত এখন বিষাদৰ পাহাৰ গঢ়িছিলা, মোৰ মনৰ আনন্দৰ সাগৰখন পুতি। গোলাপৰ পাহিৰে মোৰ সপোনবোৰৰ বাবে মৰিশালি সাজিছিলা।

সেইয়া, চোৰাচোন মনৰ দুখবোৰ, আক্ষেপবোৰ কওঁতে কওঁতে প্ৰকৃত কথাটো পাহৰিয়েই গৈছিলো। এটা বিশেষ কাৰণতহে তোমালৈ বুলি এই চিঠিখন লিখিলো। বিদায় পৰত কথাবোৰ থাকি গৈছিল, বহু কথা বুজিবও পৰা নাছিলো, হৃদয়খন দুৰ্বল হৈ পৰিছিল যে। কিন্তু এতিয়া বুজিছো সৰাপাত হৈ জানো ফাগুনৰ প্ৰেমত পৰিব পাৰি। সেয়েহে আজি সাহস কৰি লিখি পেলালো মনৰ অব্যক্ত ভাষাবোৰ। যদি সময় পোৱা এবাৰলৈ হ'লেও আহিবাচোন, জীৱন নদীৰ পাৰত দুয়ো একেলগে সপোনবোৰৰ শ্ৰাদ্ধ পাতিম, নহ'লে ভাঙি যোৱা সপোনৰ টুকুৰাবোৰে বৰকৈ বিন্ধিছে অ'।

"আজিও মোৰ এই নিলাজ চকুযোৰে....
এৰা.... চলন্ত পানী ক্লান্ত জীৱন....
পশ্চিমৰ হেঙুলীয়াখিনিও সপোন হৈ গেলিব ধৰিছে
ভোকৰ উন্মাদনাত সংকুচিত হ'ব ধৰিছে
চিঞৰৰ পৰিধি...."

ইতি
তোমাৰ আজীৱন প্ৰেয়সী

(মহাবিদ্যালয় সপ্তাহ প্ৰতিযোগীতাত পুৰস্কাৰপ্ৰাপ্ত)

নীলা খামৰ চিঠি

# লিখনি ৩

সৌম্যদীপ বৈ
স্নাতক ষষ্ঠ ষাণ্মাসি
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যা

প্ৰিয়,

প্ৰিয়া,

কোনোবা দিগবলয়ৰ উদয়াচলৰ ৰঙা যেন তোৰ মুখখনিত স্তিমিত জোনৰ পোহৰ পৰি ওন্দলি উঠিছিল। ক্ষণিকতে চুৰমূৰকৈ ভাঙি পৰিছিল এটা চলন্ত ঘড়ী, স্থৱিৰ হৈছিল সময় আৰু মই, নৈ-পৰীয়া বেজাৰে মোক যেন হেঁকুচি ধৰিছিল। মই কক্‌বকাইছিলো, তই দেখা নাছিলি। ভাঙি পৰা ঘড়ীটোৱে টিক্ টিক্ কৰি কৈছিল, 'তই যে আজি নিজানত' ....

এৰাবাৰীৰ পৰা বলধহাল খেদি আনোতে সাইলাখ তোৰ দৰে গাভৰু এজনী দেখি বুকুখন মোচৰ খাই গ'ল অ'। দেখিছো তোক নজনালে বিষ নমৰিবই। তোৰ বাৰু মনত আছেনে পাহাৰৰ দাঁতিত, জুৰিটিৰ জিৰ্ জিৰণিত মন জুৰোৱা দিনবোৰ, অলপ দূৰত কহুঁৱাৰ শুভ্ৰতাই ৰঙীন কৰা আমাৰ মনবোৰ, মনত পৰেনে সময়বোৰ। তই যে কৈছিলি আমাৰ প্ৰেম আজন্ম, নিৰৱধি সময়ৰ বুকুৰে আমি উজাই যাম অনন্তলৈ। শাওনৰ পথাৰত ঘৰ্মাক্ত দেহা, ন-ভুঁই ৰোৱা দিনটো, আহিনৰ আ পকা ধাননি পথাৰত আমাৰ প্ৰেম, হেমন্তৰ ভৰুণ দুপৰবেল সময়বোৰ আমাৰে আছিল অ'।

এতিয়া দোভাগ নিশা। সঁচাই কৈছো, ময়ো সিদিনা তো লগতে গুচি যাব লাগিছিল যিদিনা কোনোবা তৃষ্ণাতুৰ নিদ্ৰা তোক গিলি পেলাইছিল, মেঘৰ কোমল পাটীত। সময় ব নিষ্ঠুৰ। ভাঙি যোৱা ঘড়ীটোৱে আজিও টিক্ টিক্ কৰি ক তই যে আজি নাই, তই যে আজি নাই....

ইতি
প্ৰান্তত
তোৰেই প্ৰেম

(মহাবিদ্যালয় সপ্তাহ প্ৰতিযোগীতাত পুৰস্কাৰপ্ৰাপ্ত)

- জীৱনৰ কিছুমান অভিজ্ঞতাৰ স্মৃতি মানুহৰ মনত চিৰস্থায়ী হয় আৰু তেনেবোৰ স্মৃতিৰ পৰাই মানুহে গোটেই জীৱন ধৰি প্ৰেৰণা, আনন্দ আৰু সঞ্জীৱনী ৰস আহৰণ কৰি থাকে।

—হোমেন বৰগোহাঞি

- ল'ৰা-ছোৱালীক প্ৰকৃত মানুহ হ'বলৈ শিক্ষা দিব লাগে। ভদ্ৰলোক বা ভদ্ৰমহিলা হ'বলৈ নহয়।

— পদ্মনাথ গোহাঞিবৰুৱা





সমীক্ষাত্মক আলোচনা

# তুমি পঢ়া এখন উপন্যাসৰ সমীক্ষাত্মক সমালোচনা

**বিতোপন ৰাজবংশী**
স্নাতক দ্বিতীয় ষাণ্মাসিক
ইতিহাস বিভাগ
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

উপন্যাস ঃ বকুল ফুলৰ দৰে
ঔপন্যাসিক ঃ মৃণাল কলিতা
প্ৰকাশক ঃ বান্ধৱ প্ৰকাশন
মূল্য ঃ ২০০ টকা
পৃষ্ঠা ঃ ১৯২

তলসৰা বকুলৰ গোন্ধত মাতাল হৈ নোপোৱাজনে বকুলৰ মূল্য নুবুজে। নিচেই অকণমানি শুধবগা এই ফুলপাহিয়ে কেনেকৈনো ইমান মোহলগা গোন্ধ বিয়পাই, সেয়া আমাৰ সাঁথৰৰো বাহিৰত। আমাৰ সমাজতো কিছুমান এনে মানুহ থাকে, যাৰ বয়স বা কাম সৰু হ'লেও, প্ৰভাৱ কিন্তু সুদূৰপ্ৰসাৰী।

কিছুমান কিতাপৰ বিশ্লেষণ আৰু আলোচনা আগবঢ়োৱাটোত মায়া ওপজা অস্বাভাৱিক নহয়। তাতে যদি গ্ৰন্থখন ২০২১ চনৰ শিশু সাহিত্যৰ সাহিত্য অকাডেমী বঁটা প্ৰাপ্ত মৃণাল কলিতাদেৱৰ 'বকুল ফুলৰ দৰে' হয়, তেন্তে সেয়া এক প্ৰকাৰৰ ধৃষ্টতাই। অৱশ্যে, এই গ্ৰন্থখন মূলতঃ শিশু কিশোৰৰ বাবে হ'লেও সমাজৰ প্ৰতিটো শ্ৰেণীৰ, প্ৰতিটো বয়সৰ ব্যক্তিৰ বাবেই ই সমানেই উপযোগী সুখপাঠ্য। প্ৰচলিত সমাজৰ সমস্যাত পীষ্ট হৈ জীৱন দুৰ্বিসহ হৈ পৰা এজন কিশোৰক কেন্দ্ৰ কৰি গ্ৰন্থখন ৰচিত হৈছে।

থূলমূল কাহিনী ঃ উপন্যাসৰ মূল চৰিত্ৰ, অসীম নামৰ এটা সৰু ল'ৰা, যাৰ ঘৰৰ অৱস্থা ভাষাহীনভাৱে দুৰ্বল। পৰিয়াল বুলিবলৈ আনৰ ঘৰত কাম কৰি দুই-পইচা উপাৰ্জন কৰা মাক, আজলী ভনীয়েক, সি আৰু অকৰ্মণ্য মদাহী দেউতাকজন। দেউতাকে দিনটো ঘূৰি ফুৰি ৰাতি আহি মাকক অত্যাচাৰ কৰে, আনকি মদ কিনিবলৈ হাতৰ খাৰু পৰ্যন্ত খুলি লৈ যায়। তথাপি অসীম আছিল শ্ৰেণীত সদায় প্ৰথম হোৱা এজন মেধাৱী ছাত্ৰ। বহী এখন কিনি দিবলৈও সক্ষম নোহোৱা মাক-দেউতাকৰ মাজৰ দ্বন্দ্ব আৰু দৰিদ্ৰতাই তাক পীষ্ট কৰিলেও অসীমে পঢ়ি গৈছিল। কিন্তু, প্ৰধান শিক্ষক মহেন্দ্ৰ মাষ্টৰৰ নিৰ্মম শাস্তি, ঠাট্টাই তাক অনবৰতে কষ্ট দিছিল। এদিন মহেন্দ্ৰ মাষ্টৰে তাৰ এটা সৰু ভুলতে তেজ ওলাই যোৱাকৈ প্ৰহাৰ কৰি যেন জ্বলা জুইত ঘীউহে ঢালিছিল। লাহে লাহে পঢ়াত দুৰ্বল হৈ অহা অসীমে সকলো পিনৰ পৰাই যাতনা সহিব নোৱাৰি মানসিকভাৱে ভাৰাক্ৰান্ত হৈ পৰে আৰু অৱশেষত স্কুলো এৰি দিয়ে আৰু গাঁওৱে শিলৰ কুঁৰেৰী এটাত বৰ কষ্টৰে শিল ভঙা কাম কৰি দুই পইচা অৰ্জন কৰিবলৈ লয়। কিন্তু বাপেকে তাৰ সেই পইচাও মদ খাবলৈ কাঢ়ি নিছিল। অংকত খুবেই ভাল অসীমৰ যেন জীৱনৰ অংকত সমাধানহীন আউল লাগিছিল।

অসীমৰ আটাইতকৈ প্ৰিয় বন্ধু নিৰ্মলেও বহু যত্ন কৰিও অসীমক ঘূৰাই নিব নোৱাৰিলে। মহেন্দ্ৰ মাষ্টৰৰ শিক্ষণ পদ্ধতিৰ সজোৰে বিৰুদ্ধাচৰণ কৰা স্কুলৰ নতুন শিক্ষক অনুভৱ মাষ্টৰে অৱশেষত নিৰ্মলৰ লগ লাগি অসীমক এক নাটকীয় কাহিনীৰ মাজেৰে স্কুললৈ ঘূৰাই নিয়াত সক্ষম হয়। শিল ভঙাৰ অপৰাধত জেল খটা, ইতিমধ্যে দুই বছৰ স্কুলৰ মুখ নেদেখাকৈ থকা

হ'লেও, অসীমৰ দৰে বকুল ফুল একোটাই যে ভৱিষ্যতে সমাজত সুবাস বিলাব পাৰিব, সেই কথা অনুভৱহঁতে বুজি পাইছিল। এটা সময়ত অসীম স্কুললৈ যাবলৈ ধৰে, অনুভৱ মাষ্টৰৰ সহযোগত বাতৰি-কাকত বিলাই উপাৰ্জন কৰিবলৈ লয় আৰু অৱশেষত মেট্ৰিক পৰীক্ষাত অসমৰ ভিতৰতে ৭ নং স্থান লাভ কৰে।

গ্ৰন্থ বিশ্লেষণ ঃ 'বকুল ফুলৰ দৰে' এখন সকলো পিনৰ পৰাই 'Perfect' গ্ৰন্থ। ফণীন্দ্ৰ কুমাৰ দেৱচৌধুৰীৰ দৰে বিখ্যাত ঔপন্যাসিকে ইয়াৰ উচ্চ প্ৰশংসা কৰিছে। অৱশ্যে, লেখক কলিতাদেৱ এই প্ৰশংসাৰ সম্পূৰ্ণ যোগ্য। সাধাৰণ লিখকসকলে সততে উলাই কৰা বিষয় এটা, ইমান সুন্দৰ শব্দৰ সমাহাৰ, বৰ্ণনা আৰু কাৰুণ্যতাৰ মাজেৰে সুন্দৰকৈ প্ৰকাশ কৰাত 'বকুল ফুলৰ দৰে' নিঃসন্দেহে সফল। তদুপৰি, কেতবোৰ এনে দিশ সম্পৰ্কে তেওঁ উপন্যাসখনিৰ মাজেৰে আলোচনা কৰিছে, যিবোৰ হয়তো পৰম্পৰাগত অসমীয়া সাহিত্যত কাচিৎহে পোৱা যায়।

অনুভৱ মাষ্টৰ আৰু জিলমিলৰ কথাৰ মাজত প্ৰকাশ পাইছে যে বৰ্তমানৰ সমাজখন, বিশেষকৈ নতুনচাম এক ধৰণৰ Mass-Depression অথবা গণ-হতাশাত ভুগিছে। সামাজিক দুৰত্ববোৰ বাঢ়ি গৈছে, পৰিয়ালৰ সম্পৰ্কবোৰৰ অৱনতি ঘটিছে, নৈতিকতাৰ ক্ষেত্ৰখনো দুখলগাকৈ অৱনতিৰ সন্মুখীন হৈছে। এই সমস্যা অথবা ৰোগবোৰ এইকাৰণেই ভয়াবহ যে ইয়াৰ কোনো সমাধানৰ সূত্ৰ নাই।

'বকুল ফুলৰ দৰে'গ্ৰন্থখনে কৈশোৰৰ মানসিক সমস্যা সম্পৰ্কেও বিশদ আলোচনা কৰিছে। মাক-দেউতাকৰ মাজৰ দ্বন্দ্বৰ ফলত সন্তান কিদৰে ক্ষতিগ্ৰস্ত হয়, গাৰ্হস্থ্য হিংসা আৰু 'শৈক্ষিক-হিংসাই' সৰু সৰু ল'ৰা-ছোৱালীসকলক কিদৰে ক্ষতি কৰে সেয়া অকল্পনীয়।

সাহিত্য অকাডেমীৰ দৰে বঁটাৰ বিভূষিত গ্ৰন্থ একোখনো সমালোচনা বা প্ৰশ্নবাণৰ সন্মুখীন হোৱাটো ডাঙৰ কথা নহয়। 'বকুল ফুলৰ দৰে'ও এই বিষয়ত আনৰ পৰা পৃথক হ'ব নোৱাৰে। অসীমক কেন্দ্ৰ কৰিয়েই উপন্যাসখনৰ কাহি আগবাঢ়িছে যদিও, এজন স্পষ্ট মূল চৰিত্ৰৰ অভাৱ থাকি গ আৰম্ভণিৰে পৰাই অনুভৱ মাষ্টৰৰ সৰল উপস্থাপনে এই গ্ৰ অধিক শক্তিশালী কৰি তুলিছে। সময়ে সময়ে অনুভৱ মাষ্ট নিৰ্মল আৰু অসীমৰ দেউতাকৰ চৰিত্ৰসমূহে এনে পৰ্য পাইছেগৈ যে কাহিনীৰ মূল চৰিত্ৰ অসীম কোনোবাখিনিতে থাকি গ'ল।

তদুপৰি যদিও উপন্যাসখনৰ মূল পাঠক ..... শি কিশোৰসকলহে, ইয়াৰ ওপৰতো কিছু সমস্যাই দেখা দিছে অনুভৱ মাষ্টৰ আৰু জিলমিলৰ কথোপকথনৰ মাজে কৈশোৰৰ মানসিক সমস্যা, প্ৰচলিত শিক্ষা ক্ষেত্ৰৰ সমস্যা আ আলোচনা কৰাৰ ক্ষেত্ৰত অধিক গুৰুত্ব দিয়া দেখা গৈছে কল্পনাৰ ৰংচঙীয়া পৃথিবীখনৰ প্ৰেমিক শিশু-কিশোৰসকল এনে গভীৰ জড় বিষয়বোৰে কিমানদূৰ আকৰ্ষণ ধৰি ৰাখ সফল হয়, সেয়াও ধূসৰ। উপন্যাসখনৰ কাৰুণ্যতা প্ৰকা পোৱা এটি শাৰী তলত উল্লেখ কৰা হ'ল—

"ঃ আজলীৰো তেজ কমিছে। মাছ এটুকুৰা মুখত দি বুলিও আপুনি দিব নোৱাৰে চাগে নহয়নে?

ছাই সনা কাৰৈ মাছ এটাৰ দৰে ধৰফৰাই ধৰফৰা মানুহজনে তীব্ৰভাৱে মূৰটো জোকাৰিলে।"

যি নহওঁক, মৃণাল কলিতাদেৱৰ 'বকুল ফুলৰ দৰে গ্ৰন্থখনৰ প্ৰাসংগিকতা আজিৰ তাৰিখটো অটুত আছে। বৰং ইয়াৰ গুৰুত্ব বাঢ়িছেহে। নহলেনো ২০১৫ তেই প্ৰথম প্ৰকা পোৱা গ্ৰন্থখনৰ ২০২১ চনত ৬ টাকৈ সংস্কৰণ প্ৰকাশ পাইনে অসমীয়া সাহিত্যৰ বিক্ৰী আৰু সমাদৰৰ বাবে ই আশাৰ খব হ'লেও, বাস্তৱিক সমাজ জীৱনৰ বাবে এনে সমস্যা মূঠে আশাপ্ৰদ নহয়।

পঢ়ক, পঢ়ুৱাওঁক, পঢ়িবলৈ অনুপ্ৰাণিত কৰক।

❖❖❖

(মহাবিদ্যালয় সপ্তাহ প্ৰতিযোগীতাত পুৰস্কাৰপ্ৰাপ্ত)





কবিতা

## কৰ্তব্য

**ধ্ৰুৱজোতি শৰ্মা**
স্নাতক দ্বিতীয় ষাণ্মাসিক
ইতিহাস বিভাগ
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

লক্ষ্য তুমি আগত ৰাখা
নিজক যন্ত্ৰ নাসাজিবা,
জীৱন পথত আগবাঢ়ি যোৱা
কৰ্মই ধৰ্ম জানি লোৱা,
লক্ষ্য তুমি আগত ৰাখা।
লক্ষ্য যদি শুদ্ধ হয়
বাধাৰ প্ৰাচিৰ কেতিয়াও নৰয়।
লক্ষ্য তুমি আগত ৰাখা,
নিজক যন্ত্ৰ নাসাজিবা।
পিতৃ-মাতৃক সেৱা কৰা
তাৰে আগত ভগৱান ভাবা।
জীৱন যুঁজৰ সৈনিক হোৱা,
শুদ্ধ মনে আগবাঢ়ি যোৱা।
কলমক তুমি তৰোৱাল কৰা।
জীৱনত তুমি জিকিবাই জিকিবা।
লক্ষ্য তুমি আগত ৰাখা,
নিজক যন্ত্ৰ নাসাজিবা।❖❖

## সাঁথৰ

**গীতাৰ্থ কুমাৰ শৰ্মা**
প্ৰাক্তন ছাত্ৰ
গণিত বিভাগ
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

কিয়নো এনে হ'ল নাজানো
অনাকাংক্ষিত প্ৰেমৰ প্ৰশস্তি।
প্ৰেমনো কি
তাকেই নুবুজোঁ,
কেৱল বিয়পাইছোঁ হৃদয়ৰ সুবাস।
কিয়নো এনে হ'ল নাজানো
জানিও যেন একোকে নুবুজোঁ।
বাস্তৱনো কি
তাকেই নাজানো,
কল্পনাত বুৰ মাৰি কেৱল আঁকিছোঁ
ৰং বিৰঙৰ প্ৰতিচ্ছবি।
কিয়নো এনে হ'ল নাজানো
নিঃসঙ্গতাৰে ভৰি পৰিছোঁ।
অঙ্গনো কি
তাকেই পাহৰিছো,
কেতিয়াবা চিঞৰিছো, কেতিয়াবা মৌন
যেন লকডাউন মোৰ জীৱনৰ সঙ্গ।❖❖

# অ' মই ছোৱালী!

জ্যোতিস্মিতা শ
স্নাতক ষষ্ঠ ষাণ্মাসি
ইংৰাজী বিভা
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যাল

মই আহিছিলোঁ এজনী ছোৱালী হৈ
এই পৃথিৱীলৈ...
নেদেখাজনৰ সহায়ত ইমান ধুনীয়া
পৃথিৱীখন দেখিবলৈ পাইছো
ভাবিছিলোঁ বৰ সোণোৱালী হৈ
কিন্তু চকু মেলি যেতিয়া চাইছিলোঁ,
তেতিয়া হে গম পাইছিলো...
মানুহে মোক এতিয়াও কৰবাত
দুৰ্বল বুলিয়েই ভাবে।
মই কিয় বুলি প্ৰশ্ন কৰাত
তেওঁলোকে কয়...
কাৰণ মই হেনো "এজনী ছোৱালী"...
ক'ৰবাত যেন আজিও ছোৱালী মানুহক
বোজা বুলিয়েই লয় অধিক মানুহে।
ক'ৰবাত যেন আজিও ছোৱালী
সন্তান হ'লে মন কোঁচ খাই আহে
অধিক লোকৰ...
কিয় আহে বাৰু প্ৰশ্ন তাই পঢ়া
ক্ষেত্ৰখনকো লৈ?
তেতিয়া বাৰুকৈ ভাবো আজিৰ
জগততো আছে নে এনে মানুহ?
"বেতী বাচা ঔ বেতী পাঢ়া ঔ"
কওঁতে ঠিকেই আছিল...
কিন্তু ক'ৰবাত যেন আজিও ৰৈ যায়
কিছুমান প্ৰশ্ন।
নাৰীয়ে নাৰী শত্ৰু হেনো...
সঁচায়েতো কৈছে, আজিও
কিছুমান নাৰীয়ে কিয়
নিবিচাৰে এজনী নাৰী সন্তান হোৱাটো?
আমি সকলোৱে চোন
দুৰ্গা পূজা মানো,
নহয় নে?

তেতিয়া কিয় কৰো আমি এজনী
নাৰীক পূজা বাৰু?
আজিও যেন আছে মনত বহুত
প্ৰশ্ন।
ক'ৰবাত অনুভৱ কৰো নহয় যেন
সকলোৰে একেই জীৱনটো...
বহু ঘাত, প্ৰতিঘাত আজিও যেন
মানি আহিছোঁ...
কাৰণ "মই এজনী ছোৱালী" হৈ
জন্ম লৈছো।
কিন্তু নাৰী নোহোৱাকৈ যেন ক'ৰবাত
আপোনাৰ ঘৰখন অসম্পূৰ্ণ...
নাৰী হয় লক্ষ্মী...
তথাপিও তাইক সেইখিনি সন্মান
আজিও দিব পৰা নাই কিয়?
মই গৌৰৱ অনুভৱ কৰোঁ যে "মই
এজনী ছোৱালী"
মই বহুত শক্তিশালী
কিন্তু নুখুজোঁ আমি মুৰ দোঁৱাই
আমাৰ নিজৰ সন্মানখিনি...
কাৰণ নাৰী মানেটো হৈছে এজনী
ছোৱালী, কাৰোবাৰ জীয়েক,
কাৰোবাৰ পত্নী, কাৰোবাৰ মাক...
সলনি কৰিব হৈছে নেকি বাৰু
আমাৰ এই চিন্তা ধাৰা? শেষত মই
চিঞৰি চিঞৰি ক'ব বিচাৰোঁ...
"অ' মই এজনী ছোৱালী"
"মই এজনী ছোৱালী"
"মই এজনী ছোৱালী"।।...❖❖





# তোমালোকৰ লগত কটোৱা সেই দিনবোৰ

উদয়ন চেতিয়া
স্নাতক চতুৰ্থ ষাণ্মাসিক
ইংৰাজী বিভাগ
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

তোমালোকৰ লগত কটোৱা
সেই দিনবোৰ
মোৰ এতিয়াও মনত আছে
যেতিয়া,
আমি একেলগে ধেমালিৰে কটাইছিলোঁ।

মোৰ এতিয়াও মনত আছে
যেতিয়া,
মই প্ৰথমবাৰৰ বাবে
হোষ্টেলত ভৰি থৈছিলোঁ।

সেইদিনা,
তাৰিখ আছিল
৯ জুন, ২০১৯ চন।

মই যেতিয়া,
হোষ্টেলত সোমাইছিলো
তোমালোকে আহি
মোৰ বেগবোৰ দাঙি লৈ
মোক,
মোৰ কোঠালৈ লৈ গৈছিলা।
আৰু
ৰাতিলৈ তোমালোকে
এজন এজনকৈ
ৰাতি আমাক
আমাৰ পৰিচয় শুধিছিলা।

মোৰ এতিয়াও মনত আছে
সেই দিনবোৰ
যেতিয়া,
আমি সকলোৱে

একেলগে বহি খাইছিলোঁ,
খেলিছিলোঁ আৰু
বহুতো সময় কটাইছিলোঁ।

মোৰ প্ৰথমে ভয় লাগিছিল
যে
হোষ্টেলত মই থাকিম কেনেকৈ
মোৰ চিনিয়ৰবোৰ কেনেকুৱা হ'ব
মই সকলোৰে লগত
মিলিব পাৰিম নে নোৱাৰিম

কিন্তু,
ইয়াত আহি
তোমালোকৰ হাঁহি থকা মুখখন দেখি
মোৰ ভয় লাহে-লাহে
নাইকিয়া হৈ আহিল।

পিছে,
এতিয়া যে আৰু তোমালোকৰ
সেই হাঁহিৰে ভৰা মুখখন
দেখা নাপাওঁ

কাৰণ,
তোমালোক যে আৰু
বিদায় ল'বলৈ ওলাইছা

তথাপিও,
তোমালোকৰ হাঁহিৰে ভৰা
মুখখন আমাৰ
হৃদয়ত চিৰদিনৰ বাবে
ৰৈ যাব।❖❖

# শান্তি বিচাৰি এখোজ

**নিশিতা শৰ্মা বশিষ্ঠ**
স্নাতক চতুৰ্থ ষাণ্মাসিক
পৰিসংখ্যা বিভাগ
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

শান্তিৰ সুবাসেৰে ভৰা এখনি ঠাই
বিচাৰি ফুৰোঁতে
মই দেখিছিলো সেই ঠাইখন
যি বৰ্তমান যান্ত্ৰিকতাৰ ধামখুমীয়াত দগ্ধ।
এনে ভয়াবহ দগ্ধময় পৰিৱেশে
মোক ভাবিবলৈ বাধ্য কৰাইছিল
ভৱিষ্যতে ইয়াৰ কি হ'ব?
তাকে ভাবি মই উচুপিছিলোঁ
দুঃসময়ৰ শংকাত
কিয়নো ই পৰিৱৰ্তন ঘটাইছিল
মানুহৰ মন-মগজু, মানৱতাবোধৰ
ই যেন জীৱকুলক আতংকিত কৰিছিল।
যিফালে চোৱা যায় সেইফালেই
কেৱল বৃহৎ বৃহৎ দৈত্য সদৃশ অট্টালিকা
আকাশ জুৰি ধূলিৰ ধুমুহা
য'ত থাকিলে লাগি মই যেন পিঞ্জৰাত আবদ্ধ।
ইয়াত পখীৰ মাতত ৰাতি নুপুৱায়,
শান্তিত থকা বুলি ক'লেও
মনত সন্দেহ ওপজে
সঁচাকৈয়ে মানৱ সমাজ শান্তিত আছেনে আজি?
নিমিলা অংক এটিয়ে উত্তৰ বিচাৰি
হাহাকাৰ কৰি থাকে মোৰ বুকুত
সেয়েহে নিৰাকাৰ দেৱতা
তোমাক কাকুতি কৰিছোঁ
তুমি মানুহক প্ৰকৃতিক ভাল পাবলৈ উজ্জীৱিত কৰা
মানুহৰ প্ৰেমত মানুহ
এই বিৰল সংকল্পই
সেউজীয়া পৃথিৱীৰ সন্ধান দিব।❖❖

# মনত পৰেনে মৌলৈ?

**আশিক আহমে**
স্নাতক চতুৰ্থ ষাণ্মাসি
ৰাজনীতি বিজ্ঞান বিভা
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যাল

মনত পৰেনে মৌলৈ?
মনত পৰেনে সেই দিনবোৰলৈ
যেতিয়া বহুপৰলৈ কথা পতাৰ পিছতো
সময়খিনি বৰ খন্তেকীয়া যেন লাগিছিল।

পৰেনে মনত...??

আজিকালি সময়খিনি বৰ স্বাৰ্থপৰ যেন লাগে,
বতাহজাক বৰ নিমাত যেন লাগে,
তোমাৰ শূণ্যতাত...

জানা, কতো জিৰাব নোৱাৰা হৈছোঁ।
এতিয়াও ৰাতি টোপনি নোযোৱা হৈয়েই আছোঁ;
মনৰ বিষণ্ণতাৰ অস্বস্তিত।।

নৈৰ গতি, বতাহৰ বেগ,
পুৱাৰ কোমলতা, আবেলিৰ মাধুৰ্য্যতা
উভতিব পাৰে নে নাই নাজানো।
সময়ৰ নিঠুৰতাত মমতাৰ ৰহণ সানি, উভতিবা বুলি
আজিও মই আশাতে আছোঁ।।❖❖





# শ্মশানৰ চিতাখন

**অনুৰাধা ডেকা**
স্নাতক পঞ্চম ষাণ্মাসিক
ভূগোল বিভাগ
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

শ্মশানৰ চিতাখন দেখাতনো কি?
মাথোঁ কেইডালমান লোহাৰ খুঁটি
কিন্তু সেই লোহাৰ খুঁটি
কেইডালৰ মূল্য হয়তো
সকলোৱে বুজি নাপায়
যিয়ে জীৱনৰ এটা অংশ সেই
খুঁটিকেইডালৰ মাজত হেৰুৱাই
পাইছে তেওঁহে বুজিব...
সেই সৰু চিতাখনত
দপ্‌দপ্‌কৈ জ্বলি যায় হাজাৰটা জীৱন
ৰৈ যায় বহুতৰ বহু সপোন...
কন্দুৱাই থৈ যায় আপোনবোৰক
মাথোঁ ৰৈ যায় শৰীৰৰ হাড়বোৰ
জ্বলি-পুৰি ওলোৱা ছাঁইখিনি
পৃথিৱীৰ সকলো মানুহৰ শেষ
স্থান সেই শ্মশানৰ চিতাখনেই
প্ৰত্যেকটো জীৱনে হাৰ মানে
সেই চিতাখনৰ ওচৰত
সঁচাই শ্মশানৰ চিতাখন বৰ নিষ্ঠুৰ।
জীৱনৰ অতি কম সময়ৰে শ্মশানৰ চিতাখনে
বহুতো মূল্যৱান শিক্ষা শিকাই পেলালে।
সৰুতে দেখি ভয় খোৱা
শ্মশানৰ চিতাখনে এতিয়া পৃথিৱীৰ
আটাইতকৈ পৱিত্ৰ ঠাই যেন লাগে...
তাতেই যেন বিচাৰি পাওঁ
আপোনবোৰক।।।❖❖

# যিদিনা তোমাৰ মোলৈ মনত পৰিব

**এনিশা চৌধুৰী**
স্নাতক পঞ্চম ষাণ্মাসিক
বুৰঞ্জী বিভাগ
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

মোলৈ মনত পৰিব তোমাৰ যেতিয়া
মই বহু দূৰণিলৈ গুচি যাম
ইমান দূৰণিলৈ গুচি যাম যে কোনোদিন
তোমাৰ কাষলৈ উভতি নাহোঁ
এতিয়া নিশ্চয়কৈ তোমাৰ হৃদয়ত আছোঁ কিন্তু ...
তোমাৰ অতীত হৈ ৰ'ম
মনত পৰিব তোমাৰ মোৰ ৰোমাঞ্চকৰ কথাবোৰ...
প্ৰতিটো মুহূৰ্ত আৰু ধেমালিবোৰ
তেতিয়া তুমি মোক বিচাৰিলেও কাষত নোপোৱা
উদ্বাউল হ'বা!!! এদিন তুমি মোৰ
কথাবোৰ ভাবি, কিন্তু তেতিয়া মই তোমাৰ কাষত
নাথাকিম।
তোমাক মই প্ৰাণভৰি ভাল পাওঁ কিন্তু
সেয়া তেতিয়া মই তোমাক দেখুৱাব নোৱাৰিম...
মোৰ ভালপোৱাক তুমি পুতৌ কৰিবা
যেতিয়া... মই তোমাক মোৰ অন্তিম সময়ত মাতিম
যদি মোলৈ মনত পৰে তোমাৰ তেতিয়া....
ৰাতি আহি চাবা, নিশাৰ আকাশত এটি জিলিকা
জোন হৈ ৰ'ম
তোমাৰ কাষৰ পৰা হয়তো বহুদূৰ গুচি যাম.... তথাপিও
হৃদয়খন তোমাৰ লগতে থৈ যাম।
চকুপানী নুটুকিবা তুমি মোৰ কথা ভাবি কিয়নো
তোমাৰ চমুপানী মচি দিয়াময়ে
তোমাৰ কাষৰ পৰা চিৰকাললৈ আঁতৰি আহিলোঁ
এখন নতুন পৃথিৱীলৈ...
য'ত তোমাৰ অতীতে আৰু মোক কদাপিও
চুকি নাপায়।❖❖

# অৱসাদৰ পুৰণি পৃষ্ঠাবোৰ

**জয়ন্ত ঠাকুৰীয়া**
প্ৰাক্তন ছাত্ৰ
গণিত বিভাগ
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

অৱসাদৰ সুকুমাৰে সোঁৱৰণিৰ পৃষ্ঠাবোৰ
লুটিয়াই চালোঁ,
পৃষ্ঠাবোৰত আজি শূন্যতা বিৰাজমান,
অনুভৱ যেন!
কোমল উল্লাসত বিষাদৰ গাঁথা
আমন্ত্ৰিত শীতৰ আবেলিও উদং উদং...
বসন্তৰ পয়োভৰত উতলা বা
স্পষ্ট সমীকৰণ নিৰ্দয়তা, পোছাক সত্যতাৰ
পট পৰা জীৱন নাটত দুচকুৰ অশ্ৰু অঞ্জলি
স্বপ্নৰ সমাধিত কংক্ৰিটৰ অট্টালিকা
হয়তোবা যাত্ৰাও শূণ্যতাৰ
স্বৰ্গীয় দিগন্তৰ দিশত প্ৰতিৰোধৰ বাৰ্তা নপঠাবা
মোৰ সহস্ৰাধিক প্ৰাৰ্থনা ম্লান পৰি যাব পাৰে
মোক অৱসাদৰ পুৰণি পৃষ্ঠাবোৰ পঢ়িব দিয়া।❖❖



# এটি নিষিদ্ধ কবিতা

**বিভাস ভট্টাচাৰ্য**
প্ৰাক্তন ছাত্ৰ
গণিত বিভাগ
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

বেদনাসিক্ত নীলা ৰঙৰ চিঞাঁহী ঢালি
সংগোপনে সযতনে
লিখিছিলো মোৰ ডায়েৰীত
এটি নিষিদ্ধ কবিতা।
অজানা উন্মনা আৱেগসনা
মোৰ সেই নিষিদ্ধ কবিতা,
যেন ফাগুনৰ এছাটি বিষাক্ত বতাহৰ
আসক্তিৰ নিবিড় সুৰ।
দুগালেৰে বৈ আহি শুকাই যোৱা চকুলোত
অপ্ৰতিম যৌৱনৰ আৱাহন,
কঁপা কঁপা ওঁঠে ক'ব খোজা এটি তিতা
কাহিনীৰ মিঠা মিঠা মগ্নতা
মোৰ সেই নিষিদ্ধ কবিতা।
বীভৎস হৃদয়ৰ কেঁচাতেজত সিক্ত,
নগ্ন আকাংক্ষাৰ নিৰ্লজ্জ কোলাহলত কম্পিত,
মোৰ কবিতাৰ প্ৰতিটো শব্দ।
হতাশাৰ শ্মশানত দপদপাই জ্বলা জুইকুৰাত
জাহি যাব খোজে নিষিদ্ধ কবিতাৰ প্ৰতিটো প্ৰত্যাশা।
জ্বলি উঠা জুইৰ তীক্ষ্ণ স্পৰ্শত
নিষিদ্ধ কবিতাৰ উপবাসী আত্মাই
সৃষ্টি কৰে এটি জ্বলি যোৱা কবিতা,
ফিৰিঙতি উৰুৱাই মই বাৰু কোন দিশে যাম!
মইযে এজন পলাতক পথভ্ৰষ্ট বাটৰুৱা।❖❖





# জীৱনৰ সমিধান

**চয়নিকা ডেকা**
স্নাতকোত্তৰ প্ৰথম ষাণ্মাসিক
গণিত বিভাগ
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

জীৱনৰ অংকবোৰ বৰ জটিল
সাধাৰণ যোগ-বিয়োগ বা পুৰণ হৰণেৰে
তাৰ সমিধান উলিওৱাটো কঠিন।
আৰ্হি বনাবলৈ তাৰ চৰ্ত বহুত
কিন্তু ৰৈখিক নহয় তাৰ অৱকলন সমীকৰণ।
গণিতিক আৱেশে যত্ন কৰে সমস্যাবোৰ সৰল কৰাৰ,
হৈ পৰে সিও যে জীৱনৰ জটিলতাৰ লগত একাকাৰ।
বিশ্লেষণ কৰি শেষ কৰিব নোৱাৰা সমস্যা
জটিলতাৰ সমিধান;
ধ্ৰুৱক নহয় বাবেই অৱকলনীয় নহয়
কিন্তু প্ৰত্যেকটো বিন্দুত অনুকলন হয়।
Sinx, Cosxৰ লেখৰ দৰে জীৱনটো
কেতিয়াবা সুখ, কেতিয়াবা দুখ
কিন্তু,
জীৱনৰ জটিলতাৰ আগত হাৰ নামানি
আগবঢ়াৰ উদ্যম মনত সদায়
যেন এক পৰম মানৰ লেখ!!!❖❖



# তেজস্বিনী

**সুদৰ্শনা বৰুৱা**
স্নাতক দ্বিতীয় ষাণ্মাসিক
নৃতত্ত্ব বিভাগ
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়



মমতাৰ চূড়ান্ত শিখৰ বিজয়ী
স্নিগ্ধা স্বভাৱিনী জগদ্ধাত্ৰী
কষ্টসহিষ্ণুতা শক্তি প্ৰবাহিনী
তুমি হে মহান মাতৃ।

অল্পমাত্ৰে সন্তুষ্টিনী
সৰ্বাতো চেনেহৰ পাত্ৰী,
হেপাহঁৰ আবাস বিসৰ্জিনী
তুমি হে ত্যাগী পুত্ৰী।

ভাতৃৰ যুদ্ধৰ সংগীনী
যেন দুই নয়নৰ মণি,
নিস্বাৰ্থ যত্ন প্ৰদায়িনী
তুমি হে আদৰৰ ভনী।

অভিমানৰ চহা পথাৰৰ
তুমি আঘোণৰ দাৱনি,
জীৱনৰ ঘাত-প্ৰতিঘাতৰ
তুমি হে দৃঢ় অৰ্ধাঙ্গিনী।❖❖

## এখনি বগা চাদৰ

মৃণাল ঠাকুৰীয়া
স্নাতক চতুৰ্থ ষাণ্মাসিক
গণিত বিভাগ
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

কত ইতিহাস তোৰ বুকুত
কত কাহিনী তোৰ
উটুৱাই নিয় তই।

তই জাননে?
বাৰিষা তোৰ তন্দ্ৰাৰূপ
বৰ ভয় লাগে।
কিয় বাৰু ইমান উত্ৰাৱল হৈ পৰ?

অ’ বাৰিষাৰ পিছত যি পলস পেলাব,
দুয়োপাৰে সেউজীয়া সপোনবোৰ
আকৌ সাৰ পাই উঠে।
এনে লাগে যেন, সেই দৈত্যাকায় ৰূপৰ
ৰূপান্তৰ।

শদিয়াৰ পৰা ধুবুৰীলৈ
তই যেন এখন বগা চাদৰ
শুকুৱাই থৈছে কোনোবাই
বিশাল বালিচৰত।

তোৰ উমাল বুকুত
জীয়াই ৰাখ
অসমী আইক
তই জীয়াই থাকিবই লাগিব
থাকিবই লাগিব।❖❖

## ব্ৰহ্মপুত্ৰ

কৌশিক ব
স্নাতক দ্বিতীয় ষাণ্মাসি
বাণিজ্য বিভা
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যাল

পাহাৰ ভৈয়াম এক কৰা মাধ্যম তুমি
নদ-নদী বিৰিখৰ পৰিচয় তুমি।
জাগৰণ তোমাৰ বুকুত বৈ থকা
এক ৰাজ্যৰ মিঠা আবেগ তুমি।।
পলে পলে নাম সলনি কৰা এক মায়া তুমি
তোমাৰ কোলাতে স্থান পাইছোঁ পৰিচয় আমাৰ
ব্ৰহ্মাৰ সন্তান বুলি।
নীলা আঁচলৰ দৰে জিলিকি থকা মায়াময়
অনুভূতি তুমি।
তোমাৰ লহৰতে কপে আই মাতৃৰ গান।
ব্ৰহ্মপুত্ৰ তুমি আশা আমাৰ আৰু তুমিয়েই
আমাৰ গান।।
তোমাৰ বুকুত জিলিকে সূৰ্য চন্দ্ৰৰ আভা।
সপোনত নহয় দিঠকত পাইছো তোমাৰ
শাৰদী ঠিকনা।
মহা বাহু তোমাৰ নাম তুমি আমাৰ প্ৰাণ
মহান ব্যক্তিৰ মহান ভূমিত তুমিয়েই ৰাখি আছা প্ৰাণ।।
সমন্বয় তুমি গানৰ আদি কথা তুমি
দেশ জিলিকোৱা গানৰ অন্ত কথাও তুমি
মহাবাহু ব্ৰহ্মপুত্ৰ আমাৰ পৰিচয় তুমি।❖❖







## আই, তই অনন্যা



বনস্মিতা কলিতা
স্নাতক ষষ্ঠ ষাণ্মাসিক
গণিত বিভাগ
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

এই ধৰাৰ একমাত্ৰ নিৰাপদ আৰু
শান্তিৰ ঠাই, তোৰ কোলা।
সমস্ত দুখ-ভাগৰ পলকতে নোহোৱা কৰি
দিব পৰা
আই, তই অনন্যা।
তোৰ শক্তি, তোৰ সাহসে
কাঁইটীয়া পথবোৰ অতিক্ৰম কৰি গৈ থাকিবলৈ
দুগুণ উৎসাহ দিয়ে।
নমাহ নদিন গৰ্ভত ৰাখি
আমাৰ বাবে পাৰ কৰা হেজাৰটা উজাগৰী নিশা,
তোৰ নীৰৱ চকুলোবোৰ,
দুখ-কষ্ট লুকুৱাই ৰাখি মৰা মিছা হাঁহিবোৰ,
আই, তই কেনেকৈ ইমান সহ্যশীল?
নিজে নাখাই যে আমাক খুৱাব,
নিজৰ বাবে নকৰি যে আমাৰ বাবে মাত মাত’,
তোৰোটো সপোন আছিল!
তোৰ সপোনবোৰ কিয় জঁহি-খহি যাবলৈ দিলি?
কেৱল আমাৰ বাবে!
কেনেকৈ পূৰাম আই?
তোৰ এই ত্যাগ আৰু কষ্টৰ মূল্য।
কেনেকৈ?❖❖

## ঠিকনা...

ড° পাপৰি দেৱী
সহযোগী অধ্যাপিকা
উদ্ভিদবিজ্ঞান বিভাগ
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

ফাগুনৰ পচোৱাত
নিশ্বাস আৰু হুমুনিয়াহ,
বিশ্বাসৰ বালিচৰে
ঠিকনা সলায়।
আঙুলিৰ ফাঁকেৰে
সৰকি যায় সময়
পদে পদে জীৱনে
খোপনি হেৰায়।
খলা বমা বাটটোৰ
একা বেঁকা কেঁকুৰীত
অনাহুত বন্যাই,
কিয় জানো সপোনবোৰ
কাঢ়ি লৈ যায়।
আঁহতৰ শিপাবোৰো
ছয়া-ময়া জলছবি,
হাতৰ শিথিল মুঠিত
এতিয়া একোৱেই নাই।
নিয়তিৰ জোলোঙাৰে
সৰি পৰে দুটি পল
কঁপি উঠা কলিজাই
তোৰ ছাঁত টোপনি যায়
হীৰুদাৰ ঠিকনাৰ
প্ৰেম কিজানি এনেকুৱাই
...
পোৱা বা হেৰুওৱাৰ
কোনো তাগিদাই নাই ...❖❖

# জীৱন এটি অবুজ সাঁথৰ

প্ৰাণজীত বৰ্মন
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়



জীৱন সঁচাকৈ এটি
ৰঙীন সপোন
যিটো সপোনত কেতিয়াবা সুখ, কেতিয়াবা দুখ,
আৰু কেতিয়াবা থাকে
অনেক উত্তৰ বিচাৰি নোপোৱা প্ৰশ্ন।

জীৱনটো যেন কেতিয়াবা
মানুহৰ হাঁহিৰ কাৰণ হৈ পৰে,
জীৱনটো যেন কেতিয়াবা
এটি উত্তৰ নথকা
সাঁথৰ হৈ পৰে।

সুখ, দুখ, শ্ৰম, বিনিময়,
ত্যাগ এইবোৰ যেন
জীৱন নামৰ সাঁথৰবোৰৰ
এটি এটি শব্দ মাথোঁ।
যিবোৰ শব্দ নাথাকিলে
জীৱন নামৰ সাঁথৰটোৱেই
মূল্যহীন হৈ পৰে।

জীৱনটো কেতিয়াও মূল্যৰে
জুখিব নোৱাৰি, কিন্তু,
কিন্তু যেতিয়া দুখবোৰ
জীৱনৰ পৰা আঁতৰি নাযায়,
অন্ধকাৰৰ মাজত বলিয়াৰ দৰে
সুখৰ সন্ধান কৰিবলগা হয়
তেতিয়া জীৱনটোও যেন
মূল্যহীন হৈ পৰিব খোজে।

মনত অনেক প্ৰশ্নৰ উত্তৰ হয়
তেতিয়া জীৱনটোও যেন
আনৰ হাঁহিৰ কাৰণ হৈ পৰে।❖❖





# বৰষুণ

নিবেদিতা দাস
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ (কলা)
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়



হয়, মই বৰষুণ ভাল পাওঁ,
কবলৈ বহুত কাৰণ আছে
যিবোৰ ক'লে শেষ নহ'ব।
বৰষুণৰ টোপালবোৰৰ যেন এটা বেলেগেই আমেজ,
যিয়ে সকলো কথা সোঁৱৰাই যায়,
ভাল লগা ক্ষণবোৰ বৰকৈ মনত পেলাই যায়
সেইবাবেই হয়তো বৰষুণ প্ৰিয়।
বৰষুণ জাকত এবাৰ নিভিজিলে মনটোৱে যেন মানি নলয়
এক বিশেষ স্পৰ্শৰ অনুভৱ হয় টোপালবোৰৰ,
যিবোৰ মনৰ সকলো ক্ষোভ ধুই পেলায়
মনটো পাতল কৰি যায়।❖❖

# অমানৱীয়

চান্দ মহম্মদ
উচ্চতম মাধ্যমিক দ্বিতীয় বৰ্ষ
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

এজাক কলীয়া ডাৱৰৰ দৰে
অশ্লীলতাই আৱৰি ধৰিছে পৃথিৱী
মান হেৰুওৱাৰ ভয়ত
সভ্য মানৱে ফুৰিছে ওৰণি টানি

আনফালে আকৌ হিংসা বিদ্বেষেৰে
ধৰণী বুৰ গৈছে,
সাহসী মানৱেও প্ৰাণৰ ভয়ত
মৌনতা অৱলম্বন কৰিছে।

দিনক দিনে মানুহৰ মনৰ পৰা
মানৱতা লোপ পাইছে
এজাক স্বাৰ্থপৰ মানুহেই
ধৰণীখন অপৱিত্ৰ কৰিছে।

নাই কোনো প্ৰতিবাদ, নাই পৰিণতি
যিয়েই মাত মাতিবলৈ যায়,
সিয়েই বন্দীশালত বন্দী।

হাই! এয়াই নেকি পৃথিৱী?
চহকীৰ মনতো নাই আজি
গৰীৱৰ প্ৰতি সহানুভূতি।❖❖



# যান্ত্রিকতা

বন্দিতা দা
স্নাতক চতুৰ্থ ষাণ্মাসি
পদাৰ্থবিজ্ঞান বিভা
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যাল

ব্যস্ত পৃথিৱীৰ ব্যস্ত এই সময়
ফাগুনৰ শুকান ৰাজপথ আৰু নীৰৱ প্ৰভাত।
সময় ব্যস্ত গৈ আছে; গৈ আছে
সাত বাজি গ'ল আৰু নীৰৱ ধৰিত্ৰীৰ
দৈনন্দিন কৰ্ম আৰম্ভ হৈ গ'ল।।
বাছ, অট'ৰিক্সা, মেজিক, স্কুটী, ই-ৰিক্সা
দুচকীয়াৰ পৰা চাৰিচকীয়া
এখন এখন কৈ চলি গ'ল।।
এওঁলোকৰ সুৰক্ষাৰ বাবে আকৌ
ৰাতিপুৱা ন বজাৰ লগে লগে ট্ৰেফিক পুলিচজনো
ডিউটিৰ বাবে আহি হাজিৰ হ'ল।।
অফিচ কোৰ্ট কছাৰী আৰম্ভ হ'ল
অফিচ কৰ্মীসকলো নিজৰ নিজৰ ডিউটিত ব্যস্ত হৈ ৰ'ল।।
স্কুল বাছবোৰ চলিছে
মা স্কুলত ভালকৈ থাকিবা বুলি সেই মাতৃয়ে
নিজৰ কণমাণিটিক বাছত উঠাই দিছে।
দেউতাকৰ লগত স্কুল বাছ ৰখি থকা সেই পোন্ধৰ যোল্ল
বছৰীয়া কিশোৰ জনে—পাপা যাওঁ বুলি কৈ বাছত উঠিছে;
যেন মনত অযুত সপোন আৰু আগত
পৰীক্ষাৰ প্ৰস্তুতি চলিছে।
কিন্তু বাছত উঠাৰ পিছত সকলোৱে একেলগে কিৰিলিহে
পাৰিব ধৰিছে।
শব্দৰ কোলাহল গাড়ীৰ হৰ্ণ আৰু
চিটি বাছত কণ্ডাক্টৰজনৰ বাকধ্বনি
বহুত দূৰলৈ শুনিব পাইছোঁ।
আবেলি হ'বলৈ ধৰিছে
পাৰ্কবোৰ প্ৰেমিক প্ৰেমিকাই আৱৰিছে।
হাতত হাত ধৰি মনৰ গোপন বাৰ্তালাপ কৰিছে
লাহে লাহে অন্ধকাৰ হ'ব
ষ্ট্ৰীট লাইটবোৰ জ্বলি উঠিব।
দিস্কো বাৰ আড্ডা দিয়া ঠাইবোৰ মানুহৰে ভৰি পৰিব।।
চহৰীয়া পৰিৱেশৰ উন্মাদ
ৰাতি বাৰ বজালৈ গভীৰ শব্দৰ ধ্বনি
আৰু লাহে লাহে পৃথিৱী শুই পৰিব।
কিন্তু তেতিয়াও চলি থাকিব দুষ্ট চক্ৰৰ ব্যৱসায়
মন দি শুনিলে তেতিয়াও শুনিব পোৱা যাব
কোনোবা নিৰ্জন গলিৰ পৰা অহা নাৰীৰ আৰ্তনাদ।
চিত্ৰকৰ ভাও জুৰি পিশাচবোৰে আঁকিব উলংগ নাৰীৰ
অসুন্দৰ বেটুপাত।।
পৃথিৱীত তেতিয়াও ব্যস্ত হৈ থাকিব
সময়ৰ যাত্ৰা দ্ৰুত গতি অব্যাহত থাকিব;
ৰবলৈ আহৰি নাই কাৰো।
ব্যস্ত সকলোৱে জীৱন নিষ্ঠুৰ এই সময়
সকলোবোৰৰ মাজত মই আজি নিজকে এজন দৰ্শক
যেন অনুভৱ কৰিছো
অত্যন্ত কোলাহলৰ মাজতো এক শূণ্যতা বিচাৰি পাইছোঁ।।
নীৰৱ দৰ্শক হৈ চাই গৈছো সময় আৰু পৃথিৱীৰ এই
প্ৰতিযোগিতা।
কোন জিকিব? কোন হাৰিব?
উত্তৰ স্পষ্ট!!
সময় জিকিব নহয় জানো??
কাৰণ সময়ৰ চক্ৰবেহুত পৃথিৱী এনেদৰে সোমাই পৰিছে যে
নিজকে সময়ৰ সোঁতত উটাই দিবলৈ বাধ্য হৈ গৈছে।।❖❖





# শৈশৱ

আগষ্টিনা মহন্ত
স্নাতক চতুৰ্থ ষাণ্মাসিক
উদ্ভিদবিজ্ঞান বিভাগ
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়



শৈশৱৰ যে ৰঙীণ দিনবোৰ,
আকৌ অনুভৱ কৰিবলৈ হৃদয়ত এক দুৰ্বাৰ আশা,
দৈনন্দিন জীৱনত ক্লান্ত হৈ পৰা মনটোয়ে যেন আকৌ
উৰা মাৰি যাবলৈ খোজে সেই পুনৰ শৈশৱলৈ।

দেউতাই গুণগুণাই দিয়া সেই মধুৰ নিচুকণি গীতবোৰ,
পাৰিম জানো আকৌ উভতাই আনিবলৈ?
মাই হাতেৰে খুৱাই দিয়া দাইল, ভাত আলু পিতিকাৰ
অপূৰ্ব সোৱাদ,
পাৰিম জানো সেই সোৱাদ আনে ৰন্ধা
খাদ্যত বিচাৰি পাবলৈ?
লগৰ সমনীয়াহঁতৰ সৈতে কৰা ল'ৰা ধেমালিবোৰ,
স্কুলৰ বাকৰিত কৰা উৎপাতবোৰ,
সেই অবৰ্ণনীয় মুহূৰ্তবোৰ আকৌ ঘূৰাই পাম জানো?

সূৰ্য্যৰ নতুন কিৰণে জীপাল কৰি তোলা মনটোয়ে কয়,
"ব'লা উভতি যাওঁ তোমাৰ মনোমোহা ৰবালি কাললৈ,
আকৌ চাই আহোঁগৈ তোমাৰ গাঁৱৰ
সেই মুকলি আকাশখন,
দৌৰি আহোঁ সেই সেউজ মনোৰম খেতি পথাৰত
ব'লা এবাৰ চাই আহোঁগৈ তোমাৰ মধুৰ শৈশৱ!"❖❖

# অভিন্ন চিন্তাৰ দুটা ভিন্ন স্তবক

অন্তৰাগ আবিৰ
স্নাতক প্ৰথম ষাণ্মাসিক
প্ৰাণীবিজ্ঞান বিভাগ
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

১) তেওঁক হেৰুওৱাৰ জুইকুৰাত মোক জ্বলিব দিয়া।
মোক ছাই হ'ব দিয়া।
মোক গঙ্গা হ'ব দিয়া।
মই বিচাৰি যাম তেওঁক।
সুধিম তেওঁক তাত কিমান ফাগুন!

২) সময়ৰ টিকনিত মই বান্ধি থৈছিলো এটা সম্পৰ্ক।
সময়বোৰ সময়তকৈ বহু আগতেই পাৰ হ'ল...!
জীয়াবলৈ এমুঠি মানুহকে দিয়া,
বৰ ভাগৰুৱা মই!!❖❖

# হেঁপাহ

নেন্সি নাথ
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ
কলা শাখা
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

দিঠকত দেখা নাই তোমাক
ফটোখন বাৰে বাৰে চাওঁ
মৰমলগা মুখনি তোমাৰ
এবাৰ চাবলৈ হেঁপাহ গোটাওঁ।
তুমি নজনা কৈ জানো মই
তোমাৰ সকলো কথা
তোমাৰ কবিতাবোৰৰ আঁৰত যে
লুকাই আছে কাহিনী এটা।
নাজানো কিয় জানিব মন যায়
তোমাৰ খবৰ; কি কৰিছা, ক'ত গৈছা
কিজানি তুমি গোপনে
মোৰ হৃদয়ৰ মাজত আছা।
তোমাক চাইছো মনেৰে
শুনিছো কবিতাৰ সুৰেৰে
হেঁপাহ ৰাখিছোঁ লগত
লগ পাম এদিন দিঠকত।❖❖



# প্ৰস্তৰপুৰুষ

ড° ৰঞ্জনজ্যোতি বেজবৰুৱা
সহকাৰী অধ্যাপক
অৰ্থনীতি বিভাগ
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়



তেওঁলোকে অভ্যাসবশতঃ এৰাঁগাখীৰ খায়
চামনি বন্ধা একো একোটা কঠিন শিলৰ পৰা
খালি ভবিৰে নামে তেওঁলোক
আধৰুৱা নিদ্ৰা সামৰি,
ঘূৰি ফুৰে আন্ধাৰে, পোহৰে
বিচাৰি যায় দুৰ্লভ আহাৰ
মানুহবোৰে চাকি জ্বলাই
তেওঁলোকক শূন্যৰ পৰা আদৰি আনে
শুৱনি আসনত আথে-বেথে বহুৱায়
প্ৰশংসা শুনি তেওঁলোকে ভাল পায়
ৰঙা ৰঙা ফোঁট লোৱা মানুহবোৰে
তেওঁলোকৰ কাণত বিৰবিৰাই কিবা কয়
নুশুনাৰ ভাও জুৰি গুচি যায় তেওঁলোক
অদৃশ্য হৈ, উৰা মাৰি❖❖





# জীৱাশ্ম

ড° অজয় দাস
সহকাৰী অধ্যাপক
উদ্ভিদবিজ্ঞান বিভাগ
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়



কোন ভৌগোলিক নিৰ্দেশনাত
কোন হয় জীৱাশ্ম,
সময়ৰ সন্ধিক্ষণত,
কাৰ অভিশাপত
হেজাৰ হেজাৰ বছৰ বুকুত বান্ধি
কিয় পোত খাই থাকে এটা জীৱাশ্ম...
কেতিয়াবা নিজৰ অস্তিত্ব শিৰত তুলি
জীয়াই থাকে কিছুমান জীৱন্ত জীৱাশ্ম।।
পৃথিৱীৰ কোনো পৰিৱৰ্তনে সলাব নোৱাৰে
সবল জীৱন্ত জীৱাশ্মক।।
আচলতে, এই জীৱাশ্মবোৰে,
বহু যুগৰ সাধুকথাবোৰ কয়।।
মইও যেনে তেনে এক জীৱাশ্মই...
বুকুত কঢ়িয়াই লৈ ফুৰোঁ
বহু যুগৰ সাধুকথা।।
শিলৰ ভাঁজত বছৰ বছৰ
পোত খাই থকা জীৱাশ্ম...
কেতিয়াবা যেন জীৱন্ত জীৱাশ্ম...❖❖

# আলিমূৰৰ আঁহতজোপা

ড° চঞ্চল বৰুৱা
সহকাৰী অধ্যাপক
গণিত বিভাগ
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

আলিমূৰৰ আঁহতজোপা...
বতাহত চিল্‌চিল্‌কৈ কঁপি থাকে পাতবোৰ।
যেন ৰংমনক প্ৰথম লগ পাবৰ দিনা ৰাধাৰ
বুকুখন।
মাটি খামুচি থকা শিপাবোৰ
ৰাধাৰ হাতৰ খামোচটোৰ দৰেই...
যেন সেই একেই আবেগ।

মৰমৰ খামোচবোৰ বাৰু দৃঢ় হৈ থাকেনে
আমৃত্যু?
একেই থাকেনে ৰংমন
অথবা ৰাধাজনী?
কিম্বা সময়বোৰ?

বলিয়া বানত
শিপাই খামোচা মাটিবোৰ উটি যায়।
খামোচবোৰ দৃঢ় নহয় নে মাটিবোৰ দুৰ্বল?
নে বানটো প্ৰলয়কাৰী?
বিচাৰ কৰাৰ প্ৰয়োজন নাথাকে কেতিয়াবা।
গছজোপা জীয়াই থাকিব বিচাৰে...
মাথোঁ অলপ পলস পালেই
শিপাবোৰে পুনৰ খামুচি ধৰে।❖❖

## চেৰেকীৰ পাক

### (১)

নৰেন্দ্ৰ শ্বাহ — ডেকা দা! মুখা দেখাওকচোন কেইখনমান, অলপ দামী।

ডেকা দা — মুখা! কি কৰে?

নৰেন্দ্ৰ শ্বাহ — নিৰ্বাচন অহা নাই জানো!

***

ডিম্বেশ্বৰ নেওগে কৈছিল— "মৰে অসম জীয়ে কোন?" এতিয়া গম পালে নহয় শৰ্মা দা; জীয়ে ফেইচবুক ইউনিভাৰ্চিটীৰ প্ৰবক্তা কেইটাই।

***

শুনিছে আম্বানী বাৰ্তা, শ্ৰীলংকাত বোলে মানুহে খাবলৈ পোৱা নাই, দুৰ্ভিক্ষ।

আম্বানী বাৰ্তা — ৰমেন তই বহ। মই পতক্কৈ গৈ কলম্বোত অকণ পইচা বেচি আহোঁ।

***

সুজিৎ বৰ্মন
স্নাতক চতুৰ্থ ষাণ্মাসিক, ৰসায়নবিজ্ঞান বিভাগ

### (২)

দলংখন ভাঙি মৃত্যুমুখত পৰা শ্ৰমিককেইজনক নেতাই জ্ঞাপন কৰিলে সমবেদনা। দুই লাখ টকাৰ এককালীন সাহায্য ঘোষণা।

CBI ৰ তদন্ত উক্ত নেতাৰ বিচনাৰ তুলিৰ পৰা ওলাল কোটি কোটি টকা।

জুবিন দাই বোলে মুখা! মুখা! কিয় পিন্ধা এই মুখা?

***

হৰেণে ফেইচবুকত কমেণ্ট দিছে। চুবুৰীয়া ৰাষ্ট্ৰৰ অতপালি হেনো বাঢ়ি গৈছে। যুদ্ধ ঘোষণা কৰিব লাগে অতি শীঘ্ৰে।

হৰেণে হেনো দেৱালীত অকল ফুলঝাৰিহে জ্বলায়। ফটকাৰ শব্দ বেয়া পায়। কাণ তাল মাৰি যায় বোলে।

সেনাই যুদ্ধত লাইক আৰু কমেণ্ট বৰ্ষাব বুলি ভাবিছে চাগে হৰেণে।

***

ফৰ্বছে উলিয়ালে বৰ্তমান বিশ্বৰ সকলোতকৈ ধনাঢ্য ব্যক্তিৰ তালিকা। একোজনৰ ধনৰ পৰিমাণ হেনো একোখন দেশৰ ৰিজাৰ্ভত থকা ধনৰ সমান।

তুলিকাই মাকক শুধে। ইমানবোৰ টকাৰনো তেওঁলোকে কৰে কি? ভোক গুচাবলৈ গৈ মানুহে ভাতকে খায়। মাকে ব্যঙ্গ কৰি কয়—"চক্তি বনায়।"

***

পাৰ্থ প্ৰতীম শৰ্মা
স্নাতক চতুৰ্থ ষাণ্মাসিক, ৰাজনীতি বিভাগ

### (৩)

ইহঁতৰ দুখ হৈছে, দে অলপ দুখ কৰিয়ে দেখাও! নাই নাই অলপ চিন্তা কৰি দেখাও, নিৰক্ষৰবোৰৰ সৰলতাৰ সুযোগ আমি নল'লে কোনে ল'ব?

যোৱা যোৱা তোমালোক ৰণলৈ যোৱা। আমি তোমালোকৰ পিছত আছো। কিবা হ'লে #RIP #Freedom fighter দি তোমালোকক Viral কৰিম দিয়া। তোমালোকৰ পৰিয়ালৰ নামত চৰকাৰে আৰ্থিক বৰঙণি কিবা এটা দিব বাৰু।

কি চাই আছ হা! সৰু সৰু মানুহ যিখিনি পাইছ তাতে সন্তুষ্ট হ! বাওনা হৈ চন্দ্ৰলৈ হাত মেলিবলৈ নাহিবি। মৰিলে লগত নিব নোৱাৰিলে কি হ'ল! যিখিনি আছে সকলো আমাৰ।

ৰাখী বুঢ়াগোঁহাই
স্নাতক দ্বিতীয় ষাণ্মাসিক, ভূগোল বিভাগ

- শিক্ষাৰ দ্বাৰা মই শিশুৰ দেহ, মন আৰু আত্মাৰ সৰ্বতোমুখী বিকাশকে বুজো।

  —মহাত্মা গান্ধী

- চিন্তা আৰু চিতাৰ মাজত কোনো পাৰ্থক্য নাই। পাৰ্থক্য মাথোন এটাই আছে, চিতাই মৰা মানুহ পোৰে আৰু চিন্তাই মানুহক জীয়াই জীয়াই দগ্ধ কৰে।

  —ৰঞ্জু হাজৰিকা

- কেৱল জনসংখ্যাই জাতি ডাঙৰ নকৰে। জাতি ডাঙৰ হয়, জাতীয়তাবাদৰ হকে ডেকাই দিয়া হিয়াৰ ৰাঙলী তেজেৰে।

  —বিষ্ণুপ্ৰসাদ ৰাভা



# English Section

Article

# Who Rules the World, US?

**Santanu Konwar**
B. A. 4th Semester
Department of Political Science
Arya Vidyapeeth College

Currently the Global population is about 7.9 billion, out of which only 1% of the total population runs the globe. These 1% people include- Politicians, Businessman, Administrative officers and Diplomats, etc. But the question is who is on the top of this hierarchy.

There was once a time when the whole world order was under the influence of Great Britain. However, by the end of both the world wars a new world order was established under the banner of US and the USSR. But soon USA emerged to be the global leader after the disintegration of the Soviet Union (USSR). As time has passed, now the world is witnessing the rise of few more global powers that is challenging the hegemonic power of the US. Countries like- Russia, China, India, UAE, Israel, etc have shifted the world into a multi polar world order. The US hegemony is now under threat with the emergence of new powers in geo-politics.

We all know that politics is power and the various forms through which a nation exercises its powers in international politics are through military forces, science and technology, trade and commerce. Out of which Military operations are the ultimate source to exercise their power by engaging into a war with some other country. But, why do global powers go into war when the obvious outcome is already known to all. It is because, other than national security war is also an ugly business. It is scam of rigorous forms of humanity. It's a process to wipe out the tax-payers from the hands of the government into the hands of few greedy owners of some major Trans-National Companies (TNC's). These TNC's includes The Defense companies, The Central Banks and The Energy Companies. All the major wars that humanity has noticed so far were fought mainly for resources and profit motive of such TNC's, including both the world wars. Let's find out how this scam works. The whole transaction is complex yet simple; it just needs a few crooked politicians to engage with the investors and owners of these TNC's. This war cartel consists of four players–the defense companies (Boeing, Lockheed Martin, General Dynamics, etc), the energy companies (Shell, Total, Chevron), the Central Banks & few finance companies and the Government. These companies finances the politicians during their election campaigns and in return the politicians give the political benefits to those companies in the forms of business, tenders, tax-reductions, etc when they come into power. Not only these, the governments start working on the outlines laid by these cartels and even interfere into internal matters of other countries and declare war on them under the pretext of protecting democracy, humanitarian crisis, etc. Due to which huge sums of

tax-payers money is swiped out into the hands of those defense companies and TNC's from the treasury of the government. The government starts the Procurement of arms and ammunitions for the military which gives huge defense sales to these companies and as a result their share prices hit an all time high, thereby making them billions of dollars in profit. The energy companies also get huge bottom lines in their revenues as global disrupt in trade increases the prices of crude and gas exponentially, thereby a sharp increase in their share prices is observed. Creating billions in profit for these energy companies and also the Central Banks and finance companies, as they have already taken positions in the securities market based on insider inputs from their cartel.

Traces of such activities of dual partnership between the government and the war cartels can be found in some recent global conflicts, like that of Afghanistan and Ukraine. Recently when the US evacuated from Afghanistan, they left behind sophisticated weapons like- Tanks, Guns, Choppers, Missiles, etc. worth about 10-15 billion dollars which are now in the hands of the Taliban and poses a great threat to the internal security of countries like, India, Pakistan and other Central Asian countries, recently in a military operation in Jammu & Kashmir, the militants were found in possession of highly effective American weapons. This has become a serious security concern for India. The US could successfully withdraw these weapons from the soil of Afghanistan if they wanted. But, they purposely left them behind in order to create an arms race in the region to get new defense sales for their companies as outlined by those war cartels. Not only this, these companies are also going to get more orders for arms procurement even form the US military in order to restock their weapons pile which they have left behind in Afghanistan. This whole process is a ponzi scheme through which the tax-payers money is wiped out into the hands of these companies. Again, the present conflict that's been on going on Ukraine due to the trap laid by US & its Allies (NATO) is another proof of existence of such war Cartels. Because if the US wants this war to be stopped at any cause they can stop it with a simple assurance by the NATO to Russia in the form of a amendment which they are never going to do as their ugly business would not profit from it. And their energy, finance and Central banks won't run in huge profits. As of now due to this ongoing Russia-Ukraine conflict, defense companies around the globe have bagged defense orders worth 45 billion $.

After closely observing such situations, a question arises about the monetary power of these TNC's and how they can alter the foreign policy of the government for their profit motives. Although the world is now noticing the rise of a multi-polar world order along with the decline of US hegemony, it puts us into deep thinking Who Rules The World, US?

❖❖❖





# Anticipated Experiences during our college life

**Abhinab Kamal Bhuyan**
B.Com. 4th semester
Commerce Deptt.
Arya Vidyapeeth College



College life is one of the most remarkable and lovable times of an individual's life. Unlike school life, college life has a different experience, and a person needs to have this experience in his/her life. College life exposes us to whole new experiences which we always dream of experiencing after our school life. Lucky are those who get the chance to enjoy their college life. For every person college life has a different meaning. While some people spend their college life partying with friends, other become more cautious about their careers and study hard. Whatever the way, every individual enjoys their college life.

Both school life and college life is memorable for a person's life, but both of them are quite different from each other. While in school life, we learn everything in protected environment, college life exposes us to a new environment where we have to face new challenges and learn new things. But college life expands for 3 to 4 years. In college life, one gets a chance to make their own decisions. In school life students get an opportunity to be class monitor. In college life, an individual gets a chance to nominate himself/herself for more prominent positions like college president, vice president, secretary, vice secretary.

College life is considered a bridge in our lives between our school days and our career. It prepares us with the finest academics and platforms to generate dreams into qualities. It acts as an transition to prepare us to be more independent. In school we are dependent on our parents. However, we become independent in college regarding studies, travelling, decision making etc. It is a very smooth transition where we don not realize that we have become independent.

Some fun memories from college life

Firstly, some of the most fun memories of college are 'college canteen'. The canteen is supposed to be where most of the students satisfy their hunger and hang out with their friends.

Secondly, its the "annual fest" of the colleges. Fests always filled the student life with excitement and buzz. It gave new opportunities to explore, compare, compete and provide platform to showcase their talent.

Last but not the least are the college trips or picnics. One of the best thing in college life is field trips where they can go out and have quality time with their friends and teachers.

We should enjoy our college days as they cannot be brought back just like our school days.

As a college student, the hardest part of college life was leaving college after graduation. The last days of college were the hardest, knowing that soon you would be departing your friends, the campus the teachers and completely leaving behind a part of life.

❖❖❖

# Wet land Protection ! "A massive endeavor rather than a small issue"

**Dr. Susanta Sarma**
Assistant Professor
Department of Zoology
Arya Vidyapeeth College



The wet lands on earth have been the hapless sites of intervention in the age of modernization being the witness of almost every derogative process of urbanization as most parts of the globe are under quicker replacements of natural ambiences with concrete establishments. The marshy peat lands on earth, the wetlands embrace the common pathway of activities of diverge resources in the biosphere. The challenges of every harsh retaliation in the form of biological stress are aided to get overcome by these wet lands. The grass root level treatments of any environmental effluents could be initiated with better perspectives if taken from the wet land protection or conservation point of view. The wet lands serve as the site of reclusion of diverge organisms and are used as grounds for sublimation of the most important activities of many organisms. Besides the potential microorganisms which may have various sorts of influential activities in nature are naturally cultured in these places. Being the natural sinks of every bi-products in nature, these places are often many times been referred to serve the role as the "kidneys on earth" which aid as the agents of filtering in the natural ambiences.

The credibility of saving wetlands on earth can be realized from the various impacts which can be achieved from such sites if through certain unique means or strategies, such places may be provided solace to develop and improve through their conservations rather than being inflicted with regular exploitations by human in return for space, establishments and habitations. Rather the invaluable sorts of influences on the terrain of north east India including our own state through the effects in various seasons of climatic conditions, such as in the time of flood situations, the worthy meaning of saving wetlands can rightly be perceived.

**Necessity of Wetlands in a state like Assam :** Assam serves as a natural bowl for logging water, pouring down during almost every rainy season of the years, from the surrounding hilly terrains, geographically, as its natural or physical location on the earth. The wetlands are the natural absorbing bodies of water logs, since the level of water in such wetlands depends to a great extent on the water levels of the major water bodies including the inundated places around the location, as most often be specified; the destruction or minimization of the ranges of wetlands in such a rain borne and flood prone state like Assam, has the absolute probability to provide rooms for many water logging out come to the disaster of the mankind.

The burning incidents today in many places of our state including the regular tormenting issues in many localities in our Guwahati city especially in the Rajgarh area, in the lanes as Anil Nagar and Nabin Nagar; if anybody likes to ponder a heed on the issue then it could be well realized that whenever the natural water bodies which are bonded naturally in regulation of many seasonal watery conditions are disturbed, then, what could be in retaliation. Many places which would have been natural wet lands are filled up with earth for rampant establishments.

The diversified relief features of our region can highly depend on the wet lands if could be conserved properly. This can be stated with facts through pointing out the following important features held by the wet lands –

- Wet lands are mostly covered by water
- Wet lands are most biologically diverged of all eco-systems
